

# জ্যোতি

College Library

সম্পাদক

ীবেন্দ্ৰ কুমাৰ চৌধুৰী

জ
ৱা
হ
ৰ
জ্যো
তি

# বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আলোচনী

JAWAHARLAL NEHRU COLLEGE • BOKO

বছৰেকীয়া প্ৰকাশ

চতুৰ্থ সংখ্যা

ইং ১৯৭৭-৭৮

Jawaharlal Nehru College Library
No..........
BOKO

সম্পাদক

ধীৰেন্দ্ৰ কুমাৰ চৌধুৰী

# ॥ সম্পাদনা সমিতি ॥

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ, সভাপতি

অধ্যাপক বসন্ত দত্ত

অধ্যাপক দিলীপ দাস

অধ্যাপক খগেশ সেন ডেকা

ভাৰপ্ৰাপ্ত অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্ম্মা

সম্পাদক, ধীৰেন্দ্ৰ কুমাৰ চৌধুৰী

হংসধৰ দৈমাৰী

মুদ্ৰক ঃ—

● শ্ৰীকৃষ্ণ প্ৰিণ্টিং প্ৰেছ, বাকো।

# ঃ শুভেচ্ছা বাণী ঃ

**শ্ৰীলক্ষ্যধৰ চৌধুৰী**
শিক্ষা আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী, অসম।
তাং – ২৫।১।৭৮

বকো অঞ্চলত অৱস্থিত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি'ৰ চতুৰ্থ সংখ্যা প্ৰকাশ কৰিবলৈ আয়োজন কৰা বুলি জানিব পাৰি মই সন্তোষ পাইছোঁ আৰু এনে সৎ প্ৰচেষ্টাৰ বাবে বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

'জৱাহৰ জ্যোতি'ৰ উত্তৰোত্তৰ বৃদ্ধি কামনা কৰিলোঁ আৰু ইয়াৰ অবিৰত প্ৰকাশে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান বিকাশত সহায় কৰিব বুলি আশা ৰাখিলোঁ।

স্বাক্ষৰ/
শ্ৰীলক্ষ্যধৰ চৌধুৰী
২৫।১।৭৮

...harlal Nehru College ...
BOKO

# পাতনিতে বোৱালোঁ অশ্রুধাৰ-----

যি সকল মহান ব্যক্তিৰ বিয়োগত আমাৰ সাহিত্য, সংস্কৃতি আৰু সমাজৰ অপূৰণীয় ক্ষতি হ'ল, যি সকলে আমাক ইতিহাস ৰচনাৰ প্ৰেৰণা দি গ'ল, সেইসকল মহান ব্যক্তিৰ মৃত্যুত আমি বোৱালোঁ শত অশ্ৰুধাৰ------।

(০) "মৃত্যুক সাৱটি সমাধি তলিত অকলে আছোঁহি শুই।" সঁচাকৈয়ে আমাক চিৰদিনৰ কাৰণে কন্দুৱাই গুচি গ'ল, সুৰ শিল্পী, সংগীত পৰিচালক জয়ন্ত হাজৰিকা।

(০) অসমৰ মহিলা কবি, শ্ৰদ্ধেয়া আইতা পদ্মশ্ৰী নলিনী বালা দেৱী।

(০) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বাগ্মীবৰ ককা নীলমণি ফুকন।

(০) আজীৱন সাহিত্যিক অধ্যক্ষ গিৰিধৰ শৰ্মা।

(০) 'আৱাহন' খ্যাত, সাংবাদিক সাহিত্যিক দীননাথ শৰ্মা।

(০) ঢোলৰ যাদুকৰ মঘাই ওজা।

এই মহান ব্যক্তিসকললৈ আমাৰ হিয়া ভৰা শ্ৰদ্ধা আৰু ভক্তি থাকিল। তেওঁলোকৰ আদৰ্শই বিশ্বৰ শান্তি আৰু প্ৰগতিৰ পথত আমাৰ সকলোকে অনুপ্ৰাণিত কৰক— এয়ে আমাৰ একমাত্ৰ কামনা।

# এই সংখ্যাত আছে:—

**ঃ কবিতা ঃ** — **ঃ লিখিছে ঃ**

।। পুৱঁতি নিশাৰ সপোন ।। চলমান ।। উপলব্ধি ।। তোমাৰ, মোৰ আৰু সিহঁতৰ ।। শ্মশানত ।। উপলব্ধি ।। ভিয়েটনামৰ কবিতা ।। সিহঁত ।। সম্রাট । শুনা সেয়া কালৰ সংবাদ ।। নতুন দিগন্ত ।। মোৰ মন ।। চিৰন্তন ।। ছুটি খণ্ড কবিতা ।

।। প্ৰবীণ ৰাভা ।। মহেন্দ্ৰ কুমাৰ দাস ।। আনন্দ চন্দ্ৰ দাস । বসন্ত দত্ত ।। দধীমোহন মজুমদাৰ । মিনা দুৱৰা ।। খগেশ সেন ডেকা ।। হংসধৰ দৈমাৰী ।। কামিনী মোহন শৰ্মা ।। নিৰুপমা চৌধুৰী ।। মঞ্জুলা দাস ।। লক্ষী দাস । অৰুণ ৰাভা ।।

**ঃ গীত ঃ**

।। দুটি গীত ।। দুটি গীত ।।

ঃ ভাৰত চৌধুৰী ঃ ধীৰেণজিৎ কলিতা ঃ

**ঃ গল্প ঃ**

।। শেতা হাঁহি ।।

।। অনিল কুমাৰ ৰাভা ।।

**ঃ প্ৰবন্ধ ঃ**

।। বৰো অঞ্চলৰ সুৱৰি উৎসৱ ।। এখন মুকলি চিঠি ।। ভিন্‌চেণ্ট ভেন্‌গগৰ জীৱনত নাৰী ।। ৰাষ্ট্ৰৰ আদৰ্শবাদ ইয়াৰ উৎপত্তি ।।

।। ধ্ৰুৱজ্যোতি চৌধুৰী ।। আনন্দ চন্দ্ৰ দাস ।। পবিত্ৰ ঠাকুৰীয়া ।। মজিবৰ ৰহমান ।।

সিপিঠিত—

: ভ্ৰমণ কাহিনী :

॥ উত্তৰ ভাৰতত এভুমুকি ॥ ॥ অৰ্জুন বড়ো ॥

: সম্পাদকীয় :

: প্ৰতিবেদন সমূহ :

: মহাবিদ্যালয়ৰ বছৰেকীয়া সপ্তাহ উপলক্ষে পতা বিভিন্ন বিষয়ৰ প্ৰতিযোগিতাৰ ফল :—

: Appendix :

: Members On The Teaching Staff :

: The Office Staff :

: Graduates of the year :

# পুঁৱতি নিশাৰ সপোন

প্ৰবীণ ৰাজা
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

বাৰণাৱত নগৰ
জতুগৃহত জুই
কেৱল জুই।
দীঘল দীঘল
ৰক্তৰঙা জিভা মেলি
লেলাউটি সামৰি
সিহঁতে হাঁহিছে
কেৱল হাঁহিছে

হঠাৎ......... .....
হুৰুসাই সিহঁত পৰি গ'ল
পৃথিবীৰ বুকুত
এটা শতেক পুৰণি
এন্দুৰৰ গাতত ঃ

হাঁহিবোৰ থমকি ৰ'ল
চকুবোৰ থিয় হৈ ৰ'ল
জুইবোৰ জিভা মেলি থমকি ৰ'ল
পলাল কৌৰৱৰ দল।

ৰাজপথত --
পঞ্চ পাণ্ডৱ
আৰু
বি-ৰা-ট জনতাৰ সমদল।
সিহঁতৰ হাতৰ মুঠিত
উৰিছে কপৌ এহালি হৈ
বিজয় ধ্বজা।

এটা উদ্দীপ্ত নতুন সূৰ্য
আৰু
এখনি বহল নীলাকাশ।

# ॥ চলমান ॥

(১)

মই সুধিলোঁ
নাটঘৰৰ ভাওনা কেনে ?
ভাৱৰীয়াবোৰে আগবঢ়াই দিলে,
চকুলোৰে তিতি থকা হাতবোৰহে !

(২)

উন্মাদ জনতাই ঘেৰাও কৰা
ঘৰটোৰ দুৱাৰ খিড়িকীবোৰ ৰুদ্ধ।
ভিতৰত এক নৱজাত শিশুৰ ক্ৰন্দন।

(৩)

ৰাস্তাৰ ওপৰত ইমানবোৰ মানুহ।
নৰ্দমাত এটি মৰা শ।

*●*

মহেন্দ্ৰ কুমাৰ দাস
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়।

প্ৰবন্ধ

# বকো অঞ্চলৰ সুৰৰী উৎসৱ

## এটি পৰ্য্যালোচনা

ধ্ৰুৱজ্যোতি চৌধুৰী।
প্ৰথম বাৰ্ষিক, স্নাতক।

প্ৰাচীন কালৰ পৰা ধৰ্মাবণ্য ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্ত যেনেকৈ হিন্দু ধৰ্মৰ মহান জ্যোতিৰে উদ্ভাষিত হৈ আহিছে, ঠিক তেনেকৈ সেই ধৰ্মক কেন্দ্ৰ কৰি ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত নানা ব্ৰত উৎসৱৰো উৎপত্তি হৈ আহিছে। এইবোৰৰ জৰিয়তে মানুহৰ মন ধৰ্মৰ ফালে ধাবিত হোৱাৰ উপৰিও এইবোৰে মানুহৰ মনত অনাবিল আনন্দৰ খোৰাক যোগাইছে। কিছুমান উৎসৱ সৰ্বভাৰতীয় আৰু কিছুমান আঞ্চলিক। আঞ্চলিক উৎসৱ হিচাপে দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত "সুৰৰি" উৎসৱটি বকো অঞ্চলত কেনেদৰে উদ্‌যাপন কৰা হয় আৰু ইয়াত কেনেদৰে থলুৱা কৃষ্টি প্ৰদৰ্শন কৰি আনন্দমুখৰ কৰে সেই বিষয়ে আলোচনা কৰা হ'ল।

"সুৰৰি" বা "সৰি" শব্দটো সংস্কৃত 'স্মৃ' ধাতুৰ পৰা ওলোৱাটো সম্ভৱ। ইয়াৰ অৰ্থ স্মৰণ কৰা। দৌল উৎসৱৰো শেষৰ দিনক "সুৰৰি" বোলে। "সুৰৰি উৎসৱৰ দৰে উত্তৰ কামৰূপতো "ভঠেলি" নামে এটি উৎসৱ ব'হাগ মাহত পালন কৰে। সুৰৰী উৎসৱ কোনো কোনো ঠাইত বহাগৰ সাত বিহুত, কোনো ঠাইত দধিমথনৰ আঠ দিনৰ পিচত পথাৰৰ মাজত বা নৈৰ পাৰত পালন কৰা হয়। এই উপলক্ষে নিৰ্দিষ্ট ঠাইত বাঁহৰ চাত পুতি তাৰ কাষত দ'তি ক্ষান্মৰীয়া গাঁৱৰ গোসাঁইৰ বিগ্ৰহ সমূহ আসনেৰে সৈতে আনি স্থাপন কৰা হয়। অগণন ভক্তিপ্ৰাণ নাইজৰ সমাবেশত ঠাই ডোখৰ তীৰ্থক্ষেত্ৰ যেন লগা হয়।

উৎসৱ স্থলীত এখন ডাঙৰ মেলা বহে আৰু এই মেলা দুপৰীয়াৰ পৰা সন্ধিয়ালৈকে চলে। ইয়াত নাম-কীৰ্ত্তন, খেলা-ধূলা আৰু বিভিন্ন কৃষ্টিও প্ৰদৰ্শন কৰা হয়। মেলাত আন ব্যৱহাৰ্য বস্তুৰ উপৰিও মাটিৰ মূৰ্ত্তি আদি বেচা-কিনা কৰা হয়। দুপৰীয়া হোৱাৰ লগে লগে গাঁৱৰ গোঁসাই ঘৰৰ পৰা গোঁসাইৰ বিগ্ৰহবোৰ মাংগলিক কাৰ্যেৰে ধুৱাই-পখলাই আসনেৰে সৈতে নাম কীৰ্তনেৰে শোভা যাত্ৰা কৰি নিৰ্দিষ্ট ঠাইত গোসাঁই থাপনা কৰি এই উৎসৱ পতা হয়। উৎসৱ থলীত নাম-কীৰ্তন, ৰং-তামাচা কৰাৰ অন্তত সন্ধিয়া হোৱাৰ লগে লগে আকৌ আসনেৰে সৈতে বিগ্ৰহবোৰ শোভাযাত্ৰা কৰি ওচৰৰ গাঁৱবোৰত ঘূৰাই লৈ ফুৰোৱা হয়। কোনো কোনো লোকে শোভাযাত্ৰাৰ বাটৰ কাষত হালি থকা গছৰ পাত আদি ভাঙি

বা কাটি পেলাই গোঁসাই যোৱাৰ বাট পৰিষ্কাৰ কৰাৰ ইংগিত দিয়ে। আন কিছুমানে গোসাই আহিব বুলি আগৰে পৰা পদুলি সাৰি মচি বৰপীবা পাৰি থয়। বিগ্ৰহ আনি তাত ক্ষন্তেকৰ কাৰণে থোৱা হয় আৰু তেতিয়া গিৰিহঁতে ধূপ, চাকি, নৈবেদ্য, পইচা আদি আগবঢ়াই বিগ্ৰহলৈ সেৱা জনায়। ৰাইজে হৰিধ্বনি কৰে। এইদৰে ভ্ৰমণ কৰাৰ শেষত বিগ্ৰহটি নাম ঘৰৰ মণিকূটত থৈ দিয়া হয়।

ওপৰত উল্লেখ কৰা সুৰৱী উৎসৱৰ উৎপত্তি কেতিয়াৰ পৰা হৈছিল তাৰ একো প্ৰমাণ পোৱা নাযায়। বকো অঞ্চলৰ কেইজনমান বয়োজ্যেষ্ঠ ব্যক্তিৰ মুখৰ পৰা জানিব পৰা মতে তেওঁলোকৰ উপৰি পুৰুষ সকলৰ দিনৰ পৰাই এই উৎসৱ চলি আহিছে। অতীত কালত হেনো ভোগালী আৰু বঙালী দুয়োজনীয়ে বায়েক-ভনীয়েক আছিল। ভোগালী বয়সত ডাঙৰ আৰু তাইৰ আৰ্থিক অৱস্থাও আছিল টনকিয়াল। আনহাতে বঙালী আছিল ভোগালীৰ সৰু ভনীয়েক, তাইৰ অৱস্থা অতি শোচনীয়। সেয়ে তাই বহাগ বিহুৰ প্ৰথম দিনা খনৰ পৰা সাত বিহুলৈকে মানুহৰ ঘৰে ঘৰে গৈ ভিক্ষা কৰি খি পায় সাতবিহুৰ দিনা বং-ধেমালিৰে সকলোৰে মিলিজুলি মুকলি পথাৰত ভোজ খায়। এই প্ৰথামতে আজিও গাঁৱৰ কেতবোৰ মানুহে গাঁৱৰ ঘৰে ঘৰে বহাগ বিহুৰ প্ৰথম দিনৰ পৰা সাত বিহুলৈকে ভিক্ষা কৰি ফুৰে। এনেদৰে ভিক্ষা কৰি পোৱা সামগ্ৰীবোৰেৰে সাতবিহুৰ দিনা মুকলি পথাৰত সকলোৰে বং ভামাচাৰে ভোজ-ভাত খাই আনন্দৰ মেলা পাতে। ইয়াৰ পৰাই সুঁৱৰী উৎসৱৰ উৎপত্তি হোৱা বুলি তেওঁলোকে কয়।

বকো অঞ্চলত এই সুৱৰী উৎসৱ বহুদিনৰ পৰাই চলি আহিছে। এই বৃহৎ এলেকাটিৰ বকো, বনগাওঁ, মুকী, বেকেলী, পশ্চিম ছমৰীয়া আদি মৌজা সমূহৰ গঞা সমাজে নিজ নিজ গাওঁতে সাধাৰণভাবে এই উৎসৱ পালন কৰিছিল। কিন্তু কালক্ৰমত জনসংখ্যা বৃদ্ধি পাই অহাৰ লগে লগে বকো অঞ্চলৰ বনগাওঁ, বকো, ১নং খাৰিজা আৰু ২নং খাৰিজা ৰাইজবাসীয়ে বকোৰ মুকলি পথাৰত পাতিবলৈ লয়। ইয়াতো কিবা সংক্ৰান্তত মতৰ ভেদাভেদ হোৱাত বনগাওঁবাসী ৰাইজে বৰ্তমানলৈকে গোপীনাথ গোঁসাই মহন্ত আৰু বাকী তিনিখনৰ ৰাইজে আগৰ ঠাইতে সমূহীয়া ভিত্তিত উদ্‌যাপন কৰি আছে। ৰাইজে তেওঁলোকৰ গাঁৱৰ নামঘৰৰ পৰা ওপৰত বৰ্ণনা কৰাৰ দৰে বিগ্ৰহবোৰ আনি থাপনা পাতে। থাপনাৰ সন্মুখত ৰাইজে নাম-কীৰ্তন কৰি হৰি-ধ্বনি কৰে।

এই সুঁৱৰী উৎসৱৰ দিনা মা কামাখ্যাৰ মন্দিৰৰ পৰা কামাখ্যাৰ নিচান স্বৰূপে বগা-ৰঙা দুটা পৃথক ৰঙেৰে সজোৱা দুডাল নিচান শোভাযাত্ৰী সকলৰ আগেআগে ঢোল-পেপা বজাই লৈ আহে। ই অতীতৰ প্ৰতীক। যেনেদৰে আগৰ দিনত ৰজা ক'ৰবালৈ গ'লে আগে আগে নিচান লৈ ৰজা অহাৰ আগ জাননী দিয়া হয় তদ্ৰূপ ৰাইজৰ আগেৰেও ইয়াক লৈ ৰাইজ অহাৰ জাননী দিয়া হয়। উক্ত নিচান ক'ৰবালৈ নিবলগীয়া হলে গাখীৰেৰে দেউৰীয়ে ধুৱাই শুদ্ধ কৰি মিঠাতেল সেন্দুৰ আদি দি কাপোৰ পিন্ধাই সুসজ্জিত

কৰে।

এই উৎসৱত মানুহবোৰৰ মনত কোনো ভেদাভেদ, হিংসা, দ্বেষৰ ভাব নাথাকে। সকলোৱে একতাৰ এনাজৰীৰে বান্ধ খাই মুকলি পথাৰত জাতি-বৰ্ণ নিৰ্বিশেষে একেলগে বহি সকলোবোৰ কথা আলোচনা কৰে। সুঁৱৰী উৎসৱত বয়োবৃদ্ধ মান্যজনক ৰাইজে যথাসাধ্যে ফুলাম গামোচা আদিৰে সন্মান প্ৰদৰ্শন কৰে। এই বকো অঞ্চলটি জন-জাতীয় অঞ্চল। গতিকে ইয়াৰ স্থানীয় বাসিন্দা সকলে বাডা, কছাৰী, হানাঘোঁৰা, পাৰবাঁহ ঘুৰোৱা ইত্যাদি বিভিন্ন কলা-কৃষ্টি প্ৰদৰ্শন কৰে। ইয়াৰোপৰি খেমটা, মাদল নাচ, বহুৰঙী, ওজাপালি, নাগৰানাম, থিয়নাম, বিহুনাচ আদিও উল্লেখনীয়। এইবোৰ কলা সংস্কৃতিৰ প্ৰদৰ্শনে আমাৰ মন অতীতলৈ ধাবিত কৰায়, লগতে অতীত কালত এই অঞ্চলতো যে কলা-কৃষ্টিৰ চৰ্চা আছিল তাৰে প্ৰমাণ দিয়ে।

বকোৰ সুঁৱৰী উৎসৱৰ মানদণ্ড অতীত কালৰ তুলনাত এতিয়া অতি উন্নত। ইয়াত হেজাৰ হেজাৰ লোকেৰে লোকাৰণ্য হৈ সেইদিনাৰ মেলাখন জাকত- জিলিকা কৰে। উক্ত সুঁৱৰী উৎসৱত প্ৰদৰ্শিত বিভিন্ন থলুৱা কলা-কৃষ্টিৰ এটি থূলমূল বিৱৰণ দিয়া হ'ল।

**হানাঘোঁৰা :—**

প্ৰচলিত প্ৰবাদমতে হানাঘোঁৰাহঁত তিনি বাই-ভনী আছিল। প্ৰথমজনী কছাৰী মাদল (বকো কৃষ্টিত মাদলত দেও আছে বুলি বড়ো কছাৰী ভাইসকলৰ বিশ্বাস) মাজুজনী হানাঘোঁৰা আৰু কণিষ্ঠাজনী হ'ল পাওৰা (দেখাত ফুলৰ নিচিনা দুই বিধ কাপোৰ মেৰোৱা এডাল দেও থকা বাঁহ)। দেৱাদিদেৱ মহাদেৱৰ পত্নী সতীয়ে যেতিয়া দক্ষ ৰজাৰ যজ্ঞস্থলীত স্বামীনিন্দা সহিব নোৱাৰি প্ৰাণত্যাগ কৰিলে তেতিয়া মহাদেৱে সতীৰ শোক পাতলাবৰ বাবে নানা ঠাই ঘুৰি ফুৰি কামৰূপত উপস্থিত হয়। এইদৰে পৰ্বতে পাহাৰে নানা ঠাই ঘুৰি ফুৰোতে হানাসকলক (গাৰোবিলাকক) লগ পায়। হানাসকলে মহাদেৱৰ লগ হৈ আমোদ-প্ৰমোদ কৰিবৰ নিমিত্তে মদ, ভাং, গাজা আদি খাবলৈ পাই তেওঁৰ লগতে সমাজ পাতি এক হৈ পৰিল। যজ্ঞ ধ্বংস কৰিবলৈ যোৱাত ডাইনী, যখিনী লৈ অহা দেখি কালী দেৱীও কৈলাশত নাথাকি ঘোঁৰাত উঠি যজ্ঞ ভূমিত উপস্থিত হৈছিল। মাদক দ্ৰব্যৰ বাগীত মাতাল হৈ পৰাৰ পিচত হানা ভাইসকলে এই ঘোঁৰাক লৈয়েই শিৱৰ লগত নানা তামাচা কৰিছিল।

মহাদেৱ গ'ল। মহাদেৱৰ লগত অহা আন অনুচৰ বৰ্গও গ'ল। লগতে গ'ল মহাকালীৰ ঘোঁৰাটো। কালক্ৰমত আটাইবোৰে স্বস্থানে প্ৰস্থান কৰিলে। কিন্তু থাকি গল তেওঁবেই হানা শিষ্য সকলৰ মদ, ভাং খাই নচা, গীত গোৱা সংস্কৃতিটো। কালী ঘোঁৰাৰ অনুপস্থিতিত হানাসকলে উক্ত ঘোঁৰাৰ অনুকৰণত বাঁহৰ কামীৰে সদৃশ ঘোঁৰা সাজি লৈ আচল ঘোঁৰাৰ অভাৱ পুৰণ কৰি ললে।

"টাহলিত টাহলিত কৰে
মাহী আই হানা ঘোঁৰাৰ পিঙা
ভালকুৰি নানাচিলে
মাহী অই কায় দিব ডিমা॥"

আদি গীতৰ চেৱে-চেৱে মাদল, ডগৰ বজাই তালে তালে নাচিবলৈ ধৰিলে। অইন গীতত বজোৱাৰ দৰে ইয়াতো তালৰ অভাৱত বিশেষ ধৰণৰ কোদালৰ পৰা সেই শব্দ উলিয়ালে। ঘোঁৰাৰ লগত একে শাৰীত নচাৰ কাৰণে দুফালে দুজনে ঢাল তৰোৱাল লৈ নাচিলে। (যিহেতু এই ঘোঁৰা যুদ্ধৰ)। তাৰোপৰি ম'হৰ শিঙৰ পেঁপা বজাই ইয়ে যুদ্ধৰেই যেন আজিও ইংগিত দিয়ে। পুৰুষানুক্ৰমে এই নাচ চলি আহি আহি ৰাভা-কছাৰীসকলৰ মাজতো প্ৰচলন হ'ল। সময়ত ইয়াৰেই নাম হ'ল "হানা ঘোঁৰা নৃত্য।"

প্ৰচলিত প্ৰবাদমতে হানাঘোঁৰাৰ পোছাক পৰিচ্ছদ হ'ল ক'লা কাপোৰ এখনৰ মাজত বগা ঘূৰণীয়া কাপোৰ। ইয়াৰ কাৰণ এইজনী বৰ অকাজী আছিল। বোৱা-কটাৰ নামত একো নাজানিছিল। গতিকে পিন্ধন-উৰণত অতি সাধাৰণ -- কোনো জাকজমকতা নাই। এই লোক সংস্কৃতিটোৰ প্ৰধান নিয়ম হ'ল নৃত্য কৰাৰ আগতে হানা ঘোঁৰাক পূজা দিয়া। পূজাত সন্তুষ্ট নহলে অপায়-অমঙ্গল হয় বুলি লোক বিশ্বাস। পূজাৰ প্ৰধান সম্ভাৰ হ'ল ভোলানাথে ব্যৱহাৰ কৰা প্ৰথম মদখিনি।

**পাৰৰ্বাহ :—**

ইয়াক এডাল বাঁহত ৰঙা-বগা কাপোৰেৰে মেৰিয়াই ফুল সদৃশ কৰি সজোৱা হয়। হানা ঘোঁৰাহঁতৰ বাই-ভনীৰ ভিতৰত এইজনী তৃতীয়। পাওৰা কিন্তু অতি ভাল শিপিনী নাইবা অকাজী কোনোটোৱে নাছিল। আনকি তাই কাপোৰত সপোন ৰচনা কৰিব পৰা শিপিনী আৰু একেবাৰে পৰি মৰা বিধৰো নাছিল। ইয়াৰ প্ৰমাণ তাইৰ পৰিধানত পোৱা যায়। পাওৰাই দুই ৰঙৰ কাপোৰ ও ফুল বচাৰ দৰে ইটোৰ পিছত সিটো ৰজিতা খুৱাই পিন্ধে। এই পাওৰা বাঁহডাল কোনো শক্তি-মান লোকে এখন হাতেৰে খিয়কৈ দাঙি নিজৰ গাৰ চাৰিওফালে ঘূৰাই এই বুলি গায়—

"লাই লাই লাকো, লাই ঐ
লাকো হবি লাই।" ইত্যাদি

গীত ঢোলৰ চেওৰ লগত তাল ৰাখি সুৰ লগাই গোৱা হয়। ইয়াকে "পাৰবাঁহ ঘূৰোৱা" বোলে। ইয়াকো যেনে তেনে নচুৱাব নোৱাৰি। নচুৱাৰ আগতে অপায় অমংগল নাশৰ বাবে পূজা পাতল দিহে ইয়াক নচুৱা হয়।

**ৰাভা কছাৰী কৃষ্টি—**

এই অঞ্চলটি জন-জাতীয় অঞ্চল। এওঁলোকৰো সুকীয়া সুকীয়া লোক-সংস্কৃতি আৰু কৃষ্টি আছে। বহাগবিহু অহাৰ লগে লগে এওঁলোকেও অন্যান্য কলা-কৃষ্টি পৰিবেশনৰ লগতে নিজস্ব ভাষাৰ নাচ-গান আদি পৰিবেশন কৰে। এওঁলোকৰ গান আৰু নাচও সুকীয়া। কছাৰীসকলে মাদল বজাই বাঁহীৰে সুৰৰ লহৰ তুলি কছাৰী গান গাই গাই নৃত্য কৰে। ইয়াত ব্যৱহৃত মাদলটো হ'ল কছাৰী মাদল আৰু ই হানাঘোঁৰাতকৈ ডাঙৰ। ডাঙৰ ভনীয়েক হিচাপে হেনো বোৱা-কটাত বৰ পাৰ্গত। তাই ন-ন আদৰ-কায়দাৰে কাপোৰ বৰ জানিছিল। সেয়ে বৰ্তমান বড়ো কছাৰীৰ কৃষ্টিত নচা নাচনীহঁতে সুন্দৰ ফুলাম কাপোৰ পিন্ধি নচা

দেখা যায়। ঠিক সেইদৰে ৰাভাহিলাকেও তেওঁ-লোকৰ কাপোৰ পিন্ধি ৰাভাগীত ঢোল-পেপাৰ জৰিয়তে পৰিবেশন কৰি নৃত্য কৰে। এইবোৰৰ উপৰিও 'বহুৰঙী' বুলি ইয়াৰ মাজৰে আন এটি নৃত্য আজিও বিদ্যমান।

**ওজাপালি—**

এই ওজাপালি সংস্কৃতিটো চম্পক নগৰৰ চান্দ সদাগৰৰ দিনৰ পৰা চলি আহিছে। সুকনান্নী গীতবোৰকে ইয়াত তাল সংযোজন কৰি ওজাই লগাই দিয়ামতে বাকী সহচৰ পালিসকলে গাই যায়। ইয়ো দুই প্ৰকাৰৰ। এক প্ৰকাৰত দাইনাপালি আৰু ওজাৰ জৰিয়তে খুটি তাল বজাই গোৱা হয়। ইয়াত ওজা আৰু দাইনাৰ কথোপকোথনৰ দ্বাৰা গীতত গোৱা যিকোনো আখ্যানে সমজুৱাক ভালদৰে অৱগত কৰায়। আনবিধ ওজাপালি হ'ল মনসা বা মাৰৈ পূজাত গীত গোৱা ওজাপালি। ইয়াত সুকনন্নীৰ গীত সমূহ পালিসকলৰ লগত তালৰ জৰিয়তে পৰিবেশন কৰা হয়। এই সংস্কৃতিটো প্ৰায় সকলো ঠাইতে দেখা নাযায়।

তদুপৰি এই উৎসৱটিত নাগাৰা নাম, থিয় নাম আদিও পৰিবেশন কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰাৰ্থে নানা গীত, নাট, ভাওনা আদি প্ৰচলন কৰিছিল। সত্ৰ-নামঘৰ আদি স্থাপন কৰি জনসাধাৰণক ধৰ্মত প্ৰবৃত্ত কৰাবলৈ নাগৰা নাম থিয় নাম আদি পৰিবেশন কৰিছিল। সেই বিলাকৰ নিদৰ্শন হিচাপে আজিও গাওঁৰ নামঘৰত থকা দেখিবলৈ পাওঁ। শংকৰদেৱে নিজেই ঢোল, মৃদংগ, নাগৰা, খোল আদি তৈয়াৰ কৰি সেইবিলাকত সুৰ সংযোজনা কৰি শিষ্যসকলক বজাবলৈ শিকাইছিল। লগতে শ্ৰীকৃষ্ণৰ বিভিন্ন চৰিত্ৰ সুৰ লগাই নাগৰা নাম, থিয় নাম আদি পৰিবেশন কৰা হয়।

ওপৰত উল্লেখিত বিভিন্ন থলুৱা কলা-কৃষ্টি প্ৰদৰ্শন কৰাৰ উপৰিও এই সুঁৱৰী উৎসৱত (যিহেতু এই উৎসৱ বিহুৰ সমসাময়িক উৎসৱ) জন-জাতিৰ লোকসকলে বিহু নৃত্য আৰু গীত পৰিবেশন কৰে। মন কৰিবলগীয়া কথা এয়ে যে, আমি বিহুগীত, বিহুনৃত্য আৰু হুচৰী বুলিলে যি বুজো, সেই লেখীয়া বিহুগীত, বিহুনৃত্য, আৰু হুচৰী ইয়াত দেখিবলৈ পোৱা নাযায়। উজনি অসমৰ বিহুগীত আৰু বিহুনৃত্যৰ লগত ইয়াৰ যথেষ্ট পাৰ্থক্য দেখা যায়। এই অঞ্চলৰ বিহুগীতৰ সুৰ, নাচোন, নাচনীৰ সাজ-পাৰ, আ-অলংকাৰৰ লগত উজনি অসমৰ বিহুগীতৰ সুৰ, নাচোন ইত্যাদিৰ লগত সামান্যতমো মিল নাই বুলি কলেও অত্যুক্তি কৰা নহয়। বৰ্তমান সময়ৰ যাত্ৰা-পাৰ্টিৰ নৰ্তকীসকলে যি ধৰণে নৃত্য পৰিবেশন কৰে, সেই ঢংটোৰে ইয়াতো বিহুনৃত্য পৰিবেশন কৰে। সেইফালৰ পৰা চাবলৈ গলে বিহুনৃত্যত যাত্ৰা-পাৰ্টিৰ নৰ্তকী সকলৰ নৃত্যৰ প্ৰভাৱ পৰা বুলি কব পাৰি। অৱশ্যে আজিকালি দুই এঠাইত উজনি অসমৰ বিহুগীত, নৃত্য আদিৰ প্ৰভাৱ ছেগা-চোৰোকাকৈ নপৰা নহয়।

এইদৰে নানা কলা-কৃষ্টি প্ৰদৰ্শন কৰি আনন্দমুখৰ এই সুঁৱৰী উৎসৱটি উদ্‌যাপন কৰি অঞ্চলবাসী ৰাইজ আনন্দত মতলীয়া হৈ পৰে। এই সুঁৱৰী উৎসৱটিৰ কলেৱৰ বৰ্তমানলৈকে বৃদ্ধি হৈ গৈ আছে আৰু ভৱিষ্যতেও ইয়াৰ কলেৱৰ বৃদ্ধি পাব।



## ঃ উপলব্ধি ঃ

আনন্দ চন্দ্ৰ দাস
প্ৰাক্ বিশ্ববিদ্যালয়, ১ম বাৰ্ষিক।

খুলিছে কোনে—মোৰ—
ৰুদ্ধ কোঠাৰ দ্বাৰ—।
মই—কেতিয়াবাই মৰিছোঁ—।
গুমৰি আছে নোপোৱাৰ বেদনাত—।
মাথো—প্ৰেতাত্মা—।

## ॥ তোমাৰ মোৰ আৰু সিহঁতৰ ॥

বসন্ত দত্ত।

গভীৰ ৰাতি কেতিয়াবা
হঠাতে সাৰ পাই উঠোঁ
অনুভৱ হয়, যেন
মোৰ মগজুৰ মাজেৰে
পাৰ হৈ যায় আই
বোৱাৰী কালৰ তোমাৰ সপোন,
মৰেইতো আনিব লাগিব
সুদৰ নামত মহাজনে
কাঢ়ি নিয়া তোমাৰ কাণৰ কেক
দেউতাৰ হালৰ গৰু।
উকথা পজাৰ ভিজা মাটি,
তুঁহ জুইৰ উৎকট ভেকেটা
গোন্ধৰ দুঃসহ স্মৃতি
ছাঁৰ দৰে লাগি আছে
মোৰ নাকত কুৰিটা বছৰে।
গভীৰ ৰাতি কেতিয়াবা
হঠাতে সাৰ পাই উঠোঁ
মগজুৰে পাৰ হৈ যায়
কাৰখানাৰ কৰ্মৰত হাতৰ ছবি
মোৰ আৰু বহুতৰ
নাকত লাগেহি তেল আৰু
মবিলৰ গোন্ধ
গোন্ধ আৰু গোন্ধৰ নিশ্বাসত
জন্ম লয় এটি তীব্ৰ ঘৃণা
আৰু সংকল্পৰ ধুমুহা
আই তোমাৰ বাবে
মোৰ বাবে
অনাগত মোৰ সন্তানৰ বাবে।

# শ্মশানত

দধীমোহন মজুমদাৰ
২য় বাৰ্ষিক, স্নাতক।

মাথোন এঙাৰ, হাড় আৰু ঘাঁহ
মোৰ
দিঠকৰে ভৰা সন্মুখত।
নামবোৰ বিচাৰিছোঁ মই
আওপুৰণি
ভস্মীকৃত ঠাইবোৰত

সময়ত হেৰাই গৈছে সকলো
চিৰদিনৰ বাবে
বিস্মৃতিৰ অতল তলত।
নামবোৰ নিষ্প্ৰাণ হৈ
শুই পৰিছে
আৰু
মাটিত মিহলি হৈ গৈছে
সকলোৰে আলসুৱা দেহ

ৰৈ আছে মাথো এঙাৰ
ধূলি আৰু
মৃত্যুৰ সোঁৱৰণ।
মই সেই সোঁৱৰণকে বিচাৰিছোঁ॥

★★★

# উপলব্ধি

কুমাৰী মিনা দুৱৰা
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক।

সূৰ্য্যৰ পোহৰত পুৱাৰ দুবৰিৰ মুকুতাখিনি
দুহাতেৰে বুটলিব খোজোতেই
ভাৱৰত সূৰ্য্য লুকাল ঃ একোকে নাপালোঁ
পিচলৈ ঘূৰি চাওঁ—বতাহে ঢাকিলে দুভৰিৰ চিন
হঠাতে মনত পৰা পুৰণি কবিতা এফাঁকি—
"অজান পথিকৰ খোজো হেনো হ'ব পাৰে
কেতিয়াবা কাৰোবাৰ বাবে ধ্ৰুৱতৰা"—
মনে মনে তাকে আওৰালোঁ ঃ
কিন্তু তাতো যেন বিচাৰি নাপালোঁ
মনে খোজা সঠিক বতৰা
আঘোণৰ সোণালী পথাৰত
সোণগুটি মুঠি মুঠি কৰা মৰমী দাৱনীলৈ চালোঁ
—দুৱণৰি পৰা
বাগৰিছে এটি মিঠা হাঁহিৰ ঢল—
কোনে জানো ক'লে মোক—?
—ইমানকৈ তুমি আমাক কিয়নো চাইছা?
এয়াতো আমাৰ হাঁহি নহয়—কাৰোবাৰহে হাঁহি,
আমাৰ বুকুভৰা হাঁহিবোৰ শুনিবলৈ পালা
সেইদিনা মাথো—যিদিনা আমি মাটি চুমা খাই
কান্দো।

শামুকৰ খোলা ভাঙি ফুৰা
অশান্ত মনত মোৰ
বাৰে বাৰে জিলিকি উঠিল
এডাল ৰঘুমলা আৰু এমুঠি ফুল।

—×—

গল্প

# শেতা হাঁহি

অনিল কুমাৰ ৰাভা,
২য় বাৰ্ষিক স্নাতক।

আজি অৰ্পণাৰ বিয়া। দৰা কলেজৰ অধ্যাপক অনিমেষ হাজৰিকা। যোৱা বছৰেই দ্বিতীয় বিভাগত এম-এ, পাছ কৰি অধ্যাপক হৈছে। ঘৰ গুৱাহাটীৰ ওচৰৰ এখন গাওঁত। সেই অঞ্চলৰ অৱস্থাপন্ন পৰিয়াল সমূহৰ ভিতৰত অনিমেষহঁতৰ পৰিয়ালটোও এটা। পৰিয়ালৰ ভিতৰত মাক, দেউতাক আৰু তিনিজনী ভনীয়েক ইমানেই। দেউতাকে চাহ বাগিছাত কাম কৰে। অনিমেষৰ লগতে আজি বিনন্দাৰ ভনীয়েক অৰ্পণাৰ বিয়া। অনিমেষ ৰূপবান নহয়, যদিও দেখাত পৰিমৰা বিধৰো নহয়। অৰ্পণাৰ লগত সুন্দৰ যোৰা হ'ব।

সময় প্ৰায় সন্ধিয়া। অস্তাচলত খন্তেক সময় থিয় হৈ থাকি সূৰ্যটোৱেও যেন প্ৰকৃতিৰ লীলা ভূমি পৃথিবীৰ ৰূপ সৌন্দৰ্য শেষবাৰৰ বাবে চাই লৈছে। অস্তাচলত হাঁহি ৰৈ থকা দিনমণিয়ে বক্তিম আভা সানি পৃথিবীৰ ৰূপসৌন্দৰ্য আৰু লোভনীয় কৰি তুলিছে। বিনন্দাই ক্ষন্তেক সময় ৰক্তিম সূৰ্যটোলৈ একেথিৰে চাই থাকিল। তায়ো এদিন সূৰ্যটোৰ দৰে এই পৃথিবীৰ পৰা আঁতৰি যাব লাগিব। সূৰ্যৰ পুনৰ্জন্ম আছে; কিন্তু বিনন্দাৰ নাই। তায়ো যদি পুনৰ্জন্ম পালেহেঁতেন। অজানিতে এই ভাব-চিন্তাবোৰ বিনন্দাৰ অন্তৰেদি বাগৰি গ'ল। তাই আৰু বহুতো কিবাকিবি ভাবিব খুজিছিল। কিন্তু বিয়াৰ ব্যস্ততাই সেই সুযোগকণ বিনন্দাক নিদিলে। তাই অলপ বিৰক্তি বোধ কৰিলে।

বিয়াৰ সম্পূৰ্ণ ভাৰ বিনন্দাৰ। কাৰণ বিনন্দাই ঘৰখনৰ ডাঙৰ সন্তান। অন্য সময়তকৈ এইখিনি সময়ত তাইক বেচ ব্যস্ত দেখা গৈছে। ভাত সাজ খাবলৈও তাইৰ যেন আহৰি নাই। ইমান ব্যস্ততাৰ মাজতো আৰু ইমান সতৰ্কতা অৱলম্বন কৰা সত্বেও তাইৰ যেন কেতিয়াবা কামত আউল লাগে। সেই ব্যস্ততাৰ মাজত বুজিব নোৱাৰা ভাৱ-চিন্তাই আগুৰি ধৰি বিনন্দাৰ মনটোক গধুৰ কৰি তোলে। অনুভৱ হয়, তাই যেন হাততে পোৱা কিবা বস্তু এটা হেৰুৱাই পেলালে। সেই বস্তুৰ অভাৱত আজি তাই সঙ্গ থাকিলেও অকলশৰীয়া। ভাবানুভূতিৰ সোঁতত এবাৰ ইফালে এবাৰ সিফালে নীৰৱে তাই অহা-যোৱা কৰি থাকিল। কোনো কোনো মুহূৰ্তত তাইৰ ভৰি অচল হৈ পৰিব খোজে। নিজক চম্ভালি তাইৰ ব্যস্ততাখিনিক বিদায় দিব লাগিব, নহলে যে তাইৰ উপায় নাই। কইনা সজোৱা খোটালীলৈ সোমাই পুনৰ তলমূৰকৈ ওলাই আহি পোনে পোনে নিজৰ শোৱা খোটালিলৈ সোমাই গ'ল। ঐই সময়খিনি তাই কেনেকৈ পাৰ কৰি দিলে তাই কব নোৱাৰিলে। তাইৰ ধাৰণা হ'ল তাই যেন এটা যন্ত্ৰ-মানৱ। আনৰ পৰিচালনাত সেই যন্ত্ৰ-মানৱ চলাব দৰে তায়ো যেন কাৰোবাৰ পৰিচালনাত চলিব লাগিছে।

তাই অৱশ ভাৱে ড্ৰেচিং টেবুলখনৰ সমুখত বহি পৰিল। সমুখৰ বহল আইনাখনত দৃষ্টি পৰাত দেখিলে তাইৰ দেহৰ প্ৰতিবিম্বটো স্পষ্টভাৱে আইনাখনত পৰিছে। কিছুসময় বিস্মৃতভাৱে তাইৰ প্ৰতিবিম্বটোলৈ চাই থাকিল। নিজৰ দেহটোৰ কথা কোনোদিন নভবা বিনন্দাই আজি ভাবিবলৈ বাধ্য হ'ল। খুব তীক্ষ্ণ দৃষ্টিৰে আইনাখনৰ বুকুত তাই নিজৰ মুখখনি লক্ষ্য কৰিলে। তাই খুব আচৰিত হ'ল। তাই যেন নিজকে চিনিবলৈ টান পালে। মাত্ৰ এই কেইদিনমানৰ ভিতৰতে তাইৰ দেহৰ ইমান পৰিবৰ্তন হ'লনে? তাই আগৰ চিনাকী মানুহজনীৰ সলনি আইনাত যেন আন এজনী অচিনাকী মানুহহে দেখিবলৈ পালে। তাই লক্ষ্য কৰিলে তাইৰ চকুদুটি ভালেখিনি সোমাই গৈছে। দুয়ো চকুৰ তলফালে দুটি অৰ্দ্ধ বৃত্তাকাৰ প্ৰচ্ছায়াই প্ৰকট ৰূপত বিৰাজ কৰিছে। আৰু তাইৰ গোলাপৰ পাহিৰ দৰে সুকোমল গাল দুখনি বৰ নিস্তেজ, বৰ শেঁতা হৈ পৰিছে। চিন্তা আৰু বয়সৰ সম্মিলিত প্ৰচেষ্টাত ঠায়ে ঠায়ে পৰা আঁচবোৰো আজি যেন আৰু স্পষ্ট হৈ পৰিছে। তাই লক্ষ্য কৰিলে, তাইৰ অতি আদৰৰ, অতি মৰমৰ, কিচকিচিয়া চুলিটাৰীলৈ। কিন্তু এয়া কি দেখা পাইছে তাই? যিটাৰি চুলিক লৈ তাইৰ কলেজীয়া জীৱনত গৌৰৱৰ সীমা নাছিল, যিটাৰি চুলি, তাইৰ সমনীয়া সকলোৰে ঈৰ্ষাৰ বস্তু আছিল, তাত ৰূপালী ফাকু কোনে কেতিয়া চতিয়াই গ'ল? তাই আৰু থিৰেৰে ৰ'ব নোৱাৰিলে। দুহাতেৰে চকু দুটা ঢাকি লৈ আইনাখনৰ ওচৰৰ পৰা উঁচাট মাৰি আঁতৰি গৈ ওচৰৰ বিছনাখনৰ গাৰুটোত মুখখন গুজি লৈ সজোৰে উচুপি উঠিল।

কিমান সময় তাই তেনেকৈ অতিবাহিত্ত কৰিলে তাইৰ হিচাপ নাছিল। বৰ্তমানটোৰ কথা তাই যেন সমূলি পাহৰি গ'ল। তাইৰ মনপখী উৰি গ'ল, উৰিটি গ'ল তাইৰ জীৱনৰ বহু অতীতলৈ।

কাঁইটীয়া জীৱন বাটেৰে বাটকুৰি বাই আহি পুনৰ পিচলৈ নাচাওঁ বুলিও আজি তাই পিচলৈ উভতি চাবলৈ বাধ্য হ'ল। বাধ্য কৰালে পৰিস্থিতিৰ তাড়নাই।

...... বিনন্দাইঁতৰ ঘৰৰ অৱস্থা বেয়া নাছিল। ধনী বা জমীদাৰ নহ'লেও বিনন্দাইঁতে অভাৱ অনুভৱ নকৰাকৈয়ে জীৱন অতিবাহিত কৰিছিল। বিনন্দাৰ দেউতাক শকত দৰমহা পোৱা চাকৰিয়াল আছিল। মাক, দেউতাকৰ উপৰিও ঘৰত তাই, অৰ্পণা আৰু ভাইটি মনু। গতিকে বিনন্দাইঁতৰ পৰিয়ালটো সুখী পৰিয়াল বুলিয়েই কব লাগিব। বেচ্ সুখেৰেই পাৰ হৈ গৈছিল বিনন্দাৰ অতীত দিনবোৰ।

...... তাই তেতিয়া প্ৰাক্-বিশ্ববিদ্যালয়ৰ ২য় বাৰ্ষিকৰ ছাত্ৰী। তাই পঢ়াত এজনী নামকৰা ছোৱালী হিচাপে কলেজত খ্যাতি আছিল। তাইৰ লগত প্ৰত্যক্ষভাৱে কথা কবলৈ কোনো ছোৱালীয়ে সাহস কৰা নাছিল। আনকি বহুতে তাইৰ ওচৰ চাপিবলৈও শঙ্কা কৰিছিল। যুক্তিতৰ্কত কোনো ছোৱালীয়ে বিনন্দাৰ লগত ফেৰ মাৰিব নোৱাৰিছিল। এই পাৰদৰ্শিতাৰ বাবে তাই কলেজৰ কেইবাখনো তৰ্কপ্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছিল। বিনন্দাই এই পাৰদৰ্শিতাৰ বাবে বহুতো ছোৱালীৰ ঈৰ্ষাৰ পাত্ৰীও হৈছিল।

......বিনন্দাৰ দেহত তেতিয়া ভৰ যৌৱনৰ চল। দুচকুত তাইৰ উজ্জ্বল ভৱিষ্যতৰ ৰঙীণ স্বপ্ন। তাইৰ যৌৱনে, তাইৰ কৃতিত্বই সকলোকে মোহিত কৰিছিল। সেয়ে তাই বিশেষ আচৰিত হোৱা নাছিল যেতিয়া কলেজৰ "প্লেমাৰ বয়" পলাশ চলিহা তাইৰ কাষ চাপি আহিছিল। বি-এ, তৃতীয় বাৰ্ষিকৰ ছাত্ৰ পলাশ চলিহা। পঢ়াত যেনে মেধাবী, দেখাতো তেনে সুন্দৰ। সৱল সুঠাম সুন্দৰ দেহ। সেই পলাশ চলিহা এদিন অতি আপোন হৈ পৰিছিল বিনন্দাৰ। অকল বিনন্দাৰেই নহয় ঘৰৰ সকলোৰে আপোন হৈ পৰিছিল পলাশ। বিনন্দাৰ মধুময় জীৱন পলাশৰ আবিৰ্ভাৱে আৰু বেছি মধুময় কৰি তুলিলে। পলাশৰ আবিৰ্ভাৱত তাই যেন এটি নোপোৱা বস্তু বিচাৰি পাইছিল। তাই ভাবিছিল তেতিয়াৰ মধুময় জীৱনটোৰ দৰে তাই হয়তো ভৱিষ্যতৰ জীৱনটোও মধুময় কৰি তুলিব পাৰিব পলাশৰ পৰশত। তেতিয়া তাই ভবিষ্যতৰ বহুতো ৰঙীণ সপোন দেখিছিল। তাই তেতিয়া এখন বেলেগ জগতত বিচৰণ কৰি ফুৰিছিল। সেইখন জগতৰ প্ৰতিটো বস্তুৰে তাইৰ বাবে আছিল ৰঙীণ সেউজ-বুলীয়া। কিন্তু নিষ্ঠুৰ নিয়তিয়ে বিনন্দাৰ সেই ৰঙীণ জগতখনৰ ৰঙীণ সপোনবোৰ বাস্তৱত ৰূপায়িত হবলৈ নিদিলে। পলাশ চলিহা এদিন বিনন্দাৰ কাষৰ পৰা অভাৱনীয়ভাৱে আঁতৰি গ'ল। তাই ভবা নাছিল যে পলাশে তেনে বিশ্বাসঘাতকতা কৰিব। বিনন্দাৰ প্ৰাণে হাহাকাৰ কৰি উঠিল। ওবেটো জীৱন পলাশক কাষত ৰাখি নিজক প্ৰতিষ্ঠা কৰাৰ বাবে যি সোণালী সপোন তাই ৰচিছিল সেই সপোন মুহূৰ্ততে বালি-ঘৰৰ দৰে জুৰ জুৰকৈ ভাঙি গৈছিল। অকল সেইখিনিয়ে নহয়। ইয়াৰ পিচত বিনন্দাৰ জীৱনলৈ নামি আহিল দুৰ্যোগৰ আন এটা চৰম আঘাত।

......তেতিয়া বিনন্দাৰ পি-ইউ, ফাইনেললৈ

মাথোন এমাহ কি দুমাহ বাকী। এদিন কলেজৰ পৰা আহি তাই সেই বাতৰিটো পালে। অভাৱনীয়, অকল্পনীয় এক নিষ্ঠুৰ বাতৰি। দেউতাকৰ হেনো মৃত্যু হৈছে। অফিচৰ কোনো জৰুৰী কামত দেউতাক দূৰলৈ যাব লগা হৈছিল। দুৰ্ভাগ্যবশতঃ ঘৰলৈ ঘূৰি আহোঁতে মাজ বাটতে জীপখন লুটিখাই বাগৰি পৰিল। জীপৰ বাকী কেইজন মানুহ গুৰুতৰভাৱে আহত হৈছে। ঘৰৰ আটায়ে হিয়া ধাকুৰি কান্দিলে। কান্দোন ওলাই নাহিল বিনন্দাৰ অন্তৰৰ পৰা। তাই শিলৰ দৰে নিথৰ নিৰ্বাক হৈ ৰ'ল। কন্দাৰ কাৰণে যিকণ শক্তিৰ প্ৰয়োজন সেইকণো যেন তাই মুহূৰ্ততে হেৰুৱাই পেলাইছিল। কিন্তু তাৰ পিচৰ পৰা তাই অস্বাভাৱিক ধৰণে গহীন গম্ভীৰ হৈ পৰিল। অৱশ্যে তাই নিজৰ কৰ্মক্ষেত্ৰত আগুৱাই গৈ থাকিল। অন্তৰত গভীৰ বেদনা আৰু মূৰত নানা ভাৱৰ বোজা লৈ পি, ইউ, পৰীক্ষাটো দিলে বিনন্দাই। ফলাফল আশানুৰূপ ন'হল যদিও তাই পৰীক্ষাটো পাছ কৰিলে।

তাৰ পিচত তাইৰ জীৱনৰ চৰম পৰীক্ষা আৰম্ভ হ'ল। বি-এ, টো দিম বুলি ভাবিছিল যদিও আহুকলীয়া জীৱনটোৰ বাবে দিব নোৱাৰিলে বিনন্দাই। পৰীক্ষা দিয়াৰ কামনা পৰিহাৰ কৰি পৰিয়ালটো চলোৱাত মনোযোগ দিলে তাই। বিনন্দাই ঘৰৰ সন্তানৰ ভিতৰত জ্যেষ্ঠা। ইফালে মাকো ক্ৰমে কাম কৰিবলৈ অসমৰ্থা হৈ আহিল। তদুপৰি মাকৰ যি অলপ সাঁচতীয়া ধন আছিল সিও ক্ৰমে লোপ পাই আহিল। গতিকে বিনন্দাই ঘৰ চলোৱাৰ দায়িত্ব লোৱাৰ বাহিৰে আন উপায় নাছিল। সেইদিনা তাই ভাবিছিল মাথো ঘৰখনৰ কথা, নিজৰ পৰিয়ালটোৰ কথা। মাকৰ চকুপানী দেখি তাইৰ মন গধুৰ হৈ উঠিল। তাই নিজৰ কথা চিন্তা কৰিবলৈ পাহৰি গৈছিল। পাহৰি গৈছিল নিজৰ অনিশ্চিত ভবিষ্যতটো এবাৰ ভুমুকিয়াই চাবলৈ।

অৱশেষত বহু চেষ্টাৰ ফলত ওচৰৰে ছোৱালী হাইস্কুল এখনত শিক্ষয়িত্ৰী কামত নিযুক্তি পালে তাই। প্ৰথম অৱস্থাত তাইৰ কিছু বেয়া লাগিছিল যদিও পিচলৈ কামত মনোযোগ দিবলৈ সক্ষম হ'ল। যাহেকত যি কেইটা দৰমহা পায় আৰু ঘৰখনৰ মাটিখিনিৰ পৰা যিমানখিনি উৎপাদন হয় সেইখিনিৰে ঘৰখন কোনোৰকমে চলি যায়। এইদৰে ব্যস্ততাৰ মাজেদি বিনন্দাৰ অৱসাদপূৰ্ণ দিনবোৰ এটিৰ পিচত এটিকৈ পাৰ হৈ যায়। সেই কৰ্মব্যস্ততাৰ মাজতেই অতীত হৈ যোৱা মধুময় দিনবোৰৰ কথা কেতিয়াবা তাইৰ মনলৈ আহি তাইৰ মন ভাৰাক্ৰান্ত কৰি থৈ যায়। সেয়ে যেতিয়াই অতীতৰ সেই মায়াসনা দিনবোৰ তাইৰ মনলৈ আহে তেতিয়াই তাই তাৰ কথা জোৰ কৰি পাহৰিব খোজে। পুনৰ মনত নেপেলাওঁ বুলি শপত খায়।

আজি অপৰ্ণাৰ বিয়া। নিজৰ জীৱনৰ কথা কোনোদিনে ভাবিব নোখোজা বিনন্দাই আজি কোঠাৰ ভিতৰত সোমাই ভাবিছে মাথোন তাইৰ অতীত হৈ যোৱা দিনবোৰৰ কথা। নানা ঘাত-প্ৰতিঘাতত জুৰুলা হৈ মৰহি যাব খোজা জীৱনটোৰ কথা। তাইৰ জীৱন নৈৰ সোঁত ওভোতামুখে গতি কৰিছে। তাই আজি নিজ কক্ষপথৰ পৰা পিছলি পৰা এটি নক্ষত্ৰ। বিনন্দা আজি কক্ষচ্যুতা।

তন্ময়তাৰে কিমান সময় গাকত নিজৰ মুখখন গুজি আছিল তাই কব নোৱাৰে। কাবোবাৰ মাতত তাইৰ তন্ময়তা ভাঙে। সমুখলৈ চাই পতিওৱাৰ আগতে তাই চাদৰৰ আঁচলেৰে চকুপানীৰে তিতি থকা দুয়োটি চকু ভালকৈ মচি ল'লে। অন্তৰৰ গভীৰতম প্ৰদেশৰ পৰা ওলাই আহিল এটি হমুনিয়াহ। বাহিৰত তেতিয়া হাই-উকমি বৃদ্ধি পাইছিল। ভাই দেখা পালে, দুৱাৰ মুখত কাঞ্চন বাই থিয় হৈ আছে। তাই তেনেকৈ পৰি থকা দেখি কাঞ্চন বাই ওচৰ চাপি আহি মৰমসনা মাতেৰে কলে—"বিনন্দা, তই ইয়াতে এনেকৈ কেলেই বহি আছ, সোণ? তাইকতো এদিন উলিয়াই দিবই লাগিব। তই দুখ কৰিছ কিয়, সোণ? আহ বাছা, এনেকৈ বহি থাকিলে কামবোৰ কোনে কৰিব?

কাঞ্চন বাইৰ সান্ত্বনা বাণীত বিনন্দাৰ মুখত মাথোন এটি শেতা হাঁহি বিৰিঙিল। তাইৰ মনৰ ভাব তাই প্ৰকাশ হবলৈ নিদিলে। কাঞ্চন বাইয়ে বুজিব নোৱাৰিলে বিনন্দাৰ মনৰ ভাব। ধৰিব নোৱাৰিলে বিনন্দাৰ দুখ কোনখিনিত। এটা কথাও নোকোৱাকৈ তাই যন্ত্ৰৰ দৰে কাঞ্চন বাইৰ পিচে পিচে ওলাই আহিল। দেখিলে বিয়াথলীত মানুহৰ সমাগম আগতকৈ বেছি হৈছে। হয়তো দৰা আহি পালে।

—×—

# ভিয়েটনামৰ কবিতা

মূলঃ তো হু
অসমীয়া ৰূপান্তৰ ঃ খগেশ সেন ডেকা

কবি পৰিচিতি—

কবি 'তো হু'ৰ জন্ম হয় ১৯২০ চনত, কেন্দ্ৰীয় ভিয়েটনামৰ অন্তৰ্গত হোৱেত। ভিয়েটনামৰ মুক্তি যুদ্ধত এই গৰাকী কবিয়ে সক্ৰিয় অংশ গ্ৰহণ কৰে। সেই অপৰাধতে সাম্ৰাজ্যবাদৰ দালাল পুতলা চৰকাৰে ১৯৩৯ চনত তেওঁক কাৰাবাস দিয়ে। ১৯৪২ চনত তেওঁ মুক্তি পায়। ১৯৪৫ চনত তেওঁ Hue Insurrectional Committee ৰ সভাপতি হয় আৰু ১৯৫১ চনত ভিয়েটনাম Workers' Party'ৰ কেন্দ্ৰীয় কমিটিলৈ নিৰ্বাচিত হয়। স্বাধীনতা আৰু সুস্থ জীৱনবোধৰ বাবে তেওঁ ভিয়েটনাম বিপ্লৱত আস্থা আৰু নিষ্ঠাৰে সক্ৰিয় সহযোগ কৰিছিল। সেই বাবেই তেওঁক কোৱা হয় "ভিয়েটনাম বিপ্লৱৰ কবি।"

তলত অনূদিত কবিতাটিয়ে কবি তো হুৰ ভিয়েটনামৰ জনসাধাৰণৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা, বিপ্লৱৰ প্ৰতি থকা আস্থা আৰু সততাৰ স্বাক্ষৰ বহন কৰিছে।

## —ঃ আক্ৰান্ত দক্ষিণ ঃ—

যদি গভীৰ বিশ্বাসৰ আন্তৰিকতাত, তুমি মোক সোধা
বন্ধু, মানুহে কোৱা অগণিত শব্দৰ মাজত
কোনটিয়ে তোমাক কণ্ঠ দিয়ে আটাইতকৈ বেছি ?
মোৰ অন্তৰ প্ৰদেশৰ পৰা এটাই মাথো উত্তৰ আহে ঃ
দক্ষিণঃ মোৰ আক্ৰান্ত দক্ষিণ……

যদি আলফুল মৰমৰ তাড়নাত, তুমি মোক সোধা
প্ৰিয় মোৰ, তুমি জনা হাজাৰ বিজাৰ নামৰ,
কোনটিয়ে তোমাক অনুপ্ৰাণিত কৰে গভীৰ বিশ্বাসলৈ, প্ৰিয়তম ?
অন্তৰৰ গভীৰতাৰ পৰা ওলাই আহে মাথো সেই একেটা উত্তৰ ঃ
দক্ষিণ ঃ মোৰ আক্ৰান্ত দক্ষিণ……

তুমি জানিব খোজা, অৰুণ, ক'ত সেই সবাতোকৈ ধুনীয়া দেশ ?
য'ত নীলিম সলিল'ৰ স্বচ্ছ দাপোণত প্ৰতিবিম্বিত হয়
সেউজীয়া তাল আৰু নাৰিকলৰ পাত,
য'ত ধাননিয়ে সিঁচি দিছে সেউজীয়া বোল অসীম দিগন্ত জুৰি, ঃ
এয়াই দক্ষিণ দেশ—মোৰ আক্ৰান্ত দক্ষিণ……

স্নেহৰ দক্ষিণ দেশ, এতিয়াও কম্পিত কিয় মোৰ বুকু
সন্ধিয়াৰ নীড়মুখী পখিটি দেখি,
অথবা মাজ নিশা বতাহৰ চৌৱে চৌৱে স্পন্দিত 'দান বাও'ৰ সকৰুণ সুৰত,
কিম্বা নৈৰ বুকুৰ পৰা ৰিণি ৰিণি ভাঁহি অহা নাৱৰীয়াৰ গীতত ?
কিয় মোৰ সুখময় দিনবোৰ আতঙ্কেৰে ভৰা ?

কিয় মই চিৰকাল বিভ্ৰান্ত, কিয় মই তাড়িত
এটি প্ৰতিজ্ঞাৰ দ্বাৰা এতিয়াও যি হোৱা নাই পালিত ?
ভাতৰ গৰাহ মুখত ললেই ডিঙি মোৰ ঠেক হৈ যায় কিয় ?

তেওঁলোক আটাইৰে একেটাই কাম্য বস্তু ··· স্বাধীনতা
দক্ষিণক ৰক্ষা কৰা—আমাৰ প্ৰিয় দক্ষিণ দেশ।
তোমালোকে দক্ষিণক ৰক্ষা কৰিবই লাগিব।
এনেকি বুদ্ধৰ ৰাজ্যও আলোড়িত হয় ক্ৰোধৰ আতিশয্যত
ভিক্ষু সকলো জাগ্ৰত হয় আৰু আত্মাহুতি দিয়ে প্ৰজ্বলিত বহ্নি শিখাত,
নিজকে জোৰৰ দৰে আলোকিত কৰে,
স্বাধীনতা আৰু জীৱন নিৰ্বাহৰ বাবে।

মোৰ প্ৰিয় পিতৃভূমি। পৰ্বত আৰু নদীবোৰ,
মহান আৰু উদাৰ, শৌৰ্যময় দেশ; বিংশ শতাব্দীৰ
সুগন্ধি কুসুম, গৌৰৱান্বিত হোৱা শেষ সাম্ৰাজ্যৰ বিৰুদ্ধে
অবিৰাম যুদ্ধত নিজৰ স্থানৰ বাবে;
মেৰুদণ্ড পোন কৰা হে আক্ৰান্ত দক্ষিণৰ
মহান অধিবাসীগণ,
বোমাবৰ্ষণৰ মাজতো এতিয়াও দীপ্তিমান
আক্ৰান্ত দক্ষিণ ··· ···

[ "The Penguin Book of Socialist Verse" ত সন্নিবিষ্ট ভিয়েটনামৰ কবি To Huu ৰ "Invaded South" ৰ মুকলি অসমীয়া ভাঙনি ]

কাৰণ তুমি, মোৰ দেশ
একাকী সংগ্ৰামৰত, পীড়িত, আমাৰ আক্ৰান্ত দক্ষিণ।

চোৱা মোৰ বন্ধু অকণ অকণিহঁতৰ কণ কণ ঘূৰণীয়া
ক'লা চকুবোৰলৈ,
কাঁটাতাৰৰ বেৰৰ সিফালে জিলমিলাই থকা
সেই নিবন্ধ্র এন্ধাৰৰ দৰে ক'লা আপেলবোৰ তিৰ্‌বিৰ্‌ কৰে চকুলোৰে
চৌকাষে যেতিয়া দেখে লেলিহান জুইৰ শিখা!

কোনে জানে, তোমালোকৰ কিমানৰ কান্ধৰ মূৰ মাটিত পৰিল
বিগত তিনি হেজাৰ নিশাত? কোনে ৰাখে হিচাব?
কোনে জানে কত নৈ ৰক্তৰঞ্জিত হ'ল,
দক্ষিণৰ তেজ, মোৰ স্বদেশ, বিচ্ছিন্ন, যন্ত্ৰনাক্ত,
প্ৰায় দহ বছৰ ধৰি ... —

সৌ সুন্দৰী ষোড়শীহঁতলৈ দৃষ্টি দিয়া, এতিয়া যৌৱনেৰে উচ্ছলিত,
সুগোল বদন স্নেহ আৰু আশাৰে সঞ্জীৱিত।
অবিলম্বে, কোনো এক মধুৰ বাসন্তী প্ৰভাতত,
সিহঁতক জগোৱা হ'ব আক্ৰমনকাৰীহঁতৰ বোমাৰ আঘাতত ভস্ম হবলৈ?

শুনা, মোৰ বন্ধু; আমাৰ আক্ৰান্ত দক্ষিণৰ পৰা
ভাঁহি আহে সিহঁতৰ "উৰন্ত ঈগল" ৰ মাৰাত্মক গৰ্জন!
শুনা সেই নৰখাদক চিকাৰী কুকুৰ জাকৰ ভুক্‌ভুকনি,
সিহঁত আহিছে মানুহৰ বুকুৰ আগ মঙহ খাবলৈ,
মানুহৰ কেঁচা তেজ পান কৰিবলৈ......

শুনা, মোৰ বন্ধু, জীৱিত সকলৰ কণ্ঠস্বৰ,
মহাসমুদ্ৰৰ পৰ্বত প্ৰমাণ উত্তাল উৰ্মিৰ দৰে,
মৃতসকলৰ কণ্ঠস্বৰলৈকো কাণ দিয়া,
লেপেটি্য়া, তাল আৰু নাৰিকল পাতৰ বতাহজাকৰ দৰে,

# সিহঁত

হংসধৰ দৈমাৰী
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক।

আঁউসী নিশাৰ
নিৰৱতা ভঙ্গ কৰি
ধুমুহা বৃষ্টিত স্ফুট
বিজুলী চেৰেকনি
অশান্ত মানস পটত।

দুৰ্বোধ্য মায়াৰ
পৰিধিৰ মাজত
সিহঁত আৰু সত্তাৰ
অবিৰাম যুদ্ধ চলে
জীৱন মৰণৰ
পোৱা নোপোৱাৰ।

সিহঁতৰ প্ৰস্তুতি
অস্থিৰ চঞ্চলতাৰ সৃষ্টি
অদম্য সিহঁত অজেয় ৰণুৱা
উত্তেজিকা শক্তিৰ
অমোঘ ধ্বজা উৰুৱাই
জীৱন চৰিতত॥

# সম্রাট! শুনা সেয়া কালৰ সংবাদ—

কামিনীমোহন শৰ্মা

"সৰ্বজনক সৰ্বকালনৈ ফাঁকি দিয়া অসম্ভৱ
অসম্ভৱ বুটৰ চেপাত ৰখা। হে ৰাজন!
প্ৰতাৰিতৰ প্ৰতিশোধ, পীড়িতৰ প্ৰতিহিংসা বৰ নিৰ্মম,
যদি পৰি যায় গৰ্বৰ টিঙত তোলা অভিজাত সিংহাসন
বৰ করুণ তাৰ ভাঙন তাৰ ভূলুণ্ঠন।
সমতলে ভাল—আহিব ধুমুহা ভূকম্পন।
ৰাতৃ আইন জাৰি কৰি
ইতিহাসৰ আচামী নহবা ৰাজন!
দৃঢ় নীতি আচলতে দুৰ্নীতি।
নিয়ম ভঙাই হ'ল কালৰ নিয়ম।
শান্তি পোৰা কঙ্কালত ব্যঘ্ৰাঘাত নকৰিবা
বুমৰেং হৈ মাৰিব।
'শিয়ালৰ হোৰা' বুজা অমাত্য বৰ্গৰ
মন্ত্ৰণাত মূল্য নিদিবা—
সিহঁত অত্যন্ত লেহকা, পিচল।
ৰাসৰ গোপিনী সবৰ দৰে
তোমাক কৃষ্ণ কৰি সৌষে মোচাহেব, নফৰ বান্দাবোৰ
সিহঁতৰ ভজন ভুৰা;
সিহঁতৰ যোৰহাতত
ফুল নাই তোমাক পূজাৰ
আছে কিৰ্পান—আত্মৰক্ষাৰ।
তোমাৰ হাতৰ সেই উজ্জল ৰাজদণ্ড
শক্তিৰ প্ৰতীক নহয় ভৃত্যৰ প্ৰতীক।
—প্ৰেমৰ অধিকাৰ সাৰ্বজনীন;
সদাউন্নত শিৰৰ প্ৰজা
সম্ৰাটৰ শত্ৰু নহয় ৰক্ষা কৱচ।"

—X—

# এখন মুকলি চিঠি

শ্ৰীআনন্দ চন্দ্ৰ দাস
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়।

মৰমৰ সত্যেন,

তোমাৰ খবৰ নোপোৱা নহয়। পাইয়ে আছোঁ। তথাপি এইখন লিখিলোঁ। বেয়া নেপাবা। যোৱা কালি মই ৺হেম বৰুৱাৰ "ডাক পখিলী" খন পঢ়ি শেষ কৰিলোঁ। কিতাপ খনৰ প্ৰবন্ধ কেইটা চিঠি সাহিত্যৰ মাধ্যমেৰে লিখা হৈছে। কিতাপখন পঢ়ি খুব ভাল লাগিল। কেইটামান ভাল কথা জানিব পাৰিলোঁ। কিতাপ পঢ়িলে, মোৰ মতে এই লেখীয়া কিতাপহে পঢ়িব লাগে। ফাং-ফুং কিতাপ পঢ়িনো কি লাভ আছে।

অসমীয়া সাহিত্যত হেনো চিঠি সাহিত্যৰ অভাৱ। সেই কাৰণে সম্ভৱ ৺হেম বৰুৱাই এইখন লিখি এই লেখীয়া সাহিত্য চহকী কৰি থৈ গ'ল। পিছে এইখন মই এই উদ্দেশ্যেৰে লিখা নাই। আচলতে কি জানা? ভাল কথা জানিলে কাৰোবাক কবলৈ মন যায় আৰু কবলৈ নাপালে বেয়া লাগে। কিন্তু আজি কালি কিমান জনে ভাল কথা আলোচনা কৰে? আটাইয়ে হিন্দী কথাছবিৰ নায়ক নায়িকা সকলোক লৈ মছগুল। গতিকে চিঠিৰ ছলেৰে তোমাৰ লগতে আলোচনা কৰোঁ। কিতাপ পঢ়িবলৈ আমাৰ খুব এলাহ, নহয় জানো? কোনোবাই যিহকে পায় তাকে লিখি থৈ গৈছে আমি তাকে পঢ়িম নে? কিন্তু আমাৰ অন্তৰ যাতে বহল আৰু জ্ঞানী হয় তাৰ কাৰণে আমি কিতাপ পঢ়া খুউব প্ৰয়োজন। এই বিষয়ে ৺হেম বৰুৱাই ধুনীয়াকৈ লিখিছে। "কিতাপ পঢ়াটো মানুহে জীৱনৰ অভ্যাস কৰি লোৱা উচিত। কিতাপ পঢ়িলে মানুহ মনৰ দিগন্ত বহল হয়। আত্মায়ো শান্তি পায়। বেয়াৰ ফাললৈ মনটো চাল নোখোৱাকৈ ৰাখিবলৈ হলে মানুহৰ জীৱনত কিবা নহয় কিবা এটা অনুপ্ৰেৰণাদায়ক সৎ আকৰ্ষণ লাগে। কিতাপতকৈ ডাঙৰ আকৰ্ষণ কি হব পাবে? জৱাহৰলাল নেহৰুক মই ভাল পোৱা ইও এটা কাৰণ। মানুহজনে খুব কিতাপ পঢ়িছিল।

৺হেম বৰুৱাই খুব কিতাপ পঢ়িছিল। তেওঁ পালিয়ামেণ্টলৈ যাওঁতে সদায় এখন ভাল কিতাপ মোনাত ভৰাই লৈ গৈছিল। তাকে দেখি এদিনাখন হেনো নেহৰুই কৈছিল "বৰুৱাৰ পেটটোৰ দৰে দেখোন মোনাটোও ডাঙৰ হৈ আহিব ধৰিছে"। আজৰি সময়ত হেনো পালিয়ামেণ্টৰ লাইব্ৰেৰীত বহি কিতাপ পঢ়াত ব্যস্ত আছিল। বৰুৱাই অসমক খুব ভাল পাইছিল। অসমীয়া ভাষাটোকো ভাল পাইছিল। কোনো বিদেশী কিতাপত ভালকথা পালে তেওঁ সেইটো অসমীয়া ৰাইজৰ মাজত বিলাই দিছিল। ইংৰাজীও খুব ভালদৰে কব আৰু লিখিব পাৰিছিল। নেহৰুয়ো ইংৰাজী খুব ভাল কব আৰু লিখিব পাৰিছিল। দুয়োজনেই খুব কিতাপ পঢ়িছিল। সেইকাৰণে সম্ভৱ নেহৰু আৰু বৰুৱাৰ মাজত এটি ভালপোৱা ভাব গঢ়ি উঠিছিল।

অসমক ভাল নোপোৱা অসমীয়া মানুহো আছে। এনেকি ভাষাটোকো ভাল নাপায়। দুই চাৰিটা ইংৰাজী শিকি সিহঁতে একেবাৰে চাহাব হৈ গৈছে। সিহঁতে অসমীয়া ভাষাক, অসমীয়া সমাজক ভাল নাপায়। সিহঁতৰ জিভাৰ আগতে থাকে—"অসমীয়াই কি কৰিব ?" ৺হেমবৰুৱাই এইসকলক ঘিণ কৰিছিল। এই বিষয়ে বৰুৱাই এঠাইত লিখিছে—"আমাৰ যিসকল ৰাজনৈতিক নেতাই কয়ঃ 'এ, অসমীয়া ল'ৰাই কি কৰিব।' সেই সকলক মই বেয়া পাওঁ। সুযোগ-সুবিধা পালে অসমীয়া ল'ৰাই সকলো পাৰিব। আজি এঘাৰ বছৰ কাল দিল্লীত আছোঁ। ভাৰতৰ আন প্ৰান্তৰ বহুতো মানুহক নিবিড়ভাৱে লগ পাইছোঁ। ক'তা—আমাৰ অসমৰ মানুহতকৈ কোনো গুণে দেখোন তেওঁলোক শ্ৰেষ্ঠ নহয়।" সঁচাকথা, সুযোগ সুবিধা পালে কোনে কি কৰিব নোৱাৰে ? আমি চ'াগে ভাল ল'ৰা হ'ব পাৰিলোঁহেতেন। কিমানটা সমস্যাৰ সমাধানৰ বিষয়ে যে আমি ভাবিব লাগে!

আৰু এটা কথা। বৰ্তমান আমাৰ গাৰ পৰা শিষ্টাচাৰ বোলা বস্তুটো একেবাৰে নোহোৱা হ'ল। আমি শিষ্টাচাৰৰ প্ৰতি বেছি গুৰুত্ব নিদিওঁ। কিন্তু এই শিষ্টাচাৰে মানুহৰ চৰিত্ৰ গঠনত প্ৰধান অৰিহণা যোগায়। এই শিষ্টাচাৰে এখন সমাজৰ সভ্যতাৰ পৰিচয় দিয়ে। ৺হেমবৰুৱাই এই বিষয়ে তেওঁৰ নিজা অভিজ্ঞতাৰ পৰা ধুনীয়া উদাহৰণ দিছে—

"এবাৰ অসমৰ চহৰ এখনৰ দোকান এখনত বহি আছো। এইফালৰ এহাল অত্যাধুনিক পুৰুষ মহিলা দোকানখনত সোমাইছেহি। এই ফালৰ পৰা বৰ্তমান অসমলৈ যোৱা মানুহে নিজকে কিবা এক বিশেষ গোষ্ঠিৰ বুলি ভাবে। এইবোৰকে দেখি-শুনি আমাৰ অনুকৰণ প্ৰিয় অসমীয়া কিছুমানৰো গাত গোসাঁই নোহোৱা হ'ল। দোকানৰ চকীখনতে বহি আছোঁ। এনেতে সেই পুৰুষ-মহিলাহাল সোমালহি। সোমায়েই মহিলা গৰাকীয়ে এফালে শাৰীখন অলপ ওপৰলৈ উজাই লৈ মই বহী থকা চকীখনৰ এফালে ভৰিটো তুলি কিবা এক ভঙ্গীত বৈ থাকিল। মহিলা গৰাকীৰ গাৰ ৰং বগা যদিও দেখিবলৈ অকনো শুৱনি নহয়। বুকুৰে-পেটে সমান। এটা যেনিবা আলকতৰাৰ পিপাহে।" চোৱাচোন মানুহজনী আধুনিকা আৰু ভদ্ৰমহিলা। কিন্তু তেওঁৰ ব্যৱহাৰ খিনিয়ে ভদ্ৰতাৰ

পৰিচয় দিলেনে ? কোনো ভদ্ৰ মানুহে চাগে লোকে বহা চকীত ভৰি তুলি নিদিয়ে। কিন্তু বহুতে দিয়ে। বহুত শিক্ষিত চামৰ মাজতো এই দোষ-টো আছে। আমি শিক্ষিত হৈয়ো এই সাধাৰণ কু-অভ্যাসবোৰকো এৰিব পৰা নাই। কিমান লাজৰ বিষয়!

আৰু এটা নতুন খবৰ পালোঁ। ইমানদিনে ভাল কথাইহে মানুহক জ্ঞানী কৰে বুলি শুনি আহিছিলোঁ। কিন্তু বেয়া কথায়ো বোলে মানুহক জ্ঞানী কৰে। ই বাৰু নোহোৱা নোপোজা কথা নহয়নে? বৰুৱাই লিখিছে—"ভাল অভিজ্ঞতাই মানুহৰ মন যেনেকৈ সাৰুৱা কৰে, তেনেকৈ বেয়া অভিজ্ঞতায়ো কৰে। জীৱন ফিটল কৰা উদ্দেশ্যেৰে দুয়োবিধ অভিজ্ঞতাৰ প্ৰয়োজন আছে। এই বুলি বিশেষ এক অভিজ্ঞতা অৰ্জনৰ ক্ষেত্ৰত নিজকে একেবাৰে বিলীন কৰি দিয়াটো বৰ ভাল কথা নহয়। এনে কৰিবলৈ যোৱা মানে জীৱনক এচলীয়া কৰা।" সচাকৈ, অকল ভাল কথা জানিলে, বেয়াৰ পৰা আক্ৰমণৰ ভয় থাকে কিন্তু উভয়বিধে যদি জনা থাকে তেতিয়া হলে উভয়বিধৰ পৰা সাৱধান হৈ থাকিব পাৰি। নহয় জানো? আমাৰ সমাজত "Sex" বস্তুটো বেয়া বুলি গণ্য কৰা হয় আৰু ইয়াৰ বিষয়ে ল'ৰা-ছোৱালীক শিক্ষা দিয়া নহয়। সেইকাৰণে সিহঁতে ইয়াৰ বিষয়ে অজ্ঞ হৈ থাকে। তাৰ ফলত আমি এই বিষয়টোৰ বিষয়ে লুকাই চোৰকৈ হলেও জানিব বিচাৰোঁ। কিন্তু সম্পূৰ্ণকৈ নাজানি আধা-খেচেৰাকৈ হে জানোঁ। তাৰ ফলত আমাৰ মন বেয়াৰ ফাললৈ ঢাল খায়। তুমি কি কোৱা? সেয়ে আজি কালি প্ৰায় লৰাকে ছোৱালীৰ পিছে পিছে "লাইন" দিয়া দেখা যায়।

চিঠিখন বহুত দীঘলীয়াই হ'ল। লিখিবলগীয়া আৰু বহুতো কথা আছিল। পিছে তোমাৰ সময় নষ্ট কৰিবৰ মন নাই, লগতে মোৰো। পিছত সময় পালে আকৌ লিখিম। তোমাৰ উত্তৰত তোমাৰ মতা-মত পাম বুলি আশা কৰি আছোঁ। মৰম লবা।

ইতি—

তোমাৰ,

আনন্দ।

# —ঃনতুন দিগন্তঃ—

নিৰুপমা চৌধুৰী
১ম বাৰ্ষিক স্নাতক।

জীৱন নদীৰ গতি, বৰ কোবাল ভাইহঁত
পলসুৱা তাৰ মাটি, টানকৈ ধৰিবা খুপি
নহলে চাবা আকৌ—নৈৰ সোঁতে
উটুৱাই নিব কোনোবা দিশলৈ— ।

নাও মোৰ টুলুঙা, বঠাও সৰু
টিঙও পিছল বৰ ! সমুখত চাকনৈয়া।
কেনেবাকৈ পিছলিব লাগিলে তাত
জীৱনৰ হেৰাব আঁত ।

ৰবাচোন ৰবা, নাৱৰীয়া ভাইহঁত
অকণমান ৰোৱা, অকলশৰীয়া মই,
ধুমুহা আহিছে সৌৱা দেখা নাই ?
মোকো লৈ যোৱা, বহু পাছত ৰৈছো মই ।
নদীৰ সোঁত বৰ কোবাল ! ভয়াবহ চাকনৈয়া তাৰ।
তাতে পৰিল নাও মোৰ উজনি সোঁতত
হাতো হ'ল জঠৰ, দেহও পৰিল ভাগৰি
যাবানে ? এৰি মোক এই বিপদত ??

বহুতো মাতিলোঁ কাতৰ স্বৰে
মাতি মাতি পৰিলোঁ ভাগৰি
কোনেও নৰ'ল; উভতিও নাচালে
পিছলৈ, খন্তেকৰ বাবে !!

যোৱা, যোৱা ভাইহঁত !! আক্ষেপ নাই মোৰ !!
তথাপি কওঁ শুনা—হাতৰ এই বঠা
টানকৈ ধৰিবা একা । হাতৰ এই বঠা পৰিব
লাগিলে জীৱনৰ কোবাল সোঁতে
উটুৱাই লৈ যাব ।

সেয়েহে আহা আছা যদি কোনোবা
মোৰ দৰে অসহায়—নাও মেলা
বঠা ধৰা টানকৈ—বৰ টানকৈ
যাব যে লাগিবই আমি সকলো বাধা ঠেলি ।

★ ★ ★

## মোৰ মন

মঞ্জুলা দাস
১ম বাৰ্ষিক, স্নাতক।

ফেঁচাটিয়ে 'নিউ' 'নিউ' কৈ
কিয়ে কৈ গ'ল
মনটো দেখোন চমকি উঠিল,
কিবা কিবি ভাবৰোবে
ভুমুকি মাৰি
মনটোত দোলা দি গ'ল।
'ফেঁচাৰ মাত অমঙ্গলীয়া',—
তাহানিতে কৈছিল আইতাই।
সেয়ে নেকি আজিও
শীত তাপ নিয়ন্ত্ৰিত
মোৰ ঘৰৰ বেৰত
তাৰেই প্ৰতিধ্বনি

## চিৰন্তন

লক্ষ্মী দাস
১ম বাৰ্ষিক, স্নাতক।

ভাওনাৰ পৃথিৱীত
অন্তহীন অহা-যোৱা,
জীৱন গতিৰ পথত
কাৰো কাতো আত্মীয়তা নাই
অকল্পনীয়া।
এই ভাওনা
জীৱনৰ হাঁহি কান্দোনৰ মেলা,
ক্ষন্তেক মাথো
বিচিত্ৰ ভাওনাৰ
জীৱন ফ্ৰেমত আবদ্ধ আত্মা।
অহাৰ পথত আলোক নামে
যোৱাৰ পথত এন্ধাৰে আবৰে।
আনন্দ-শোক এয়াই জীৱন,
জন্ম-মৃত্যু ৰীতি চিৰন্তন।

—x—

# ছটি খণ্ড কবিতা

অৰুণ বাভা
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়।

(১)

শৰৎ সন্ধ্যা ধৰাৰ বুকুত
দুখৰ ক্ৰন্দন মানুহৰ মুখত।

(২)

ফুল ফুলি গোন্ধ বহু দূৰ গ'ল।
ফুলৰ সৌন্দৰ্য কিন্তু থিতাতে ৰ'ল।

(৩)

কমৰত পৰুৱা দল সমূহীয়া
মানুহৰ সমাজ কিন্তু হিংসাকুৰীয়া।

(৪)

মৌমাখিয়ে মৌচাক সজায়
মানৱ সমাজে ভেদা-ভেদ সম্প্ৰসায়।

(৫)

মেঘৰ গৰ্জনে পৃথিবী কঁপায়
নিয়তিৰ গৰ্জনে মৃত্যু সোঁৰায়।

(৬)

এই বৃহৎ কৰ্ম পথাৰত
জিৰণি নাই মানৱ জীৱনত।

★ ★ ★

# উত্তৰ ভাৰতত এভুমুকি

অৰ্জুন বড়ো
১ম বাৰ্ষিক স্নাতক।

*"Every man likes to see the unseen and know the unknown-"*

ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কলেজ বিলাকলৈ মাজে সময়ে সাহায্য দিয়া হয়। ১৯৭৭ চনত আমাৰ কলেজে তেনে এটি সাহায্য পাইছিল। সেই সাহায্যেৰে আমাৰ কলেজৰ ফালৰ পৰা এগৰাকী অধ্যাপককে এটি দহজনীয়া ছাত্ৰৰ দল এটাক উত্তৰ ভাৰত ভ্ৰমণৰ বাবে প্ৰেৰণ কৰা হৈছিল। এই দলটোত অন্তৰ্ভুক্ত হোৱাৰ বাবে মোৰো সৌভাগ্য হৈছিল।

দেশভ্ৰমণৰ সুবিধা জীৱনত খুব কমেই আহে, বিশেষকৈ আমাৰ নিচিনা মানুহৰ বাবে। সেই সুবিধা এবাৰ হেৰালে দুনাই হয়তো পোৱা নাযায়। সেইবাবে সুবিধা এটি পাই ওলাই পৰিলোঁ ঐতিহ্যপূৰ্ণ দেশ ভাৰতবৰ্ষৰ দুই এখন নগৰী-মহানগৰী চাই মন আৰু কাণৰ দ্বন্দ্ব গুচাবলৈ।

অৱশেষত দিন বাৰ চাই উত্তৰ ভাৰতলৈ যোৱা যাত্ৰাৰ তাৰিখ ঠিক হ'ল। ১৯৭৭ চনৰ অক্টোবৰ মাহৰ ২৮ তাৰিখে। বহুদিনৰ পৰা ভাৰতবৰ্ষ ভ্ৰমণ কৰাৰ সপোন এটি পুহি ৰাখিছিলো। এই স্বপ্ন বাস্তৱলৈ ৰূপান্তৰিত হ'ব,— এই কথা চিন্তা কৰি মই আনন্দত অধীৰ হৈ পৰিলোঁ। উত্তৰ ভাৰতৰ ছয়খন প্ৰদেশ ( পশ্চিম বঙ্গ, বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, দিল্লী আৰু পঞ্জাব ) যথা সময়ত ভ্ৰমিবলৈ ওলালোঁ। এই ভ্ৰমণ ৰেলেৰে কৰাৰ ব্যৱস্থা হৈছিল। আকাশী যানেৰে আমাৰ ভ্ৰমণ আৰম্ভ হোৱা নাছিল যদিও ৰেল যানেৰে উৰণীয়া মনেৰে আমাৰ যাত্ৰা আৰম্ভ হৈছিল।

২৮ তাৰিখ। আবেলি ৫-৪০ বজাত গুৱাহাটী ৰেল ষ্টেচনৰ পৰা লক্ষ্ণৌ বুলি যাত্ৰা কৰিলোঁ। যাত্ৰাৰ আগ মুহূৰ্ত্তত ৰেলৰে প্লেটফৰ্মত বহুতো ছাত্ৰ বন্ধু আৰু অধ্যক্ষ মহোদয়েও আমাৰ এই দীৰ্ঘদিনীয়া ভ্ৰমণত বিদায় সম্ভাষণ জনাইছিলগৈ। ৰেলৰ গতিতকৈ মোৰ মনৰ গতি যে অতি ক্ষিপ্ৰভাৱে আগ বাঢ়িছিল সেইটো মোৰ বাহিৰে

আন কোনেও অনুভৱ কৰিব নোৱাৰে। ২৮ তাৰিখৰ পৰা একেবাৰে কেৱল গৈয়ে আছোঁ। ৰেলৰ খিড়িকীৰে বাহিৰলৈ চাই প্ৰাকৃতিক দৃশ্যবোৰ উপভোগ কৰি গৈছিলোঁ। যেতিয়া জলপাইগুৰিৰ চাঁহ বাগিচাবোৰ দেখা পাওঁ তেতিয়া তেজপুৰ ভ্ৰমণ কৰোঁতে দেখা আমাৰ অসমৰ চাহ বাগিচাবোৰ দেখা যেনহে অনুভৱ কৰিছিলোঁ। যেতিয়া বিহাৰ প্ৰদেশত প্ৰৱেশ কৰোঁ তেতিয়া কেৱল আমগছ বেছিকৈ দেখা পাইছিলোঁ। কিন্তু, বসন্ত কাল নাছিল বাবেই নেকি আমৰ শিখৰত কুলিৰ মাত শুনা নাছিলোঁ। আকৌ যেতিয়া বিহাৰ প্ৰদেশ এৰি উত্তৰ প্ৰদেশত সোমাওঁ তেতিয়া তাত প্ৰচুৰ পৰিমাণৰ কুহিয়াৰ খেঁতি দেখিবলৈ পাইছিলো। গৈ গৈ অৱশেষত ৩০ তাৰিখে ৰাতিপুৱা ৮ বজাত উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্ণৌ নগৰীত উপস্থিত হৈছিলোঁ। লক্ষ্ণৌ নগৰী পোৱা লৈকে বাটত কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হোৱা নাছিল। এটা কথাত আমি অসুবিধা বোধ কৰিছিলোঁ। সেয়া হ'ল ভাষা। হিন্দী ভাষাৰ অজ্ঞতাৰ বাবে আমি চৰম লাজ পাইছিলোঁ। কোকৰাঝাৰৰ পৰা অসমীয়া ভাষাৰ কোনো অস্তিত্বই দেখা মনত নপৰিল। ৰেলত T. T. C. বিলাকে টিকট 'চেক' কৰিলে প্ৰায় হিন্দীৰে সোধে। ইফালে আমাৰ হিন্দীৰ জ্ঞান তেনেই সীমাবদ্ধ। হিন্দী ভাষাৰ জ্ঞান তেনেই সীমাবদ্ধ হোৱা বাবে ভীষণ অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছিলোঁ। সেই সময়তহে আমাৰ উপলব্ধি হৈছিল যে নিজৰ মাতৃভাষা বা প্ৰাদেশিক ভাষাৰ লগতে ৰাষ্ট্ৰভাষা হিন্দীও জানিব

লক্ষ্ণৌলৈ গৈ Calcutta Popular Hotel ত থাকিবলৈ লৈছিলোঁ। নগৰত প্ৰৱেশ কৰিয়েই একালত যে এই ঠাইত মুছলমানৰ ৰাজত্ব চলিছিল সেই কথাষাৰ উপলব্ধি কৰিছিলোঁ। বাট পথ বিলাক সিমান আহল বহল নহয়। ইয়াৰ উপৰিও এই ঠাইত গছ-গছনি অতি বিৰল।

লক্ষ্ণৌ নগৰীত বহুতো বস্তু দেখিলোঁ। তাৰ ভিতৰত সঙ্গীত মহাবিদ্যালয়, ঘন্টাঘৰ, বিধান সভাৰ ঘৰ, ইমাম বৰা (ডাঙৰ, সৰু) বিশ্ববিদ্যালয়, মিউজিয়াম, ৰাজ্যিক চিৰিয়াখানা আৰু লগতে অন্যান্য বহুতো। এই ঘৰৰ ভিতৰত ইমাম বৰা (ডাঙৰ) লেখতলবলগীয়া। ই দীঘে আৰু পুতলে ৩৩০ ফুট। ইয়াৰ উপৰিও ঘৰটো দুইমহলীয়া। ওপৰ মহলত ১,০০০ খন দুৱাৰ আছে। কিন্তু উঠা-নমাৰ কাৰণে মাত্ৰ এখন দুৱাৰ। আমাৰ দলটোৰ বাবেই নহয়, সকলো ভ্ৰমণযাত্ৰীৰ বাবেই উঠা-নমা কৰাটো বৰ জটিল কাম। সেইবাবেই আমি এজন 'গাইড' লৈছিলোঁ। হোটেলত থাকোঁতে এটা অসমীয়া পৰিয়াল লগ পাইছিলোঁ। মানুহজন ৰেলৰে বিভাগৰ উচ্চ পদৰ কৰ্মচাৰী। তেওঁলোকে ভ্ৰমণৰ কাৰণে গৈছিল। তেওঁলোকৰ লগত আমাৰ বহুতো কথা-বতৰা হৈছিল।

দুদিন থকাৰ পিছত চণ্ডীগড়লৈ যোৱাৰ বাবে সাজু হলোঁ। সেই উদ্দেশে ৩১ তাৰিখে আবেলি ৪ বজাত লক্ষ্ণৌ নগৰ এৰিলোঁ।

আবেলি লক্ষ্ণৌ নগৰৰ পৰা যাত্ৰা কৰি ১ নৱেম্বৰ ৰাতিপুৱা ৫ বজাত চণ্ডীগড় ৰেলৰে ষ্টেচন পালোগৈ। তেতিয়াও অৱশ্যে ৰাতিপুৱালৈ প্ৰায়

গোটেই ষ্টেচন জকমকাই আছিল। ৰেল ষ্টেচনৰ পৰা ৰাজধানীলৈ ৯ কিঃ মিঃ দূৰ। এইখিনি অৱশ্যে আমি চিটি বাছেৰে গৈছিলো। তালৈ গৈ আমি প্ৰথমতে "Blue Star" নামৰ হোটেল এখনত উঠোঁগৈ। হোটেল খন আধুনিক হোৱাৰ উপৰিও মেনেজাৰজনৰ আচাৰ ব্যৱহাৰ খুউব নম্ৰ হোৱাত আমি সচাঁকৈ আনন্দিত হৈছিলোঁ। কিন্তু এটা কথা, লাজৰ বিষয় হলেও কবলৈ বাধ্য হওঁ যে চুইচৰ দ্বাৰা হোটেলত কাম কৰা মানুহ বিচাৰিলে যে পইচা দিব লাগে সেই বিষয়ে আমি আটায়ে জনা নাছিলোঁ।

চণ্ডীগড়। আধুনিক পঞ্জাৱৰ ৰাজধানী। চহৰ খন সকলো ফালৰ পৰাই আধুনিক। সেইবাবেই ইয়াক "Modern city of India" বুলি কোৱা হয়। ইয়াৰ আলি পদূলিবোৰ আহল-বহল হোৱাৰ উপৰিও বেচ পৰিষ্কাৰ–পৰিচ্ছন্ন। ৰাস্তাৰ দুয়োকাষে শাৰী শাৰী গছ-গছনি বিশেষকৈ ইউক্লি পটাছ গছ দেখিবলৈ পোৱা যায়।

বিতোপন চণ্ডীগড় নগৰী। ই পঞ্জাৱ আৰু হাৰিয়ানাৰ উভয়েৰে ৰাজধানী। ইয়াতে দুয়োখন প্ৰদেশৰ ৰাজ্যপাল থকাৰ উপৰিও বিধান সভাৰ অধিবেশনো বহে।

দুপৰীয়া ১১ বজাত আহাৰ কৰি ঠাই চোৱাৰ মানসে গাড়ী এখন ভাড়া কৰি ওলাই পৰিলোঁ। চণ্ডীগড় নগৰীত অৱস্থিত জাকিৰ ৰোজ গাৰ্ডেন, গান্ধীভৱন, মিউজিয়াম, Shuckna Lake" আৰু লগতে বহুতো ঠাই চালোঁ। Shuckna Lake দেখিবলৈ মনোমোহা। হ্ৰদটোৰ পানী পৰিষ্কাৰ আৰু নীল বৰণীয়া। তাৰ পানীবোৰ চিকমিকাই থাকে যেনিবা মুকুতা মণিহে জ্বলি আছে। ৰূপতে ৰহন সানি ৰাজহংসবোৰৰ লগতে অন্যান্য পখীবোৰেও তাত নানা ৰকমৰ খেলা কৰি সাঁতুৰি-নাদুৰি ফুৰে। এই দৃশ্যই মন দোলায়িত কৰি মোৰ হৃদয় ৰঞ্জিত কৰিছিল। পৰা হলে মই সেই দৃশ্য ৰাশিক লৈ কবিতাকে এটা লিখিলো-হেঁতেন।

সন্ধিয়া নামি অহাৰ লগে লগে আটায়ে আমাৰ মৌ জিৰণিৰ স্থল, হোটেললৈ উভতি আহোঁ। সন্ধিয়া সাত বজাত বন্ধু দধী মজুমদাৰ আৰু মোৰ বাহিৰে আটায়ে Appolo Circus চালে। দিনটো ঘূৰি ফুৰি অতি ক্লান্ত হোৱাৰ উপৰিও আগনিশা ৰেলত উজাগৰে কটাইছিলো বাবেই মোৰ চাৰ্কাচ চাবলৈ ইচ্ছা নগল।

২ নৱেম্বৰ। দিল্লীলৈ যোৱাৰ মানসেৰে ৰেল ষ্টেচনলৈ যাত্ৰা কৰিলোঁ। কিন্তু ষ্টেচনত ৰেল ধৰিব নোৱাৰি পিচ দিনালৈকে তাতে থাকিব লগীয়া হৈছিল। তাৰ পিচ দিনাখনহে চণ্ডীগড়ক বিদায় জনাই দিল্লীলৈ বুলি যাত্ৰা কৰিলোঁ।

৩ তাৰিখ। যেতিয়া দিল্লী ৰেল ষ্টেচন পাওঁ তেতিয়া নিশা ৯ বাজিছিল। নিয়ন লাইটৰ পোহৰত ষ্টেচন তেনেই জকমকাই আছিল। ষ্টেচনত মানুহৰ ভীৰ যে বেছি তাক উল্লেখ নকৰিলেও হ'ব। দিল্লীৰ পৰা নতুন দিল্লীলৈ ৪ কিঃ মিঃ দূৰত্ব। নতুন দিল্লীত প্ৰৱেশ কৰি আগতে যে সেই ঠাইত মুছলমান ৰাজত্ব চলিছিল তাক উপলব্ধি কৰিব পাৰি। তালৈ গৈ আমি "বিশাল হোটেলত" থাকিবলৈ লওঁ। নতুন দিল্লী বৰ ব্যস্ত চহৰ। মানুহ আৰু গাড়ীৰ সমাগম যথেষ্ট।

নতুন দিল্লী মহানগৰী ভাৰতৰ ৰাজধানী। ১৯১১ চনৰ পৰাই ই ভাৰতৰ ৰাজধানী হিচাপে স্বীকৃতি পায়। দেশৰ বিভিন্ন প্ৰান্তৰ মানুহৰ উপৰিও পৃথিৱীৰ সকলো দেশৰ মানুহৰ সমাগম স্থান এই মহানগৰী। মানুহ আৰু গাড়ীয়ে গোটেই নগৰ গম গমাই থাকে। ইয়াৰ বাট পথবোৰ আহল-বহল। বাটৰ দুয়ো কাষে গছ-গছনিৰে ভৰা। ডাঙৰ ডাঙৰ কেইবা মহলা অট্টালিকাৰে এই নগৰী পৰিপূৰ্ণ।

ৰাজধানী পোৱাৰ প্ৰথম দিনাখনে আমি Tourist বাচেৰে ৰাতিপুৱা ৯-৩০ বজাৰ পৰা আবেলি ২-২০ বজালৈকে দিল্লীৰ বিভিন্ন প্ৰান্ত ভ্ৰমি ফুৰোঁ। লালকিল্লা, শান্তিবন (নেহৰু-সমাধি), ৰাজঘাট (গান্ধী সমাধি), ৰাষ্ট্ৰীয় গান্ধী সংগ্ৰহালয়, সংসদ ভৱন, ৰাষ্ট্ৰপতি ভৱন, বিৰলা মন্দিৰ আৰু অৱশেষত India Gate চোৱা হয়। আবেলি আহাৰ কৰাৰ পিছত অকলে কুতুবমিনাৰ চোৱা হৈছিল। ৰাজঘাটলৈ যাওঁতে বন্ধু মজুমদাৰ আৰু মই, দুয়ো গান্ধীৰ সমাধিত মাল্যদান কৰিছিলোঁ। দিল্লী মহানগৰীৰ অন্যতম উল্লেখযোগ্য বস্তু হ'ল লালকিল্লা। এই লালকিল্লা মোগল সম্ৰাটে নিৰ্ম্মাণ কৰা এটা বৃহৎ দুৰ্গ। এই দুৰ্গক লৈয়ে মোগল সম্ৰাট সকলে গৰ্ব কৰিছিল আৰু আজিও ই দিল্লী মহানগীৰৰ গৌৰৱৰ স্থল। দিল্লীত দুদিন অতিবাহিত কৰাৰ পিছত বন্ধু মজুমদাৰৰ সৈতে হাৰিয়ানা ৰাজ্যৰ অন্তৰ্গত ফৰিদাবাদৰ এটা বিমান বাহিনীৰ ছাউনীলৈ ফুৰিবলৈ গৈছিলোঁ আৰু তাতেই বহুদিনৰ মূৰত এটা অসমীয়া পৰিয়ালত, অসমীয়া মানুহে ৰন্ধা ভাত এসাজ খাই তৃপ্তি পাইছিলোঁ। ৪ বজাত দিল্লীলৈ উভতি আহোঁ। দিল্লীত তিনিদিন চাৰি নিশা অতিবাহিত কৰাৰ পিচত আগ্ৰালৈ যোৱাৰ বাবে সাজু হওঁ। সেই উদ্দেশ্যে ৰাতিপুৱা ৮-৩৫ বজাত দিল্লী মহানগৰী এৰিছিলোঁ।

৬ নবেম্বৰ। যেতিয়া আমি আগ্ৰাত উপস্থিত হৈছিলোঁ তেতিয়া সন্ধিয়া ৫ বাজিছিল। বিজুলী চাকিৰ পোহৰত চহৰখন জকমকাই আছিল। তালৈ গৈ আমি "মাদ্ৰাজ" হোটেলত থাকিবলৈ লওঁ। ৰাতিপুৱা ১০ বজাত আগ্ৰা দুৰ্গ চোৱা হয়। যেতিয়া দুৰ্গত প্ৰৱেশ কৰোঁ তেতিয়া তাহানি হাইস্কুলৰ এম, ই শাখাত পঢ়োঁতে শিক্ষক মহোদয়ে কোৱা এষাৰ কথা মোৰ মনলৈ আহিছিল। সেয়া হ'ল "দুৰ্গৰ পৰা তাজমহল নিচেই ওচৰতে আৰু তাৰ পৰাই দেখি।" দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰি অট্টালিকাৰ খিড়িকীৰে চাইছিলোঁ আৰু সচাঁকৈয়ে দুৰ্গৰ পৰাবত তাজমহল দেখিবলৈ পাইছিলোঁ। প্ৰায় এঘন্টামান চোৱাৰ পিছত চাহ-পানী খাই তাজমহললৈকে খোজ লওঁ। ১১-৩৫ বজাত তাজমহলত উপস্থিত হওঁ।

তাজমহল যমুনা নদীৰ তীৰত অৱস্থিত। মোগল সম্ৰাট চাহজাহানৰ মৰমৰ পত্নী মমতাজৰ প্ৰতি প্ৰেমৰ অনন্য স্বাক্ষৰ। তাজমহলৰ চৰণ ধুৱাই যমুনা যেন বৈ গৈছে। বিভিন্ন কাৰুকাৰ্য খচিত তাজমহলৰ ভিতৰত বহতো খোটালী আছে। প্ৰত্যেকটো খোটালীৰে চিত্ৰকলা আৰু কাৰু-কাৰ্য্যবোৰ ভিন্ন। পৃথিৱীৰ আচৰিত বস্তুৰ ভিতৰত ইয়ো অন্যতম। পিছদিনা এলাহাবাদ চোৱাৰ মানসেৰে আগ্ৰা এৰিলোঁ। আগ্ৰা এৰি এলাহাবাদলৈ গমন কৰোঁতে বেলত এটি অভিজ্ঞতা হৈছিল। এজন্মেহ

বেল। লোকে লোকাৰণ্য। আমি আহিছিলোঁ দ্বিতীয় শ্ৰেণীৰ ডবাত। আমাৰ লগতে একে ডবাত উঠিছিল এহাল বঙালী নৱ-দম্পতি। দম্পতি হাল সম্ভৱ খুব ধনী সম্প্ৰদায়ৰ। ভদ্ৰলোকজনৰ পৰিবাৰে উচুপি উচুপি গিৰীয়েকক কৈছিল, "আমি এমন ছোটলোকের সঙ্গে যাব না, আমিতো বার বার বলছি।" সাধাৰণ মানুহৰ প্ৰতি ধনী শ্ৰেণীটোৰ যে এটা বিজতৰীয়া ঘৃণা সোমাই আছে তাকেই ভদ্ৰমহিলা গৰাকীৰ কথাই প্ৰতিপন্ন কৰিছে। কথাখিনি শুনি কিন্তু মানুহ গৰাকীৰ প্ৰতি মোৰ খং উঠিছিল যদিও তেওঁৰ অজ্ঞতা দেখি অনুকম্পাও উপজিছিল।

এলাহাবাদ। আধুনিক ভাৰতৰ এলাহাবাদ। পুৰাণৰ প্ৰয়াগ। তাৰো আগৰ নাম বৎসদেশ। মোগলৰ শ্ৰেষ্ঠ সম্ৰাট আকবৰ প্ৰয়াগলৈ আহি ইয়াৰ নামকৰণ কৰিলে ইলাহাবাদ। স্থাপন কৰিলে ইলাহাবাদ দুৰ্গৰ ভেটি। চাহজাহানে ইলাহাবাদৰ নাম ৰাখিলে এলাহাবাদ। যেতিয়া আমি এলাহাবাদলৈ যাওঁ তেতিয়া নিশা ১১ বাজিছিল। তালৈ গৈ আমি "Samira Hotel" ত থাকিবলৈ লওঁ। ইয়াৰ আগতে আমি যিমানবোৰ হোটেল পাইছিলো সেই সকলোবোৰতকৈ আছিল ই অন্যতম। মুঠতে অত্যাধুনিক বুলি কলেও অত্যুক্তি কৰা নহয়।

ৰাতিপুৱা ১০-২০ বজাত ত্ৰিবেনী সঙ্গমলৈ (গঙ্গা, যমুনা আৰু সৰস্বতীৰ সঙ্গমস্থল) যাওঁ। তালৈ যাওঁতে আমি নাৱেৰে গৈছিলোঁ। ইয়াৰ আগতে মই কোনো ডাঙৰ নৈত নাৱত উঠি যোৱা নাছিলোঁ। সেইবাবে মনত ভয় ভাব কিছু পৰিমাণে সঞ্চাৰিত হৈছিল। তালৈ গৈ আমি পাণ্ডাৰ কবলত পৰি বিবুদ্ধি হোৱা কথা উল্লেখ নকৰিলেও হ'ব। ১১-৩০ বজাত সঙ্গমত স্নান কৰি হোটেললৈ উভতি আহোঁ। যদি মাঘী পূৰ্ণিমাত গৈ পালোহেঁতেন তেনেহলে কুম্ভমেলাকো চাই আহিব পাৰিলোহেঁতেন। পিছে তাৰ বহু আগতেই যোৱা বাবে সেই সৌভাগ্য আমাৰ নহ'ল। আবেলি অকল আনন্দভৱনহে চোৱা হৈছিল। অৱশেষত বেনাৰস বুলি এলাহাবাদ এৰিলোঁ।

৯ নবেম্বৰ। যেতিয়া বেনাৰসত উপস্থিত হৈছিলোঁ তেতিয়া ৰাতি ১১ বাজিছিল। তালৈ গৈ আমি "Bharat Rest House Hotel" ত থাকিবলৈ লৈছিলোঁ। তাৰ পিছদিনাখন ক্ৰমে কাশী মন্দিৰ, বেনাৰস হিন্দু বিশ্ববিদ্যালয়, সত্য নাৰায়ণ তুলসী মানস মন্দিৰ চোৱা হয়। তুলসী মানস মন্দিৰ এনে কাৰু-কাৰ্যৰে নিৰ্মিত যে বেৰত গোটেই ৰামায়ণখন আঁকি থোৱা আছে। ইয়াৰোপৰি প্ৰতিমূৰ্ত্তিবিলাক যন্ত্ৰচালিত ব্যৱস্থাৰে ৰখা আছে। সেইবোৰ দেখি সদায়ে চাই থাকিবলৈ মন যায়। অসমতো এনে ধৰণৰ মন্দিৰ থকাহেঁতেন। ইয়াৰ পিছত আমি বেনাৰসৰ পৰা কলিকতালৈ যোৱাৰ বাবে সাজু হলোঁ। সেইবাবে আবেলি ৪-৩৫ এলাহাবাদ এৰিলোঁ।

যেতিয়া কলিকতাৰ হাওৰাত উপস্থিত হওঁ তেতিয়া পুৱা ৭-১৫ বাজিছিল। কলিকতা মহানগৰীত ২ দিন থকাৰ কথা আছিল। কিন্তু বহুত দিন অ'ত-ত'ত থকাৰ ফলত খোৱা, লোৱা, শোৱাৰ ঠিক নাইকীয়া হৈছিল। সেইবাবে আমাৰ আমনি লাগিছিল। আৰু সকলোৱে ঘৰলৈ অহাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছিল। সেয়ে বহু চাবলগীয়া

ঠাই আছিল যদিও হাওৰা দলং আদি চাই আবেলি ২-২৫ বজাত ঘৰ বুলি কলিকতা মহানগৰী এৰিলোঁ।

গুৱাহাটী মহানগৰী আহি পাওঁতে পাছদিনা সন্ধিয়া ৫-৩৫ বাজিছিল। নিয়ন চাকিয়ে চকু টিপিয়াই হাঁহি আমাক সম্ভাষণ জনাইছিল। ৰেলৰ পৰা নামি আমি আনন্দেৰে সক.লোৱে 'আনন্দ লজ' হোটেললৈ খোজ লওঁ। সেইদিনা খনে আমি ৮-১৫ বজাত আটায়ে চিনেমা চাও। তাৰ পিচদিনাখনহে আবেলি ৩ বজাত বকোত উপস্থিত হওঁহি।

এইদৰে দীৰ্ঘদিনীয়া ভ্ৰমণৰ সামৰণি পৰিল। কিন্তু আজিও মোৰ মন পখী:য় চণ্ডীগড়ৰ সেই নীলাভ সলিল বাশিত নাচি বাগি থকা বাজ হংস চাই আছে গৈ, ত্ৰিবেনী সঙ্গমত অৱগাহন কৰি আছে গৈ। কৰ্ণকুহৰত আজিও প্ৰতিধ্বনি শুনো চাই অহা নগৰী-মহানগৰীৰ অগণিত জনতাৰ পদধ্বনি। সেই ধ্বনিত সন্ধান কৰোঁ জীৱন জিজ্ঞাসা। কিন্তু, জীৱন জিজ্ঞাসাৰ জানো শেষ আছে?

---

# দুটি গীত

শ্ৰীভাৰত চৌধুৰী
প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক।

গীত (১)

আই অ' আই মই
তোৰ বাবে কি কৰিলোঁ
তোক পূজিবলৈ
এটিও ফুল নাপালোঁ॥

আই অ' আই—মোৰ
মই তোৰ চেনেহৰে ধন
কেনেকৈ পাহৰিম এবুকু মৰম
তুলনা বিহীন ইমান মৰম
কতো নাই কতো নাই
গোটেই জগত বিচাৰি চালোঁ॥

মোৰ আই কিমান যে ভাল
মুখত বেজাৰ নাই, নাই অৱসাদ
মোৰেই বাবে দিনে নিশাই
ত্যাগৰ প্ৰতীক হৈ
নিজকে বিলাই—
এই কথা মই জানিলোঁ॥

—x—

## গীত (২)

এটি নিজম কোঠাত
গভীৰ জোনাক ৰাতি
মই আছোহি বহি
তোমাৰ কথাকে ভাবি ॥

মোৰ মন দাপোণত উঠিছে ভাঁহি
তোমাৰ মুখৰ মধুৰ ছবি
তোমাৰ ওঠৰ মিচিকি হাঁহি
সেই ছবিতে সেই হাঁহিতে
তুমি মোৰেই হোৱাৰ
প্ৰতিশ্ৰুতি আছিল লাগি ॥

দূৰণিৰ ৰং দেখি
মোৰ হৃদয় ভাঙি ভাঙি
নতুনৰ সতে তুমি
নতুন পথেৰে বাট বুলিলা
( সেয়ে ) ময়ো থাকিম গীতৰ মাজত
সুৰৰ সোঁতত যাম ভাঁহি ॥

★★★★

## প্ৰবন্ধ

# ভিনচেণ্ট ভেনগগ আৰু তেওঁৰ জীৱনলৈ অহা কেইগৰাকী নাৰী–

পবিত্ৰ ঠাকুৰীয়া
২য় বাৰ্ষিক, স্নাতক।

খ্যাতনামা শিল্পী ভিনচেন্ট ভেনগগৰ সংগ্ৰামী আৰু বিপদসঙ্কুল জীৱন বৰ্তমান যুগৰ প্ৰতি গৰাকী যুৱক-যুৱতীৰ বাবে প্ৰেৰণাৰ থল। গলগগাঁ, সেজন, লোট্ৰেক, এজবাৰ, মেনে, ডেগা, ৰেইনৰ, ক্লডমনে, চিচলে, কুবে, সুৰা আদি শিল্পীসকলৰ দৰে নিজৰ কল্পনাক চিত্ৰৰে বাস্তৱত ৰূপায়িত কৰিবলৈ জীৱন পাত কৰা শিল্পী ভিনচেন্ট ভেনগগ। অংকনত তীব্ৰগতি আৰু ডাঠ ৰঙৰ ব্যৱহাৰ আছিল ভিনচেন্টৰ চিত্ৰৰ অন্যতম বৈশিষ্ট্য। ব্যৱসায়, শিক্ষাদান, গ্ৰন্থ অধ্যয়ন আৰু ধৰ্মপ্ৰচাৰৰ কামৰ পিছত প্ৰায় একুৰি আঠ বছৰ বয়সত ছবি আঁকিবলৈ লৈ ভিনচেন্টে জীৱনত সফলতা লাভ কৰিবলৈ যি কঠোৰ শ্ৰম কৰিছিল সি তবধ মানিবলগীয়া। অথচ সম্প্ৰতি ভিনচেন্ট ভেনগগৰ প্ৰতিখন চিত্ৰৰ মূল্য অপৰিসীম যদিও জীৱিত অৱস্থাত এই শিল্পীজনে মূল্য সহকাৰে এখন ছবিও বিক্ৰী কৰিবলৈ সমৰ্থ হোৱা নাছিল।

জীৱিত কালত ভিনচেন্ট ভেনগগৰ সংস্পৰ্শলৈ অহা প্ৰতিগৰাকী নাৰীৰ কথা আলোচনা কৰিবলৈ গ'লে বহুতৰে নাম উল্লেখ কৰিব লাগে যদিও ইয়াত সেইকেইগৰাকী নাৰীৰ কথাহে আলোচনা হব, যি কেইগৰাকী নাৰীৰ প্ৰভাৱ ভিনচেন্টৰ জীৱনত অতি সুস্পষ্ট। এই সকলৰ ভিতৰত উৰ্ছুলা, কে'-ভচ, খ্ৰীষ্টিন, মাৰ্গট আৰু ৰাচেলৰ ভূমিকা আছিল উল্লেখযোগ্য।

লণ্ডনৰ বিখ্যাত 'গুপিল কোম্পানী' আছিল গোটেই ইউৰোপৰ প্ৰখ্যাত শিল্পীসকলৰ ব্যৱসায়িক কেন্দ্ৰ। ভিনচেন্টে লয়াৰ্ছ পৰিয়ালত থাকি এই 'গুপিল কোম্পানি'ত কাম কৰিছিল। পৰিয়ালটোত মানুহ আছিল মুঠে দুজনী— উৰ্ছুলা আৰু উৰ্ছুলাৰ বিধৱা মাক। দেখাত উৰ্ছুলাজনী আছিল অতি ৰূপহী। হলেণ্ডৰ নিজ পৰিয়ালত কঠোৰ শাসনৰ মাজেদি ডাঙৰ হোৱা ভিনচেন্টে কোনো দিনে

কোনো ছোৱালীক ভাল পোৱা নাছিল নাইবা কোনো গাভৰুৰ লগত ঘনিষ্ঠতা স্থাপন কৰিবলৈ সুযোগ পোৱা নাছিল। উচ্চুৰ্লাকে তেওঁ পোন প্ৰথমে ভাল পাবলৈ শিকিছিল। অৱশ্যে কামনা বাসনাৰ অভিলাস তেওঁৰ প্ৰেমত নাছিল বুলি ক'ব নোৱাৰি।

কামৰ পৰা উভতি আহি ভিনচেন্টে প্ৰায়ে উচ্চুৰ্লাৰ সান্নিধ্য পাইছিল কিন্তু উচ্চুৰ্লাক হে তেওঁ প্ৰাণভৰি ভাল পায় এই কথা প্ৰকাশ কৰাৰ সাহস গোটাব পৰা নাছিল। সৰু সৰু ল'ৰা-ছোৱালীলৈ উচ্চুৰ্লাৰ এখন সৰু নিজা স্কুল আছিল। স্কুলৰ দেৱালত আঁৰিবলৈ ভিনচেন্টে—'চিজাৰ দি বকৰ' এখন ছবি আনিছিল। নিশা এদিন ছৱিখন আঁৰি দুয়োজনে উভতিছে। এনেতে ভিনচেন্টে উচ্চুৰ্লাক বাট ভেটি ধৰি মনৰ কথা বিবৰি ক'লে। এনে এটা প্ৰস্তাৱৰ বাবে উচ্চুৰ্লা অকণো সাজু নাছিল। অৱজ্ঞাৰ দৃষ্টিৰে প্ৰায় আৰ্তনাদ কৰি তাই প্ৰতিবাদ কৰিলে। লগতে ইয়াকো জনালে যে ইতিমধ্যে তাইৰ বিয়াৰ বন্দবস্ত আনৰ লগত হৈ গৈছে। তেনেস্থলত ভিনচেন্টে এনে কথা নভবাই ভাল। কিমান সময় স্তব্ধ হৈ আছিল ভিনচেন্ট, তেওঁ নিজেই গম নাপালে। এটা সময়ত ভাবৰ প্ৰবল ঢৌৱে ভিনচেন্টৰ হৃক-বিহৃকৰ বান্ধোন ভাঙি উটুৱাই নিলে। আবেগ বিহ্বল হৈ উন্মাদৰ দৰে তেওঁ উচ্চুৰ্লাক সাৱটি ধৰি তাইৰ প্ৰেমৰ বাবে অনুনয় কৰিবলৈ ধৰিলে। সজোৰে ভিনচেন্টৰ কঠিন বাহু বন্ধনৰ পৰা নিজকে মুক্ত কৰি প্ৰচণ্ড ঘৃণাৰে চিঞৰি উঠিল উচ্চুৰ্লাই—"ৰঙা মুৰা মুৰ্খ ক'ৰবাৰ। "

উচ্চুৰ্লাৰ এনে ব্যৱহাৰে ভিনচেন্টৰ জীৱন অতি দুৰ্বহ কৰি তোলে। কেইদিনমানৰ পাছতে ভিনচেন্টক লণ্ডনৰ পৰা বদলি কৰা হয়। পিছত স্বইচ্ছাই ভিনচেন্টে এই কাম ত্যাগ কৰি ৰামচ্ গেটৰ এখন স্কুলত শিক্ষক নিযুক্ত হয়। ইয়াৰ পিছত মিঃ জন্‌চৰ জৰিয়তে টাৰ্ণহামগ্ৰীণৰ বিশাল গীৰ্জাৰ যাজক নিযুক্ত হয়। উচ্চুৰ্লাৰ কথা তথাপি ভিনচেন্টে পাহৰিব পৰা নাছিল। সেয়ে টাৰ্ণহামগ্ৰীণৰ পৰা লণ্ডনৰ লয়াৰ্ছ পৰিয়াললৈ প্ৰায় ৬০ মাইল। এই সুদীৰ্ঘ পথ উচ্চুৰ্লাৰ দৰ্শনৰ বাবে অশেষ পৰিশ্ৰমেৰে প্ৰায় তেওঁ খোজ কাঢ়ি আহিছিল।

এদিন তিতিবুৰি একাকাৰ হৈ বিয়লি ভিনচেন্টে লয়াৰ্ছ পৰিয়ালৰ ঘৰৰ ওচৰ পালে। ঘৰৰ পৰা ভাঁহি অহা বেহেলাৰ সুমধুৰ ধ্বনি আৰু বৈঠকখানাৰ পৰা ভাঁহি অহা যুগল দম্পতিৰ নৃত্যৰ ছন্দই তেওঁক সচকিত কৰি তুলিলে। ওচৰতে বহি থকা কচোৱান জনক সুধি তেওঁ নিশ্চিত হ'ল যে এয়া উচ্চুৰ্লাৰ বিবাহ উৎসৱ। সেয়ে ততালিকে টাৰ্ণহামগ্ৰীণলৈ তেওঁ উভতিল। ইয়াতে ভিনচেন্টৰ উচ্চুৰ্লাৰ প্ৰতি অনুকম্পা চিৰদিনৰ বাবে লয় পালে।

প্ৰকৃতাৰ্থত এজন ধৰ্মপ্ৰচাৰক হোৱাৰ মানসেৰে ভিনচেন্টে শিক্ষকতা বাদ দি এইবাৰ লণ্ডন এৰি আমণ্টাৰ্ড মত থকা দদায়েক জোহানচ্ ভেনগগৰ তদাৰকত থাকি গভীৰ অধ্যয়নত নিমগ্ন হ'ল। তাতেই মহাদেৱেক ষ্ট্ৰিকাৰৰ আমন্ত্ৰণ ক্ৰমে ভিনচেন্টে আমণ্টাৰ্ডমলৈ যায় আৰু ষ্ট্ৰিকাৰৰ কন্যা বিবাহিতা কে'ডচৰ লগত চিনাকি হয়।

কে' ভেভিয়া এজনী দুবছৰীয়া সন্তানৰ মাতৃ। উথলি পৰা যৌৱনৰ হৃষ্টপুষ্ট কে'ৰ শৰীৰটোলৈ—"কোনোবা ভাস্কৰে যেন নিজ বটালীৰে আনি দিছিল অপৰূপ কমণীয়তা" গভীৰ নীলা চকু যুৰিৰে লাৱণ্যময়ী কে'ৰ দেহটোত যেন; বতাহ আৰু সূৰুযৰ স্পৰ্শই পৰা নাছিল।

সম্পূৰ্ণ এবছৰ কঠোৰ অধ্যয়নৰ অন্তত ভিন্‌চেন্টে অনুভৱ কৰিলে অলসতা। প্ৰকৃতাৰ্থত তেওঁ বিচাৰিছিল বিশাল জাকজমকপূৰ্ণ উপাসনা মন্দিৰত লিপিবদ্ধ বাণী পঢ়াৰ বিপৰীতে পীড়িত, শোষিত, সৰ্বাহাৰা জনগণৰ সেৱা কৰি তেওঁলোকৰ মাজত ধৰ্মৰ বাণী শুনাবলৈ লগে লগে ভিন্‌চেন্টে কাৰোপৰা বিদায় নোলোৱাকৈয়ে আমষ্টাৰ্ডম এৰি ব্ৰুচেলছলৈ আহে আৰু এখন স্কুলত ভৰ্তি হয়।

ইয়াৰ পিছত পৰীক্ষাত অকৃতকাৰ্য হোৱাৰ পিছতো পিটাৰ্‌চনৰ যত্নত ভিন্‌চেন্টে বৰিনেজৰ কয়লা খনিৰ বনুৱা সকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰাৰ প্ৰয়াস পায়। পুঁৱতি নিশাৰে পৰা মৰ-গধূলিলৈকে খনিৰ তলৰ বিপদ সংকুল অৱস্থাত কাম কৰি ৰাজহাড় বেঁকা কৰা শ্ৰমিক সকলৰ দুখত ভিন্‌চেন্ট সহানুভূতিশীল হৈ পৰে। ইয়াতেই ধৰ্মৰ প্ৰতি তেওঁৰ চৰম অনীহা ওপজে। লাহে লাহে ধৰ্ম প্ৰচাৰৰ ঠেক গণ্ডিৰ পৰা মুক্ত হৈ বৰিনেজৰ কয়লা পাহাৰৰ ওপৰত বহি বহি ভিনচেন্টে আঁকি যায় এখন দুখনকৈ বহুতো ছবি। তেওঁৰ আত্মাই যেন [বিচাৰে এজন প্ৰকৃত চিত্ৰকৰ হ'বলৈ। এইদৰে কিছুকাল পাৰ হোৱাৰ পিছত ভিনচেন্টে মৰমৰ ভায়েক থিয়োৰ আহ্বান উপেক্ষা কৰিব নোৱাৰি এদিন নিজৰ ঘৰ বাব্ৰান্টলৈ বুলি ঢাপলি মেলিলে। বাব্ৰান্টলৈ আহি ভিন্‌চেন্টে দেখিলে যে ইতিমধ্যে কে' ও তাত উপস্থিত। স্বামীৰ অকাল বিয়োগৰ বিষাদ বেদনাত কে'ৰ মন ভাবাক্ৰান্ত। ৰাতিপুৱাৰ পৰা সন্ধ্যালৈ ভিন্‌চেন্টে পথাৰৰ প্ৰান্তলৈ গৈ ছবি আঁকে। লগত থাকে কে' আৰু শিশু সন্তানটি। এনেদৰে ভিন্‌চেন্ট আৰু কে'ৰ সম্বন্ধ প্ৰগাঢ় হৈ উঠে। কে'ৰ সান্নিধ্যই ভিন্‌চেন্টৰ দেহলৈ আনে অফুৰন্ত শক্তি আৰু তেওঁৰ মন উপচি পৰে অপৰিসীম তৃপ্তিত। যিদিনা কে' লগত থাকে সিদিনা ভিন্‌চেন্টে উল্লাস ভৰা চিত্তে তড়িত গতিৰে কাম কৰিবলৈ মনত শক্তি পায় আৰু যিদিনা কে' লগত নাথাকে সিদিনা নক্সাৰ প্ৰতিভাল ৰেখাই যে তেওঁৰ গভীৰ দুখৰ বোজা হৈ পৰে।

এদিন পথাৰত ভিন্‌চেন্টে নক্সা কেইখনমান দেখুৱাবলৈ কে'ৰ কাষত আঠু কাঢ়ি বহি লয়। দাঙি ধৰা নক্সাবোৰ তেওঁৰ হাতৰ পৰা খহি পৰিল। ইমান দিনৰ সংযমৰ বান্ধ যেন পলকতে সুলকি গ'ল। ভয়ংকৰ ভাৱে নিজৰ বুকুৰ মাজলৈ কে'ক টানি আনি ভিন্‌চেন্টে যে তাইক কিমান ভাল পায় তাকে কবলৈ ধৰিলে। ভয় আৰু ঘৃণাত কে'ৰ মুখমণ্ডল বিবৰ্ণ হৈ পৰিল। শৰীৰৰ সমস্ত বল প্ৰয়োগ কৰি তাই ভিন্‌চেন্টৰ বাহু বন্ধনৰ পৰা মুক্ত হৈ তীব্ৰ স্বৰে কৈ উঠে—"কেতিয়াও নহয়—কেতিয়াও নহয়।" তৎক্ষণাত শুই থকা শিশুটি তুলি লৈ কে'ই উন্মাদিনীৰ দৰে পথাৰে পথাৰে দৌৰিবলৈ ধৰিলে। ভিন্‌চেন্টে কে'ৰ প্ৰতি কৰা অশালীন ব্যৱহাৰৰ বাবে মাক-দেউতাকৰ

তীব্র প্রতিবাদৰ সন্মুখীন হব লগা হ'ল। পিছদিনাই কে'ই বাৰ্বাটৰ পৰা আমষ্টাৰ্ডমলৈ গুচি গ'ল। ভিন্‌চেন্ট তথাপি ক্ষান্ত নহল। তেওঁৰ ধাৰণা যিহেতু কে'ক তেওঁ প্ৰাণভৰি ভাল পায় এই কথা কে'ক বুজাব পাৰিলে কে'ইও ভিন্‌চেন্টক ভাল নোপোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। কেইদিনমান পিছতে ভিন্‌চেন্টে কে'ক লগ ধৰিবলৈ আমষ্টাৰ্ডমৰ মহাদেৱেকৰ ঘৰ পালে। ভিন্‌চেন্টক দেখি স্ত্ৰীকাৰ অতি ক্ষুব্ধ হৈ পৰিল। দুয়োজনৰ মাজত কিছু সময় ভয়ানক ভাৱে কথাৰ কটাকটি চলিল। ভিন্‌চেন্টে হাতখন ওভটাই সন্মুখৰ জ্বলন্ত মমৰ শিখা এটাৰ ওপৰত ৰাখি মহাদেৱেকক অনুৰোধ কৰিলে—যাতে যিমান সময় তেওঁ তেনেদৰে হাতখন বহ্নি শিখাৰ ওপৰত ৰাখিব পাৰে অন্ততঃ সেইখিনি সময়ৰ বাবে কে'ৰ লগত আলোচনাৰ অনুমতি তেওঁক দিয়া হয়। লগে লগে গোটেই ঘৰটোত পোৰা মঙহৰ তীব্ৰ গোন্ধ বিয়পি পৰিল। পোৰা ঠাই ডোখৰৰ পৰা মঙহৰ টুকুৰা মেজৰ ওপৰত জহি জহি পৰিবলৈ ধৰিলে। ভিন্‌চেন্টৰ এনে আচৰণত স্ত্ৰীকাৰে উত্তেজিত ভাৱে চিঞৰি শিখাটো নিৰ্বাপিত কৰি দিলে। আৰ্ত কণ্ঠে চিঞৰি ভিন্‌চেন্টক তিৰস্কাৰ কৰিবলৈ ধৰিলে। গভীৰ শোকে ভিন্‌চেন্টৰ কণ্ঠ ৰোধ কৰিলে। হৃদয়ৰ আবেগ ভৰা এই ক্ৰন্দনক ৰোধ কৰিবলৈ তেওঁ পোৰা হাতখনেৰে মুখখন ঢাকি ধৰি আমষ্টাৰ্ডমৰ পথত খোজ ললে। লগে লগে কে'ৰ আশাও ভিন্‌চেন্টে চিৰদিনৰ বাবে ত্যাগ কৰিলে।

পেৰিছ আছিল যেনেদৰে ইউৰোপৰ শিল্প-সংস্কৃতিৰ বিকাশ কেন্দ্ৰ, হেগ্ আছিল গোটেই হলেণ্ডৰ শিল্প-সংস্কৃতিৰ কেন্দ্ৰস্থল। হেগ্‌ত থকা কালছোৱাত ভিন্‌চেন্টৰ সুখ-দুখৰ ভাগ লবলৈ অহা তিৰোতা গৰাকীৰ নাম আছিল খ্ৰীষ্টিন। খ্ৰীষ্টিন আছিল এজনী ধুবুনী। তাই কামৰ অভাৱত ধনৰ বাবে প্ৰায়ে আলিৰ দাঁতিত থিয় হ'বলগীয়া হৈছিল। ভিন্‌চেন্টে প্ৰথম লগ পোৱাত সগৰ্ভা খ্ৰীষ্টিন আছিল পাঁচোটা পিতৃ-পৰিচয় হীন সন্তানৰ মাতৃ। আনুষ্ঠানিক ভাৱে বিবাহ পাশত আবদ্ধ নহলেও ভিন্‌চেন্টে এই তিৰোতা গৰাকীৰ লগত এবছৰৰো অধিক কাল স্বামী আৰু স্ত্ৰীৰ দৰে একেলগে অতিবাহিত কৰিছিল। উচ্ছৃংলা বা কে'ৰ দৰে খ্ৰীষ্টিন ধুনীয়া নাছিল। ক'লা ক'লা দাগ আৰু ব্ৰনেৰে পৰিপূৰ্ণ মুখমণ্ডলেৰে তাই আছিল বিগত যৌৱনা এগৰাকী কুশ্ৰী নাৰী। বয়সত তাই আছিল ভিন্‌চেন্টতকৈ পাঁচ বছৰে ডাঙৰ। এনে এগৰাকী নাৰীৰ লগত জীৱন যাপন কৰা বাবে ভিন্‌চেন্টে নিজ পৰিয়াল আৰু বন্ধুবৰ্গৰ পৰা নিষ্ঠুৰ ব্যৱহাৰ সহ্য কৰিবলগীয়া হৈছিল। তথাপি ভিন্‌চেন্টৰ দৃষ্টিত খ্ৰীষ্টিন আছিল মহিয়সী নাৰী। খ্ৰীষ্টিনেই আছিল প্ৰথম নাৰী যিয়ে ভিন্‌চেন্টক অন্তৰ উজাৰি সকলো দিবলৈ কাৰ্পণ্য কৰা নাছিল। খ্ৰীষ্টিনৰ সঙ্গসুখে ভিন্‌চেন্টৰ শিল্প সৃষ্টিৰ জড়তা যেন বহুখিনি আঁতৰ কৰি পেলাইছিল। ভিন্‌চেন্টৰ কঠোৰ অনুশাসনৰ মাজত থাকি খ্ৰীষ্টিনে বহু পৰিমাণে শিষ্ট হবলৈ শিকিছিল। তথাপি জঘন্য জীৱন যাপনেৰে পাৰ কৰি অহা সুদীৰ্ঘ চৈধ্যটা বছৰৰ তুলনাত ভিন্‌চেন্টৰ সংস্পৰ্শৰ

এটা বছৰ আছিল খ্ৰীষ্টিনৰ বাবে অতি নগণ্য। সেয়ে এদিন ভিন্‌চেণ্টৰ সকলো অনুৰোধ উপেক্ষা কৰি তাই পুনৰ ঘূৰি গৈছিল সেই অতীত জীৱনলৈ। সময়ত ভিন্‌চেণ্টৰ দৃষ্টিৰ পৰা হেগ্‌ আঁতৰি যোৱাৰ লগে লগে চিৰজীৱনৰ বাবে খ্ৰীষ্টিনো হেৰাই গৈছিল।

ইয়াৰ পিছত ভিন্‌চেণ্টে নিউনেন আৰু তাৰ পিছত পেৰিছত কিছুকাল কটাই অৱশেষত আৰ্লচলৈ আহে। আৰ্লচলৈ অহাৰ আগতে ভিন্‌চেণ্টে ভায়েক থিয়োৰ লগত বহুদিন পেৰিছত আছিল। এদিন থিয়োৰ অজ্ঞাতে তেওঁ পেৰিছ ত্যাগ কৰি আৰ্লচ পালেহি। আৰ্লচত ভিন্‌চেণ্টে তেওঁৰ শিল্পী জীৱনৰ প্ৰখ্যাত বন্ধু পলগগাঁৱ লগত হালধীয়া ৰঙৰ ঘৰ এটিত বাস কৰিছিল। আৰ্লচৰ গ্ৰীষ্মকাল যেন এক প্ৰচণ্ড অভিশাপ। সূৰ্যৰ প্ৰচণ্ড ৰশ্মিয়ে আৰ্লচবাসীৰ মগজুত কৰে তীব্ৰ প্ৰতিক্ৰিয়া, যাৰ ফলত মানুহ হয় উন্মাদ প্ৰায়। এই তীব্ৰ সূৰ্যালোকত ভিন্‌চেণ্টে নগ্নমূৰে বহি পথাৰত ছবিৰ পিচত ছবি আঁকি যায়। একোলৈকে তেওঁৰ ভ্ৰুক্ষেপ নাই। দিনৰ অশেষ পৰিশ্ৰম তথা ক্লান্তিৰ পিছত যেতিয়া ঘৰ আহি পায় আৰম্ভ হয় পলগগাঁৰ লগত তীব্ৰ কোলাহল। আৰ্লচবাসীৰ মনত ভিনচেণ্ট আছিল এনেহুৱা অকৰ্মী লোক। চিত্ৰ কি বস্তু তেওঁলোকে নুবুজিছিল। সেয়ে ভিন্‌চেণ্ট বহুতো কদৰ্থণাৰ সন্মুখীন হ'ব লগা হৈছিল। সকলোৱে ঠাট্টা উপহাসে ভিন্‌চেণ্টক অতিষ্ঠ কৰি তোলে।

ইয়াৰ পিছত ভিন্‌চেণ্টৰ জীৱনলৈ আহে আৰু এজনী ছোৱালী। তাইৰ নাম আছিল ৰাঁছেল। ৰাঁছেল ভিন্‌চেণ্টৰ মৰমৰ সেই পাবচৰাই বোলা ছোৱালীজনী—, অতি কম বয়সীয়া। সেই ছোৱালীজনী আছিল হোটেলখনৰ আটাইবোৰ ছোৱালীৰ ভিতৰত ভিন্‌চেণ্টৰ অতি প্ৰিয়। মৰমতে তাই ভিন্‌চেণ্টৰ এখন কাণ প্ৰায়ে খুজিছিল উমলিবলৈ। সঁচাকৈয়ে এদিন পলগগাঁৰ লগত হোৱা প্ৰচণ্ড কন্দলৰ অন্তত কাণখন কাটি কেইখন মান কাগজেৰে টোপোলা বান্ধি ৰাঁছেলৰ হাতত তুলি দিছিল। তাই সঁচাকৈয়ে নিজৰ হাতত কাণখন দেখি বিকট চিঞৰ এটা মাৰি মাটিত ঢলি পৰিল। কোনোমতে ভিন্‌চেণ্ট আহি তেওঁৰ সেই হালধীয়া ঘৰটো পালেহি। চহৰৰ মানুহবোৰে ভিন্‌চেণ্টক মূৰ্চ্ছিত অৱস্থাত পাই কৰ্তৃপক্ষক গটাই দিলে। জ্ঞান ঘূৰি অহাৰ পিছত ভিন্‌চেণ্টে দেখে যে তেওঁ হস্পিতেলত। কাষত বহি আছে অতি মৰমৰ ভায়েক থিয়ো। হস্পিতেলৰ প্ৰধান কৰ্মকৰ্তা ডাঃ ৰে'ৰ লগত আলোচনা কৰি থিয়োই ককায়েকক 'চেণ্টপল্‌ ডি মৌছলৰ'ৰ উন্মাদালয়ত থোৱাৰ সিদ্ধান্ত লয়। ডাঃ ৰে'ই উন্মাদালয়ৰ কৰ্তা ডাঃ পেৰণৰ লগত যোগাযোগ কৰি এদিন ভিন্‌চেণ্টৰ লগত ৰেলত উঠি ট্ৰাচ্‌কান্‌ অভিমুখে ৰাওনা হ'ল। ট্ৰাচ্‌কানৰ পৰা চেন্ট মেৰি। চেন্ট মেৰিত ডাঃ পেৰণে সাগ্ৰহে ভিন্‌চেণ্ট আৰু ডাঃ ৰে'ক আদৰি নিলে। ডাঃ ৰে'ই ডাঃ পেৰণক ভিন্‌চেণ্টৰ সমস্ত ভাৰ গটাই ঘৰ অভিমুখে ৰাওনা হ'ল। ডাঃ পেৰণে ভিন্‌চেণ্টক ভিতৰলৈ যাবলৈ বাট এৰি দিলে। ভিন্‌চেণ্ট সোমাই যোৱাৰ লগে লগে উন্মাদালয়ৰ দ্বাৰ বন্ধ হৈ গ'ল।

আৰ্লচত থকা অৱস্থাতেই ভিন্‌চেন্টে লগ পাইছিল মাৰ্গটক। এই গৰাকী ৰমণীয়ে বহুদিনৰ পৰাই ভিন্‌চেন্টৰ মৰম বিচাৰি তেওঁক অনুসৰণ কৰি ফুৰিছিল। এই মাৰ্গটেই "একমাত্র নাৰী, যি এই বিশ্বত ভিন্‌চেণ্টৰ ওচৰত সমৰ্পন কৰিছিল সৰ্বস্ব; প্রেম, আত্মা, দেহ, একমাত্র ৰমণী—যি ভিন্‌চেন্টৰ হকে প্ৰাণ আহুতি দিছিল।"

"চেন্ট-মেৰি"ৰ উন্মাদালয়ত সুস্থ হৈ ভিন্‌চেন্ট, ডঃ পেৰণৰ অনুমতিক্রমে আৰ্ভাচলৈ আহে। ইয়াতেই জীৱনৰ আশা আকাঙ্ক্ষা, মায়া মোহ, সমস্ত বাদ দি চিত্র আঁকিবলৈ গৈ এদিন পথাৰতে বিভলভাৰৰ দ্বাৰা নিজকে গুলিয়াই আত্মহত্যা কৰে। এইদৰেই এই মহান শিল্পী গৰাকীৰ জীৱনৰ পৰিসমাপ্তি ঘটে।

বিভিন্ন সময়ত, বিভিন্ন ঠাইত লগ পোৱা এই ৰমণী কেইগৰাকী ভিন্‌চেন্টৰ জীৱনলৈ আনি দিছিল পৰিবৰ্তন। ইয়াৰ বাবে তেওঁ জীৱনৰ শেষ কালছোৱাত চিত্রাঙ্কনৰ মাজেৰে নিজক প্রতিষ্ঠিত কৰিছিল। এজন প্ৰকৃত নিপীড়িত মানুহৰ শিল্পী হিচাপে।

---

"প্রবন্ধটো যুগুত কৰোঁতে 'Lust for life' অৰ প্ৰণীতা দেবী অনূদিত "জীৱনৰ লালসা" গ্ৰন্থখনিৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰা হৈছে।"



# দুটি গীত

শ্ৰীধীৰেনজিৎ কলিতা।
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক।

(১)

তুমিতো নেজানা মোৰ হিয়াৰ
গোপন বেদনা।
তুমিতো নুবুজা মোৰ মনৰ
কিমান কামনা॥
ফাগুন আহিছিল মোক
নতুন ৰঙে ৰঙাবলে'।
আৰু আহিছিল বনবিহগী
নতুন গান শুনাবলে'।
তেতিয়া যে মই সপোন দেখিছিলোঁ
লৈ তোমাৰ ভাবনা॥
আকাশত জোনাই মিচিকি হাঁহিলে
সেই হাঁহি মোৰ চোৰা নহ'ল।
ৰাতিৰ শেৱালি পুৱাতে সৰিলে
সেই শেৱালি মোৰ চোৰা ন'হল।
তেতিয়া যে সপোন দেখাৰ মাজত পালোঁ
মাথো তোমাৰ ছলনা॥

(২)

মনৰে ময়ূৰী উৰিছে,
পখিলা নচাদি নাচিছে।
কোন সেয়া গাভৰুৰে আৰু
বিহু বিহু লাগিছে যে গাত॥
দেহত সিহঁতৰ যৌৱন নামিছে,
মনত সিহঁতৰ কামনা জাগিছে।
ঢোলৰ চেৰে চেৰে নাচৰ তালে তালে
সেয়া যেন মাতিছে কাক।
বিহু বিহু লাগিছে যে গাত॥
মিঠা মিঠা খোজেৰে
জোনাক জোনাক হাঁহিৰে,
বহাগীক আদৰিলে।
ঢোলৰ মাতত আজি
পেপাৰ সুৰত আজি
বহিছে যে ৰঙৰে ঐ হাট।
বিহু বিহু লাগিছে গাত।

✻প্ৰবন্ধ✻

# ৰাষ্ট্ৰৰ আদৰ্শবাদ— ইয়াৰ উৎপত্তি

মঃ মজিবৰ ৰহমান

ৰাষ্ট্ৰৰ আদৰ্শবাদী তত্ত্বটো বৰ্তমান যুগত বিভিন্ন নামেৰে জনাজাত যেনে, দাৰ্শনিক, চৰমবাদী, ভাৱবাদী আৰু ৰহস্যবাদী তত্ত্ব। এই তত্ত্ব সমূহে ৰাষ্ট্ৰ আৰু সমাজৰ একোটা আদৰ্শ চিত্ৰ দাঙি ধৰিছে। অৱশ্যে ইয়াৰ বাস্তৱ সত্তাটো বুজাত একেবাৰে অসম্ভৱ নহলেও কিছু অসুবিধাজনক। কিয়নো ইয়াৰ উদ্ভাৱক সকলে ৰাষ্ট্ৰক এনে এটা পৰ্য্যায়ৰ বৰ্ণনাত দাঙি ধৰিছে যেন ৰাষ্ট্ৰ এটা ঐশ্বৰিক ৰূপহে। মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ বাবে ৰাষ্ট্ৰ এটা অপৰিহাৰ্য নীতিগত অনুষ্ঠান। প্ৰত্যেক মানুহৰে কিছুমান নীতিগত লক্ষ্য থাকে আৰু ৰাষ্ট্ৰই সেইবোৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে। সেই কাৰণে পৰা ৰাষ্ট্ৰ জনসাধাৰণৰ বাবে, জনসাধাৰণ ৰাষ্ট্ৰৰ বাবে নহয়। ৰাষ্ট্ৰৰ উন্নতিয়েই জনসাধাৰণৰ উন্নতি। ৰাষ্ট্ৰ মানৱ বিকাশৰ পৰম মিত্ৰ।

ৰাষ্ট্ৰৰ আদৰ্শবাদী তত্ত্বৰ উৎপত্তি বহুদিনীয়া পুৰণি। প্ৰাচীন গ্ৰীক দাৰ্শনিক পণ্ডিত চক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটলৰ লিখনি সমূহৰ পৰাই ইয়াৰ সূত্ৰপাত হোৱা বুলি কব পাৰি। এৰিষ্টটলে ৰাষ্ট্ৰক এটা প্ৰাকৃতিক আৰু আৱশ্যকীয় অনুষ্ঠান বুলি উল্লেখ কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে সকলোবোৰ ভাল কাম প্ৰকৃতিৰ দ্বাৰাই সম্পাদন কৰা হয়। ৰাষ্ট্ৰই জনসাধাৰণৰ মংগলৰ বাবে কিছুমান ভাল কাম কৰে। সেইবাবে ই প্ৰকৃতিৰ সৃষ্টি। আনহাতে মানৱ জীৱনৰ প্ৰয়োজনীয় সকলো অভাৱ ৰাষ্ট্ৰৰ দ্বাৰা পূৰণ কৰা হয় বাবে ই আৱশ্যকীয় ৰাজনৈতিক অনুষ্ঠান।

অৱশ্যে বৰ্তমানৰ আদৰ্শবাদী চিন্তাধাৰাৰ আৰম্ভ জাৰ্মানীৰ পৰাই হয়। সুদীৰ্ঘ বহু বছৰ ধৰি জাৰ্মানী আছিল ভাৱবাদী চিন্তাধাৰাৰ কেন্দ্ৰ স্থল। জাৰ্মানীৰ বিখ্যাত চাৰিজন দাৰ্শনিক মনীষীয়ে এই বিষয়ত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। কাণ্ট, ফিচ্‌টে ( Fichte ), চেলিং আৰু হেগেল জাৰ্মানীৰ এই চাৰিজন দৰ্শনৰ অধ্যাপকে এই ক্ষেত্ৰত তেওঁলোকৰ অমৰ লিখনি সমূহেৰে কাল

জন্ম কৰিছে। সময়ত এওঁলোকৰ চিন্তা প্ৰবাহ সমূহ সুদূৰ ফ্ৰান্স, ইটালি, ইংলেণ্ড আৰু আমেৰিকা আদি দেশলৈ বিস্তাৰিত হয়। কিন্তু জাৰ্মান দাৰ্শনিক সকলৰ মাজতেই তেওঁলোকৰ মতৰ পাৰ্থক্য আছে। অৱশ্যে জাৰ্মানীৰ এই দাৰ্শনিক সকলে তেওঁলোকৰ আদৰ্শবাদী ভাৱধাৰাৰ তথ্য সমূহ ৰুছোঁৰ পৰা সংগ্ৰহ কৰিছিল। সেইদৰে দাৰ্শনিক হেগেলেও তেওঁৰ সাধাৰণ সংকল্পৰ ধাৰণা ৰুছোঁৰ পৰা আহৰণ কৰিছিল। সেয়া নহলেও আদৰ্শবাদী ভাৱধাৰাৰ উৎপত্তি যে প্লেটো আৰু এৰিষ্টটলৰ দৰ্শনৰ পৰা হৈছিল, সেই বিষয়ে সকলোৱে একমত। প্ৰখ্যাত দাৰ্শনিক এৰিষ্টটলে মানুহক সামাজিক প্ৰাণী বুলি উল্লেখ কৰিছে। তেওঁৰ মতে একমাত্ৰ সমাজেহে ব্যক্তিৰ অস্তিত্ব আৰু গুৰুত্ব আনি দিব পাৰে। সমাজে মানুহৰ পূৰ্ণাংগ আৰু স্বাধীন ব্যক্তিত্ব বিকাশৰ প্ৰয়োজনীয় পৰিবেশ সৃষ্টি কৰিব পাৰে। ইয়ে মানুহৰ প্ৰয়োজনীয় সকলো অভাৱ পূৰণ কৰাই এক সুখী আৰু পৱিত্ৰ জীৱন যাপনত সহায় কৰে। সেয়ে মানুহৰ জীৱনৰ নিৰাপত্তাৰ বাবে ৰাষ্ট্ৰৰ সৃষ্টি হোৱা বুলি এৰিষ্টটলে মত দৰ্শাইছে।

প্লেটোৱে তেওঁৰ "গণৰাজ্য" নামৰ গ্ৰন্থত মানুহৰ জীৱনত ৰাষ্ট্ৰৰ ভূমিকা সম্পৰ্কীয় কথাত অধিক গুৰুত্ব দিছিল। ৰাষ্ট্ৰই মানুহৰ আত্মবিকাশত সকলো সুবিধা দিব পাৰে। আদৰ্শবাদী সকলে এইদৰেই ৰাষ্ট্ৰৰ ভূমিকাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি আহিছে আৰু পিছলৈ তেওঁলোকে ৰাষ্ট্ৰক সৰ্বশক্তিমান, অব্যৰ্থ, সৰ্বজ্ঞ, চৰম আৰু এনেকি ন্যায় আৰু নৈতিকতাৰ অভিভাৱক বুলি সকলো গুণেৰে বিভূষিত কৰিছে। হেগেলে ৰাষ্ট্ৰক "সততা বা নৈতিকতাৰ আত্মা বুলি" কৈছে। ই মানুহৰ আত্মবিকাশ, সদিচ্ছা, আত্মবোধ আৰু জ্ঞানৰ পৰিপূৰ্ণতা অনাত সহায় কৰে। সেয়ে ৰাষ্ট্ৰ ভাল বা বেয়া হব পাৰে কিন্তু মানি চলিব লাগে। কিয়নো ৰাষ্ট্ৰ স্বয়ং ঈশ্বৰৰ সৃষ্টি। ৰাষ্ট্ৰৰ নিৰ্দ্দেশ স্বয়ং ঈশ্বৰৰ নিৰ্দ্দেশ বাবে ৰাষ্ট্ৰৰ নিৰ্দ্দেশক আইন মানি চলিব লাগে। ঐশ্বৰিক ভাৱনাৰ ফলত ৰাষ্ট্ৰৰ উৎপত্তি হয়। এই ঐশ্বৰিক সংকল্পৰ বাবেই বিশ্ব ব্ৰহ্মাণ্ডৰ গঠন আৰু স্বৰূপ সদায় বৰ্তমান। সেয়ে ৰাষ্ট্ৰৰ অধীনত থাকিয়েই মানুহে নিজৰ নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰিব পাৰে। জনসাধাৰণৰ সকলো ধৰণৰ সংকল্পৰ প্ৰতিনিধিত্ব কৰা ৰাষ্ট্ৰ হ'ল এটা সাধাৰণ সংকল্প। ৰাষ্ট্ৰক মানি চলা সময়ত মানুহ সম্পূৰ্ণ স্বাধীন। সেয়ে ৰাষ্ট্ৰৰ সৈতে বিৰোধ হব পৰা কোনো ধৰণৰ প্ৰাকৃতিক অধিকাৰ মানুহৰ থাকিব নোৱাৰে। ৰাষ্ট্ৰৰ কৰ্তৃপক্ষৰ কোনো বাধা থাকিব নোৱাৰে।

ৰাষ্ট্ৰ সকলো নৈতিকতাৰ অভিভাৱক, সংগঠিত কোনো নৈতিক জগতৰ উপাদান মাত্ৰ নহয়। ৰাষ্ট্ৰই মানুহৰ সামাজিক ঐক্য প্ৰতিষ্ঠা কৰে। ৰাষ্ট্ৰই ইয়াৰ চৰম কাৰ্য্যিক শক্তি প্ৰয়োগ কৰি ইয়াৰ সকলো সদস্যক নিয়ন্ত্ৰণ কৰে। মানুহৰ সুখ-স্বাচ্ছন্দ্য, নৈতিক উৎকৰ্ষ সাধনত ৰাষ্ট্ৰই শক্তি প্ৰয়োগ কৰি ইয়াৰ বাধা সমূহ আঁতৰ কৰিব পাৰে।

ৰাষ্ট্ৰৰ মংগলকামী সকলো উদ্দেশ্যকে মানুহে মানি চলিব লাগে। আদৰ্শবাদী সকলৰ মতে

ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বা নিৰাপত্তাৰ বাবে ৰাষ্ট্ৰৰ বেদীত মানুহে জীৱন আহুতি দিব পাৰে। স্বতন্ত্ৰতাৰ ক্ষেত্ৰত আদৰ্শবাদী সকলৰ ধাৰণা ইতিবাচক। সৌন্দৰ্য যেনেকৈ অকল কুৎসিত বিহীনতাই নহয় তাৰ লগত কিছু গুণৰো প্ৰয়োজন, তেনেকৈ স্বতন্ত্ৰতাও অবাধ নহয়, মানুহে সীমিতভাৱে পোৱা কিছুমান সা-সুবিধাহে। ই কেৱল মানুহক সমাজৰ মংগল-উদ্দেশী কৰা কামৰ বাবে দিয়া কিছুমান অধিকাৰহে।

জনসাধাৰণৰ ইচ্ছাই হ'ল ৰাষ্ট্ৰৰ মূল ভেঁটি। কোনো শক্তি বা বলৰ দ্বাৰা ৰাষ্ট্ৰৰ ভেঁটি নিৰ্ণয় কৰা নহয়। অৱশ্যে ৰাষ্ট্ৰত সামৰিক বা পুলিচ শক্তিৰ আৱশ্যক আছে যদিও এই শক্তি বৰ তাৎপৰ্যপূৰ্ণ নহয়। প্ৰকৃত শক্তি হ'ল জনসাধাৰণৰ সংকল্পহে। এই সকলো সংকল্পক নিয়ন্ত্ৰণ কৰে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব ক্ষমতাই। ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব ক্ষমতাক সকলোৱে মানি চলিব লাগে। ৰাষ্ট্ৰৰ এই ক্ষমতা বা শক্তিক ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণকাৰী শক্তি সৈনিক বা পুলিচেও মানি চলিব লাগে। শক্তিয়ে ৰাষ্ট্ৰৰ সহযোগিতা, ন্যায় আৰু ন্যায় আচৰণ আদি উপাদান বৃদ্ধিত কিছু বাধা দিয়ে যদিও অধিকাৰে ইয়াক ৰক্ষা কৰে। সেয়ে শক্তিৰ লগত আন কিছুমান অধিকাৰো থাকিব লাগে বুলি আদৰ্শবাদী সকলে উল্লেখ কৰি কৈছে যে ইয়ে ৰাষ্ট্ৰৰ স্থায়িত্ব গঢ় দিয়াত সহায় কৰে। অৱশ্যে এনে শক্তিৰ লগত সম্পৰ্ক থকা আন কিছুমান ভাল মানবীয় গুণো আছে, যেনে স্বদেশ-প্ৰেম। সেয়ে কছোঁই শক্তিশালী মানুহৰ অধিকাৰক সকলো মানুহৰ অধিকাৰ নহয় বুলি উল্লেখ কৰিছে কিয়নো তেনে লোকৰ শক্তি শাৰীৰিক ক্ষমতাও হ'ব পাৰে আৰু শাৰীৰিক ক্ষমতাৰ জৰিয়তে তেনেলোকে কিছুমান অধিকাৰ আদায় কৰি লব পাৰে।

সাধাৰণভাৱে সকলো ব্যক্তিয়েই ৰাষ্ট্ৰক মানি চলিব লাগে। কিন্তু সমালোচনা কৰিব পৰা অধিকাৰো থাকিব লাগে। কিয়নো ব্যক্তি নিজেই সাৰ্বভৌমত্ব ক্ষমতাৰ অধিকাৰী। ব্যক্তিৰ মংগল আৰু উৎকৰ্ষ সাধনত ৰাষ্ট্ৰই সহায় কৰিব লাগিব কিন্তু যেতিয়া ব্যক্তিৰ বিকাশত হস্তক্ষেপ বা অনুৰূপ বাধা হয় তেতিয়া ৰাষ্ট্ৰৰ বিৰুদ্ধে মতামত প্ৰকাশ বা বিদ্ৰোহ কৰাৰ অধিকাৰ আছে। এনে সময়ত ৰাষ্ট্ৰৰ বিৰুদ্ধাচৰণ কৰাটো ব্যক্তিৰ কৰ্তব্য। সেয়ে আদৰ্শবাদী সকলে দুটা পৰিস্থিতিত ব্যক্তিয়ে ৰাষ্ট্ৰৰ বিৰুদ্ধাচৰণ কৰিব পাৰে বুলি মত প্ৰকাশ কৰিছে। প্ৰথমে, যেতিয়া ৰাষ্ট্ৰই এজন ব্যক্তিগত ব্যক্তি হিচাপে কাম কৰে আৰু দ্বিতীয়তে, যেতিয়া ৰাষ্ট্ৰই জনসাধাৰণৰ প্ৰকৃত ইচ্ছা প্ৰকাশত অসমৰ্থ হয়। ইংলণ্ডৰ "গৌৰৱময় বিপ্লৱ" আৰু ফৰাচী বিপ্লৱ এই ক্ষেত্ৰত প্ৰথম বিধ পৰিস্থিতিৰ এটা ভাল উদাহৰণ। এই বিপ্লৱবোৰে ৰাষ্ট্ৰই পালন কৰিবলগীয়া প্ৰকৃত অধিকাৰ সমূহ আনি পূৰ্বৰ চিন্তাধাৰাৰ সংঘৰ্ষ ঘটাইছিল। সেয়ে আদৰ্শবাদী সকলে বিপ্লৱক প্ৰয়োজনীয় ন্যায় সংগত উপায় বুলি মত প্ৰকাশ কৰে। সেয়ে ৰাষ্ট্ৰই জনসাধাৰণৰ স্বাৰ্থৰ বিৰুদ্ধে যাব নালাগে।

ৰাষ্ট্ৰৰ কৰ্তৃপক্ষই সৰ্বসাধাৰণৰ বিবেক, চেতনাৰ সাধাৰণ লক্ষ্য সমূহ বিচাৰি পায় আৰু তেনে

লক্ষ্যত উপনীত হ'বলৈ জনসাধাৰণৰ আত্মায়ক হব লাগে। সেয়ে ৰাষ্ট্ৰক মানি চলিব লাগে; ইয়াৰ যুক্তি সংগত কাৰণ এয়ে যে ৰাষ্ট্ৰৰ অধিকাৰ, নিয়ম সমূহ মানুহৰ মংগলৰ উদ্দেশ্যমুখী আৰু এইবোৰে মানুহৰ প্ৰকৃত আৰু যুক্তি সংগত স্থিতি বুজি পোৱাত সহায় কৰে। তেনে ৰাষ্ট্ৰক মানি চলাৰ অৰ্থ হ'ল সত্য, মহত্ব আৰু নিজৰ যুক্তিক মানি চলা। তেনে ৰাষ্ট্ৰৰ আইনৰ ওচৰত সমৰ্পণ কৰাটোৱে শাস্তিৰ ভয় বা কিছুমান প্ৰথাৰ অন্ধ অনুকৰণ নহয়। সাধাৰণ লক্ষ্যৰ ওপৰত ভিত্তি কৰিয়েই ইয়াক মানি চলা হয়।



স্রবাহব জ্যোতি



# THE UNION EXECUTIVE (1977-78)



SITTING--(L. to R.) M. K. Sarma (Prof. in-charge Jawahar Jyoti), L. K. Sarma (Prof. in-charge Boys Common Room), B. K. Dutta (Vice President), Principal J. C. Nath (President), M. C. Kakati (Prof. in-charge Game & Sports), M. Rahman (Prof. in-charge Debating), M. Sarkar (Secy. Girls Common Room), G. K. Kalita (General Secretary)

STANDING--(L. to R.) S. Das (Choukidar), M. Das (Choukidar), M. K. Das [Secy. Debating), L. Sarkar (Secy. Boys' Common Room), D. K. Choudhury (Secy. Jawahar Jyoti), C. M. Kalita (Secy. Music & Culture), A. C. Bora (Secy Social Service), U. C. Kalita (Secy. Games & Sports), R. C. Medhi (O/A)

# বছৰৰ শ্ৰেষ্ঠ সকল ঃ



মিচ্ চেলিমা খাতুন
বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ
১৯৭৭-৭৮



শ্ৰীধীৰেণ কলিতা
বছৰৰ শ্ৰেষ্ঠ গায়ক
১৯৭৭-৭৮



শ্ৰীসত্যেন্দ্ৰ নাথ বড়া
বছৰৰ শ্ৰেষ্ঠ অভিনেতা
১৯৭৭-৭৮

# সম্পাদকীয়

যুৱ ছাত্ৰ শক্তি ঃ—

যুৱ ছাত্ৰ শক্তি এক মহান শক্তি। ইয়াৰ জৰিয়তে আমি বাসকৰা সমাজ তথা দেশৰ উন্নতি সাধিব পাৰোঁ। এনে শক্তি মংগলময় কামতহে ব্যৱহাৰ কৰিব লাগে। যেই সেই কামত এই শক্তি প্ৰয়োগ কৰি ইয়াক অপচয় কৰা অবাঞ্ছনীয়। এই যুৱ ছাত্ৰসকল হৈছে ভৱিষ্যত দেশৰ কৰ্ণধাৰ। যুৱ ছাত্ৰসকলৰ জৰিয়তে আশাৰ ভূ-স্বৰ্গ ৰচনা কৰিবৰ বাবে শ-শ জনতাই অপেক্ষা কৰি আছে। সেয়ে আমি প্ৰথমতে সৎশিক্ষা আহৰণ কৰি নিজকে একো একোজন সুনাগৰিক কৰি গঢ়ি তুলিব লাগিব। শোষক তথা দুৰ্নীতি পৰায়ণ সকলক প্ৰশ্ৰয় নিদি নতুন সমাজ পাতি শান্তিৰে বসবাস কৰাৰ সুস্থ সবল বাতাবৰণৰ সৃষ্টি আমিয়েই কৰিব লাগিব। এই ক্ষেত্ৰত যাতে কোনো দলীয় ৰাজনীতিৰ তীব্ৰ গোষ্ঠে আকৰ্ষিত নকৰি আমাক বিপথে পৰিচালিত কৰিব নোৱাৰে তাৰ বাবে প্ৰত্যেকজন যুৱ ছাত্ৰই বিশেষ লক্ষ্য ৰাখিব লাগিব।

শিক্ষা ব্যৱস্থা ঃ—

ছাত্ৰ সমাজক সুস্থ সবল নাগৰিক কৰি গঢ়ি তুলিবৰ বাবে শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন কৰাৰ সময় উপস্থিত হৈছে। আজিৰ যুগ বিজ্ঞানৰ যুগ; এই যুগত প্ৰত্যেক শিক্ষানুষ্ঠানতে বিজ্ঞান শিক্ষাৰ বাবে উপযুক্ত সা-সজুলিৰে হাতে কামে শিক্ষাদান দিয়াৰ এয়া উচিত সময়।

নিবনুৱা সমস্যা :-

বৰ্তমান ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে নিবনুৱা সমস্যাৰ এক তাণ্ডৱ লীলাই ভাৰতৰ জনসাধাৰণৰ আৰ্থিক উন্নতিৰ বাটত এক ডাঙৰ প্ৰাচীৰ হিচাপে থিয় দিছে। ইয়াৰ বাবে অকল শাসক গোষ্ঠীক দোষাৰোপ নকৰি সকলোৱে কৰ্ঙালত টঙালি বান্ধি এই সমস্যা সমাধানৰ বাবে সাজু হবৰ হ'ল। তাৰোপৰি শ্ৰমৰ মৰ্যদা অনুসৰি সকলোৱে লাজ কাতি কৰি থৈ নিজক কৰ্মমুখী কৰি তুজিবলৈ যত্নপৰ হলে আমাৰ সমস্যা কিছু পৰিমাণে হলেও সমাধান হব। তাৰোপৰি উৎপাদন ব্যৱস্থা, ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি কৰ্মঠ নিবনুৱাক নিয়োগ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লব লাগে।

নিৰক্ষৰতা দুৰীকৰণ :—

আমাৰ দেশৰ জনসাধাৰণৰ শিক্ষিতৰ হাৰলৈ

চাই দেখিবলৈ পাওঁ যে আমাৰ দেশৰ শতকৰা ২৯.৪ জনহে স্বাক্ষৰ দান কৰিব পৰা ব্যক্তি আৰু বাকীবোৰ নিৰক্ষৰ। এনে ক্ষেত্ৰত এখন দেশে কেতিয়াও আগবাঢ়িব নোৱাৰে। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে নিৰক্ষৰতা দূৰীকৰণৰ বাবে আঁচনি প্ৰস্তুত কৰি তাক কাৰ্যত পৰিণত কৰিবৰ বাবে অগ্ৰসৰ হৈছে। এই আঁচনি অনুসৰি গাঁৱে-ভূঞে নৈশ বিদ্যালয় স্থাপন কৰি স্বাক্ষৰ দানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই আঁচনিৰ প্ৰতি সকলোৱে সহানুভূতি আগবঢ়ালে সফল হোৱাৰ আশা আছে।

সাহিত্য আৰু কলা ঃ—

সাহিত্য কালজয়ী। ইয়াৰ বিনাশ নাই। সাহিত্যৰ জৰিয়তে এটা জাতিৰ সুন্দৰ ছবি দাপোণত দেখাৰ দৰে অতি নিখুঁতভাৱে দেখিবলৈ পাওঁ। সাহিত্য বিহীন জাতি মৃতপ্ৰায়। সাহিত্য, সংস্কৃতি আৰু কলাৰ জৰিয়তে এটা জাতিৰ উন্নতি বিকাশ হোৱাটো সম্ভৱ। আজি বিজ্ঞানৰ অগ্ৰগতিৰ উপৰিও সাহিত্যৰো উন্নতি সাধিব লাগিব। সাহিত্য উচ্চমান বিশিষ্ট হবলৈ হলে গঠনমূলক সমালোচনাৰো আৱশ্যক। সাহিত্যৰ সোঁহাত স্বৰূপ আমাৰ কলা-সংস্কৃতিৰ বিকাশ সাধন কৰিব লাগিব চৰ্চাৰ জৰিয়তে।

মহাবিদ্যালয়ৰ ভিতৰ চ'ৰাঃ—

এই পিচপৰা জনজাতীয় বকো অঞ্চলত বাইজৰ অক্লান্ত পৰিশ্ৰমৰ ফলত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ জন্ম হয়। বয়সৰ ফালৰ পৰা চাবলৈ গলে যদিও ই শিশুকালৰ দেওনা পাৰ হৈছে আৰু অসম চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী পাইছে তথাপি ই অনেক সমস্যাৰ সন্মুখীন নোহোৱা নহয়।

বৰ্তমান মহাবিদ্যালয়ত যদিও কেইটিমান বিষয়ত শিক্ষাদান কৰা হৈছে, ভৱিষ্যতে আৰু নতুন কেইটিমান বিষয়ত শিক্ষা দিয়াৰ ব্যৱস্থা হব লাগে বুলি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। আনন্দৰ বিষয় যে যোৱা ১৯৭৭ চনৰ পৰা অৰ্থনীতি আৰু অসমীয়া বিষয় দুটিত সন্মান শাখা খোলা হৈছে। এই সুযোগতে কৰ্তৃপক্ষৰ লগতে বিভাগীয় চৰকাৰলৈ কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু বাকী থকা বিষয় কেইটিতো সন্মানৰ শাখা খুলি এই পিচপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায়-সহানুভূতি ও অনুপ্ৰেৰণা যোগাব। তাৰোপৰি অদূৰ ভৱিষ্যতত বিজ্ঞানৰ শাখা খোলাৰ ব্যৱস্থা লবলৈও কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

জৱাহৰ জ্যোতি ঃ—

এখন শিক্ষানুষ্ঠানৰ মুখপত্ৰই হৈছে ইয়াৰ বাহিৰ-ভিতৰৰ বাৰ্তাবাহক। সেয়ে সাহিত্য সাধন কৰিবৰ বাবে আমাৰ মহাবিদ্যালয়ত "জৱাহৰ জ্যোতি" নামেৰে এখন আলোচনী আছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ লগতে তেওঁলোকৰ সাহিত্য- প্ৰতিভা বিকাশ কৰিব পাৰে। কিন্তু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনি শক্তি তথা চৰ্চাৰ অভাৱ হেতু পূৰ্ণ এটি বছৰ পাৰ হোৱাৰ পাচতো ইয়াক প্ৰকাশ কৰিবলৈ অপৰাগ হবলগীয়া হয়। দুই তিনিবাৰ জাননী দিয়া সত্বেও কাৰো পৰা লিখনি নাপালে মন

ভাগি পৰাটো স্বাভাৱিক। যি দুই তিনিটা শিতানৰ লিখনি পাওঁ সেইবোৰ প্ৰায়ে নকল, আৰু প্ৰকাশৰ উপযোগী নহয়। ভৱিষ্যতে চৰ্চা আৰু লিখাত অধিক মনোযোগ দি তেওঁলোকৰ লিখনি সমূহ আগবঢ়াই, আলোচনীখন সজাই পৰাই প্ৰকাশ কৰি উলিওৱাত সম্পাদক গৰাকীক সুযোগ দিব বুলি আশা কৰিলোঁ।

নিজস্ব এষাৰ ঃ—

যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ দৃঢ় বিশ্বাস আৰু সহায়-সহযোগত মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনীৰ সম্পাদক হোৱাৰ সুযোগকণ পালোঁ তেওঁলোকলৈ মোৰ আন্তৰিক মৰম ও শুভেচ্ছা যাচিলোঁ। লগতে যিসকল ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক মহোদয়ে তেওঁলোকৰ লিখনি সমূহ আগবঢ়াই আলোচনীখনি প্ৰকাশ কৰাৰ সুযোগ দিলে তেওঁলোকলৈও শ্ৰদ্ধা ও ওলগ যাচিলোঁ। বতৰৰ ফল বতৰত দিব নোৱাৰিলোঁ। আলোচনীখনৰ বাবে গল্প, প্ৰবন্ধ, কবিতা আদি সময়মতে নোপোৱাৰ বাবে আলোচনীখন প্ৰকাশ কৰি হাতত তুলি দিয়াত পলম হ'ল। তাৰবাবে ক্ষমা বিচাৰিছোঁ।

কৃতজ্ঞতা জ্ঞাপন ঃ—

মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰি উলিওৱাত বহুমূলীয়া উপদেশ, পৰামৰ্শ আদিৰে সহায় কৰাৰ বাবে শ্ৰদ্ধাভাজন অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথদেৱলৈ কৃতজ্ঞতা যাচিলোঁ। একাণপতীয়াকৈ লাগি প্ৰবন্ধপাতিবোৰ চকু ফুৰাই দিয়াৰ বাবে অধ্যাপক বসন্ত কুমাৰ দত্ত, অধ্যাপক দিলীপ কুমাৰ দাস আৰু অধ্যাপক খগেশ সেন ডেকাৰ ওচৰত মই চিৰ কৃতজ্ঞ। প্ৰবন্ধ-পাতিবোৰ ভালদৰে চকু ফুৰাই সকলো সময়তে দিহা পৰামৰ্শ দি "জৱাহৰ জ্যোতি" জ্বলোৱাত উৎসাহ দিয়াৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মাদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিভিন্ন দিশত সহায়-সহানুভূতি আৰু প্ৰবন্ধ-পাতিৰ পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়াৰ বাবে হংসধৰ দৈমাৰী, ভাৰত চৌধুৰী, ব্ৰজেন্দ্ৰ তালুকদাৰ, তাৰিণী বড়ো, নলিনী কলিতা, চামাদ আলী, পবিত্ৰ ঠাকুৰীয়া, ধ্ৰুৱজ্যোতি চৌধুৰী, মঞ্জুলা দাস, নিৰুপমা চৌধুৰী, নলিনী চৌধুৰী, খুচিদা আহমেদ, জাহানাৰা বেগম, ৰঞ্জুবাণী কলিতা, ইয়াচিফুন্‌ নেচা, সাবিত্ৰী কলিতা, নিভা হাজৰিকা, কস্তুৰী পাটগিৰি আৰু চেলিমা বেগমলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ।

সদৌ শেষত যিসকল অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীয়ে পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে সহায় আগবঢ়ালে আৰু বকো শ্ৰীকৃষ্ণ প্ৰিণ্টিং প্ৰেছৰ কৰ্মীবৃন্দই অশেষ শ্ৰম আৰু কষ্টেৰে আলোচনীখন ছপা কৰি উলিয়ালে তেওঁলোকলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

চিৰ চেনেহী ভাষা জননীৰ বেদী পোহৰ কৰক "জৱাহৰ জ্যোতিয়ে"। শেষত মহাবিদ্যালয়ৰ উত্তোৰত্তৰ শ্ৰীবৃদ্ধি আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

"জয়তু জৱাহৰ জ্যোতি"

ধন্যবাদেৰে—

ধীৰেন্দ্ৰ কুমাৰ চৌধুৰী,
সম্পাদক,
আলোচনী।

# —সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে এই মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা আৰু সকলো ন-পুৰণি ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। বকো জৱাহৰ লাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতাও জ্ঞাপন কৰিছোঁ।

আমাৰ দু আষাৰঃ সমাজ হৈছে ব্যক্তিৰ সমষ্টি। সমাজ জীৱনৰ অভিজ্ঞতা আৰু জ্ঞানেই হ'ল মানৱ সভ্যতাৰ অগ্ৰগতিৰ মাপকাঠি। সমাজ কেতিয়াও মুষ্টিমেয় ব্যক্তিৰ ওপৰত নিৰ্ভৰশীল হব নোৱাৰে। সমাজে অগ্ৰগতি লাভ কৰে যৌথ প্ৰচেষ্টাত। মানুহৰ যৌথ প্ৰচেষ্টাই বিশ্বৰ ইতিহাসৰ ধাৰা পৰিবৰ্তন কৰাৰ উদাহৰণ অসংখ্য আছে। কিন্তু কিছুমান স্বাৰ্থপৰ ব্যক্তিয়ে সমাজৰ অগ্ৰগতিৰ প্ৰধান প্ৰবক্তা হিচাপে নিজক প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰে। কিন্তু সেই প্ৰচেষ্টা ক্ষণস্থায়ী। সেয়েহে ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত আস্থা নাৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকসকলৰ পৰস্পৰৰ ভাব আৰু চিন্তাৰ সমন্বয় ৰক্ষা কৰি আমাৰ এই পিচপৰা অঞ্চলৰ মহাবিদ্যালয় খনৰ সৰ্বাঙ্গীন উন্নতিৰ চেষ্টা কৰা আমাৰ লক্ষ্য হোৱা উচিত।

আমি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাক পাঠ্য পুথিৰ মাজত আৱদ্ধ ৰাখি একমাত্ৰ জীৱিকাৰ বাহন হিচাপে ব্যৱহাৰ কৰা অনুচিত। আমি পূৰ্ণাঙ্গ জ্ঞান লাভ কৰিব পাৰোঁ সমাজৰ সমস্যাৰ সম্যক উপলব্ধিৰ মাধ্যমত। আজি আমাৰ সমাজখন অৰ্থনৈতিক সমস্যাৰে জৰ্জৰিত। এই অৰ্থনৈতিক সংকটৰ লগত বৰ্তমান শিক্ষা ব্যৱস্থা ৰোগগ্ৰস্ত। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলক সবিনয়ে নিবেদন কৰোঁ যাতে তেওঁলোকে নিজৰ অধ্যয়নৰ লগে লগে সমাজৰ মৌলিক সমস্যাৰ প্ৰতি সজাগ দৃষ্টি ৰাখি তাৰ বৈজ্ঞানিক সমাধানৰ পথত আগবাঢ়ি আহে। ছাত্ৰ হ'ল সমাজৰ সৰ্বশ্ৰেষ্ঠ প্ৰগতিশীল অংশ। গতিকে আমাৰ সমাজৰ নিৰক্ষৰ আৰু শোষিত মানুহখিনিৰ পথ প্ৰদৰ্শকৰ ভূমিকা লোৱা ছাত্ৰসকলৰ এটি ঐতিহাসিক কৰ্তব্য। এনে অৱস্থাত সমাজৰ মৌলিক আৰু জ্বলন্ত সমস্যাৰ পৰা পলায়ন কৰাটো আমাৰ হব আত্মাহনন আৰু আত্মপ্ৰৱঞ্চনা।

উৎসৱ সমাৰোহঃ গতানুগতিকতাৰ দৰে মোৰ কাৰ্যকাল চোৱাও আৰম্ভ হৈছিল 'বছৰেকীয়া কলেজ সপ্তাহেৰে'। এই কলেজ সপ্তাহ ২।১।৭৮ ইং তাৰিখৰ পৰা ৫।১।৭৮ ইং তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে বৰ উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছিল। কলেজ সপ্তাহৰ পতাকা উত্তোলন কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। ইয়াৰ পিচতে কলেজ সপ্তাহৰ বিভিন্ন কাৰ্যসূচী আৰম্ভ হয়। সন্ধিয়া ৬-৩০ বজাত সাংস্কৃতিক প্ৰতিযোগিতাখিনি উদ্বোধন কৰে প্ৰাক্তন

সচিব শ্ৰীযুত অচ্যুত কান্ত অধিকাৰীদেৱে। এই খিনিতে তেখেতলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কলেজ সপ্তাহৰ বিভিন্ন কাৰ্য্যক্ৰমত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীসকলে উপস্থিত থাকি অনুষ্ঠান সমূহ সুকলমে চলাই নিয়াত সহায় কৰে। মুকলি অধিবেশনত মুখ্য অতিথি হিচাপে যোগদান কৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গজেন্দ্ৰ নাথ ঠাকুৰীয়াই। এইখিনিতে তেখেতলৈকেও আমাৰ শলাগৰ শৰাই আগবঢ়ালোঁ। আন বাৰৰ দৰে এইবাৰো সৰস্বতী পূজা, স্বাধীনতা দিৱস আদি পালন কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ অভাৱ অভিযোগ ঃ— ১৯৬৪ চনতে স্থাপিত হোৱা বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে শৈশৱকাল অতিক্ৰম কৰি যৌৱনৰ দুৱাৰ দলিত প্ৰৱেশ কৰিছে। তথাপি এশ-এবুৰি সমস্যাৰে নিমগ্ন থকাত এই মহাবিদ্যালয়খনে যৌৱনৰ উচ্ছ্বাস ভোগ কৰিবলৈ সুবিধা পোৱা নাই। মাত্ৰ কেইটিমান সীমিত বিষয়ৰে মহাবিদ্যালয়ৰ পাঠদান চলি আছে। আজিৰ যুগ বিজ্ঞানৰ যুগ। প্ৰযুক্তি বিদ্যাৰ যুগ। এনে অৱস্থাত আমাৰ পিছপৰা অঞ্চলটো বিজ্ঞানৰ সুফলৰ পৰা বঞ্চিত কৰি ৰখাটো পৰিতাপৰ কথা। সেয়েহে আমাৰ মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ অত্যন্ত দৰকাৰ। লগতে গণিত, ভূগোল, তৰ্ক, বাণিজ্য, নৃতত্ত্ব, শিক্ষা আদি বিষয়ৰ বিভাগ খোলা অতি প্ৰয়োজন। মহাবিদ্যালয়ৰ নিজা এটি প্ৰেক্ষাগৃহ আৰু ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ দৰ্কাৰ। কিন্তু এইবিলাক দাবী পূৰণ কৰাত কৰ্তৃপক্ষৰ ধনৰ অভাৱটো আমি বুজো। সেইবুলি হাত সাবটি বহি থাকিলেই কোনো লক্ষ্য সাধন কৰিব নোৱাৰি। গতিকে কলেজ কৰ্তৃপক্ষই এই দাবীবিলাক পূৰণ কৰাৰ কাৰণে আমাৰ চৰকাৰৰ লগত সক্ৰিয় যোগাযোগ ৰক্ষা কৰাৰ নিতান্ত আৱশ্যক। ভৱিষ্যত কৰ্তৃপক্ষই যাতে এই অভাৱবোৰ পূৰণ কৰাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে তাৰ প্ৰতি আশা ৰাখিলোঁ।

শ্ৰদ্ধাঞ্জলি জ্ঞাপন :- ১৯৭৭-৭৮ চনতো ভাৰত তথা অসমৰ বাবে আছিল অতি দুৰ্ভাগ্যজনক। কিয়নো এই কালছোৱাতে বহুতো আগশাৰীৰ শিল্পী, সাহিত্যক তথা বিদগ্ধ পণ্ডিতৰ আকস্মিক বিয়োগে জনসাধাৰণৰ মনত এক শোকৰ ছাঁ পেলাই গৈছে। তেওঁলোক যথাক্ৰমে সাহিত্যিক আইতা শ্ৰীযুতা নলিনী বালা দেৱী, চিৰকুমাৰ ককা নীলমনি ফুকন, সুৰকাৰ জয়ন্ত হাজৰিকা, সাহিত্যিক তথা আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মা, আৰু লগতে সোঁৱৰিছো জ্ঞাত, অজ্ঞাত বিশ্বৰ অসংখ্য মেহনতী জনতাৰ অকাল মৃত্যুক।

কৃতজ্ঞতা জ্ঞাপন ঃ— মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন কাম-কাজত দিহা পৰামৰ্শ দিয়াৰ বাবে মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সভাপতি অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱলৈ আৰু উপাধ্যক্ষ শ্ৰীযুত বসন্ত দত্তলৈ আন্তৰিক শলাগৰ শৰাই আগবঢ়ালোঁ। তেওঁলোকৰ সৎ উপদেশ আৰু আৰু পৰামৰ্শৰ সহায়ত মই যি কাম সুচাৰুৰূপে চলাবলৈ সমৰ্থ হৈছিলোঁ তাৰবাবে তেওঁলোকলৈ এই প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তদুপৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকললৈ আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে আমাৰ কাৰ্যকাল হোৱা সুকলমে চলাই নিয়াত সহায় কৰিলে তেওঁলোকলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলোঁ। সদৌ শেষত আমাৰ ছাত্ৰ-একতা সভাৰ সদস্য সকললৈ কৃতজ্ঞতা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা অভিনন্দন জনাই বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।

ছাত্ৰ একতা সভা।

ধন্যবাদেৰে—

শ্ৰীগিৰীশ কুমাৰ কলিতা,

সাধাৰণ সম্পাদক।

## সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন—

আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে মোক এই মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদত অধিষ্ঠিত কৰি সেৱা আগবঢ়োৱাৰ সুযোগকণ দিছে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সকলোৱে জানে যে—"সংসাৰ মৰুভূমিত গান সৰোবৰ।" সঙ্গীত ভাল নোপোৱা মানুহ পৃথিৱীত নাই। জীৱ-জন্তু সকলোৱে সঙ্গীতৰ মূৰ্চ্ছনাত তন্ময় হয়। সঙ্গীত জাতি একোটাৰ ইতিহাস স্বৰূপ। ইয়াত মানৱে বিচাৰি পায় চেনেহ, ভক্তি, বহুত আশা, অনেক তৃপ্তি, কল্পনা আৰু বহুতো।

বিগত কেইবছৰৰ দৰে এই বাৰো আমাৰ কলেজত চাৰিদিনীয়া কাৰ্যসূচীৰে 'বছৰেকীয়া কলেজ সপ্তাহ' পালন কৰা হয়। ইয়াত বিভিন্ন গীত-মাত, আবৃত্তি, কৌতুক অভিনয়ৰ লগতে একাঙ্কীকা নাট প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগীৰ সংখ্যা কিছু কম হলেও সাংস্কৃতিক অনুষ্ঠান কেইখন নিম্ন মানবিশিষ্ট হোৱা নাছিল। প্ৰথমবাৰৰ কাৰণে এইবাৰ আমাৰ কলেজত সাংস্কৃতিক বিভাগৰ জৰিয়তে এখনি চিত্ৰাঙ্কণ প্ৰতিযোগিতা পতা হৈছিল। কিন্তু বৰ পৰিতাপৰ কথা যে ইয়াত কোনো প্ৰতিযোগীয়েই আগবাঢ়ি নাহিল।

মহাবিদ্যালয়ৰ বাৰ্ষিক 'কলেজ সপ্তাহ'ৰ সাংস্কৃতিক অনুষ্ঠান পতা হয় বকো বা-ৰাতৰি কেন্দ্ৰত। প্ৰথম নিশাৰ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে বকো হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক শ্ৰীযুত অচ্যুত কান্ত অধিকাৰীদেৱে। তেখেতলৈ আমাৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সামৰণি সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ বাহিৰেও কেইজনমান স্থানীয় শিল্পীয়ে গীত পৰিবেশন কৰি সাংস্কৃতিক অনুষ্ঠানটি আকৰ্ষণীয় কৰি তোলে। এই স্থানীয় শিল্পীসকললৈও কৃতজ্ঞতা জনালোঁ

এইবেলি গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ 'যুৱবাণী' অনুষ্ঠানত প্ৰচাৰ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত বিভিন্ন ধৰণৰ কেইটিমান নিৰ্বাচিত গীত-মাত বাণীবদ্ধ কৰা হয়। সেয়ে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ কৰ্মীসকললৈ আৰু গীত-মাতত অংশ গ্ৰহণ কৰি কলেজৰ

গৌৰৱ বঢ়োৱা ছাত্র-ছাত্রীসকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যোৱা বছৰৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত "শিল্পী দিৱস" উপলক্ষে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছিল। কিন্তু বিশেষ অসুবিধাৰ কাৰণে "শিল্পী দিৱস" পালিব পৰা নগ'ল। ইয়াৰ কাৰণে সঁচাকৈয়ে আমি দুখিত। এইখিনিতে ভৱিষ্যতৰ সাংস্কৃতিক সম্পাদক সকললৈ অনুৰোধ জনাওঁ যেন তেওঁলোকে এই পৱিত্ৰ শিল্পী দিৱসটো গুৰুত্বসহ উদ্‌যাপন কৰিবলৈ লয়।

উল্লেখ নকৰি নোৱাৰি যে বহুতো অভাৱ অভিযোগ আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোত অগ্ৰগতি লাভ কৰিব পৰা নাই। সংগীতৰ বিকাশৰ কাৰণে যিখিনি বাদ্যযন্ত্ৰৰ আৱশ্যক সেইখিনি আমাৰ মহাবিদ্যালয়ত নাই বুলিলেই হয়। অন্ততঃ আৰু কেইবিধমান নতুন বাদ্যযন্ত্ৰ হলে সংগীতৰ দিশত বহুখিনি উন্নতি হোৱাৰ আশা আছে। গতি কেইবিধমান বাদ্যযন্ত্ৰৰ অভাৱ পূৰণ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ। আমাৰ মহাবিদ্যালয়ৰ সংগীতানুৰাগী ছাত্র-ছাত্রীসকলে সঙ্গীত তথা নাটক অনুশীলন কৰাৰ কাৰণে যথেষ্ট অসুবিধা ভোগ কৰিব লাগে। শ্ৰেণী চলি থাকিলে সাংস্কৃতিক দিশটো স্থগিত ৰাখিব লগা হয়। গতিকে জিৰণি কোঠাতেই সংগীত আদি চৰ্চ্চা কৰিব পৰাকৈ এটি সুকীয়া কোঠাৰ ব্যৱস্থা কৰ্তৃপক্ষই অনতিপলমে কৰে যেন। এইবেলি কলেজ সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানত অস্থায়ী মঞ্চৰ ব্যৱস্থা কৰাত সঁচাকৈয়ে খুব কষ্ট আৰু অসুবিধা ভোগ কৰিব লগা হৈছিল। গতিকে আমাৰ কলেজত স্থায়ীয়েই হওক বা অস্থায়ীয়েই হওক এটি প্ৰেক্ষাগৃহৰ আৱশ্যক বুলি ভাবো।

বিভাগীয় কাম কাজ সুকলমে চলোৱাত দিহা পৰামৰ্শ দি মোক উৎসাহিত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ নাথ দেৱ আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত শৰৎ চন্দ্ৰ তালুকদাৰদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে যিসকল ছাত্র-ছাত্রী, বন্ধু-বান্ধৱীয়ে মোৰ বিভাগীয় কাম-কাজ চলোৱাত মোলৈ বিশেষ ভাৱে সহায়-সহযোগিতা আৰু উৎসাহ আগবঢ়াইছিল তেওঁলোকলৈও মোৰ আন্তৰিক শৰাগ আগবঢ়াইছোঁ।

সদৌ শেষত মোৰ জ্ঞাত আৰু অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি সমূহ ছাত্র-ছাত্রী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ। এই সংগীত অনুষ্ঠানটিৰ উন্নতি কামনা কৰি আৰু 'জৱাহৰ জ্যোতি'ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—
শ্ৰীচিত্তমোহন কলিতা।
সম্পাদক,
সাংস্কৃতিক বিভাগ।

* * *

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক সমাজ সেৱা বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰাত সহযোগিতা আগবঢ়াইছিল তেওঁলোকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকাল চোৱাত মই মোৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰিছোঁ নে নাই সেইটো তেওঁলোকৰ বিচাৰ্য।

সমাজ সেৱা যে শিক্ষাৰ এটি অপৰিহাৰ্য অঙ্গ সেইটো কোৱা নিষ্প্ৰয়োজন। সমাজ সেৱাৰ লগতে মানৱ জীৱনৰ কৰ্ম অভিজ্ঞতা অতি নিবিড় ভাৱে জৰিত। এই কথাৰ গুৰুত্ব উপলব্ধি কৰিয়েই বৰ্তমান চৰকাৰে তথা শিক্ষা বিভাগে ছাত্ৰ-ছাত্ৰী সকলে যাতে সমাজ সেৱাৰ লগতে গ্ৰাম্য উন্নয়ণ মূলক বিভিন্ন ধৰণৰ কৰ্ম অভিজ্ঞতা লাভ কৰিব পাৰে তাৰ বাবে 'জাতীয় সেৱা আঁচনি' (National Service Scheme) নামেৰে এটি বিভাগ খুলিছে। এই আঁচনিৰ উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলে গাওঁৰ ভিতৰুৱা অঞ্চললৈ গৈ গাওঁৰ নিৰক্ষৰ মানুহক লগ ধৰি তেওঁলোকক বিভিন্ন ধৰণৰ শিক্ষাদান দিয়াৰ উপৰিও হাতে কামে লাগি সহায় সহযোগিতা পৰামৰ্শ আদি আগবঢ়োৱা।

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ে এপ্ৰিলৰ ৭ (সাত) তাৰিখৰ পৰা ১১ (এঘাৰ) তাৰিখলৈকে পাঁচদিনীয়া N. S. S.ৰ এটি প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছিল। সেই শিবিৰত অসমৰ বহুতো মহাবিদ্যালয়ৰ লগতে আমাৰ মহাবিদ্যালয়েও যোগদান কৰিছিল।

আমাৰ মহাবিদ্যালয়তো ১২ অক্টোবৰৰ পৰা ২০ অক্টোবৰলৈ জাতীয় সেৱা শিবিৰ পতা হৈছিল। এই শিবিৰত বহুতো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে অংশ গ্ৰহণ কৰে। এইখিনিতে উল্লেখ কৰাটো অপ্ৰাসংগিক নহ'ব যে শিবিৰত অংশ গ্ৰহণ কৰা বন্ধুসকলে (১) বকো ছোৱালী হাইস্কুলৰ চৌহদ (২) চকাৰ হা গাওঁ (৩) পাখাৰা পাৰা গাওঁ (৪) আমাৰ মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰৰ ৰাস্তা আৰু (৫) মহাবিদ্যালয়ৰ Horticulture Farm আদিৰ কাম প্ৰশংসনীয় ধৰণে কৰিবলৈ সক্ষম হয়। এই শিবিৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল তেওঁলোকক পুৰস্কৃত কৰাও হয়।

উপৰোক্ত শিবিৰ পাতি সমাজ-সেৱা আগবঢ়োৱাৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ চৌহদতো সময়ে সময়ে সামূহিক কামৰো আয়োজন কৰা হয়। উদাহৰণ স্বৰূপে মহাবিদ্যালয়ৰ সন্মুখত থকা কল,

আনাৰস, নেমু আদিৰ গছেৰে পৰিপূৰ্ণ বাগিচাখনত আৰু মহাবিদ্যালয়ৰ খেল-পথাৰখনত কেবাবাৰো কাম কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ বছৰেকীয়া কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা সমাজ- সেৱা প্ৰতিযোগিতাত মুঠ ১০ জন ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়। তাৰোপৰি আন ১০ জন ছাত্ৰ-ছাত্ৰীক যোগ্যতা-পত্ৰও প্ৰদান কৰা হয়।

সৰ্বশেষত মোৰ কামৰ বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দিলীপ কুমাৰ দাস আৰু জাতীয় সেৱা আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মদন চন্দ্ৰ কাকতি দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে বন্ধু শ্ৰীভবেন চন্দ্ৰ ঠাকুৰীয়া আৰু শ্ৰীৰামধন বড়োই মোৰ কামত নানা প্ৰকাৰে সহায় কৰা বাবে তেখেতসকলৰ শলাগ নলৈ নোৱাৰিলোঁ।

সদৌশেষত মোৰ জ্ঞাত বা অজ্ঞাত দোষ-ত্ৰুটিৰ বাবে ক্ষমা খুজি মোৰ প্ৰতিবেদনৰ মোখনী মাৰিলোঁ।

ধন্যবাদেৰে—

শ্ৰীঅৰ্জুন চন্দ্ৰ বড়ো।

সম্পাদক,

সমাজ সেৱা বিভাগ।

***

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—

জয় জয়তে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক ১৯৭৭-'৭৮ চনৰ ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াত মই তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আনহাতে যিসকল বন্ধু-বান্ধৱীৰ সহায়-সহানুভূতি আৰু উৎসাহ -উদ্দীপনা পাই বিভাগীয় কাম-কাজ সুকলমে পৰিচালনা কৰিবলৈ সক্ষম হৈছোঁ তেওঁলোকলৈও মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

কৰ্মবহুল পৃথিৱীত কাম-কাজ কৰি যেতিয়া মানুহে ভাগৰি পৰে তেতিয়া প্ৰয়োজন হয় জিৰণি লোৱাৰ। ক্ষন্তেকীয়া জিৰণিৰ মাজেদি পৰিশ্ৰান্ত দেহত আকৌ জাগি উঠে নতুন প্ৰেৰণা। সেয়ে আমাৰ কলেজৰ ছাত্ৰসকলে Class কৰাৰ পিচত

আজৰি সময়খিনি কটাই দিবৰ কাৰণে এটি সুকীয়া জিৰণি কোঠাৰ আৱশ্যক। অৱশ্যে কর্তৃপক্ষই জিৰণি কোঠাৰ প্রয়োজনীয় খেলৰ সামগ্রী সমূহ যোগান ধৰিব পৰা নাই যদিও সীমিত অর্থৰ মাজেদি কেৰম বর্ড, বেড্‌মিণ্টন আদিৰ যোগান ধৰিছে।

জিৰণি কোঠাৰ প্ৰয়োজনীয় খেলৰ সামগ্রীৰ ভিতৰত 'টেবুল টেনিচ'ৰ ছাত্র-ছাত্রীসকলে বেচিকৈ অনুভৱ কৰে, গতিকে কলেজ কর্তৃপক্ষৰ ওচৰত মোৰ অনুৰোধ যাতে Indoor Games ৰ খেলৰ যাৱতীয় সামগ্রী সমূহৰ যোগান ধৰি ছাত্রসকলৰ প্রতিভা বিকাশ সাধনৰ পথ মুকলি কৰি দিয়ে।

মোৰ এই এবছৰীয়া কাৰ্য্য-কাল ছোৱাত মই কিমানখিনি কৃতকাৰ্য্যতা লাভ কৰিব পাৰিছোঁ সেইটো ছাত্ৰ-ছাত্রী, বন্ধু-বান্ধৱীসকলৰ বিচাৰ্য।

কৃতজ্ঞতা স্বীকাৰ :—

সদৌ শেষত জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্রীলক্ষ্মী কান্ত শর্মাদেৱে মোক বিভিন্ন দিশত দিহা-পৰামর্শ দিয়াৰ বাবে তেখেতৰ ওচৰত মই চিৰ-কৃতজ্ঞ। আনফালে যিসকল ছাত্র বন্ধুৱে Indoor Games ৰ খেল পৰিচালনা কৰাত মোলৈ সহায়-সহযোগিতা আগবঢ়াইছিল তেওঁলোকৰ ওচৰতো মই চিৰকৃতজ্ঞ। সদৌ শেষত মই জ্ঞাত বা অজ্ঞাত ভাবে হৈ যোৱা ক্রুটিৰ বাবে ক্ষমা প্রার্থনা কৰি মোৰ প্রতিবেদনৰ মোখনী মাৰিলোঁ।

ধন্যবাদেৰে,
লোহিত সৰকাৰ,
ছাত্র জিৰণি কোঠাৰ সম্পাদক,

# ক্রীড়া সম্পাদকৰ প্ৰতিবেদন—

জয় জয়ন্তে যিসকল ছাত্র ছাত্রীৰ সহায়-সহানুভূতিত মই বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদক হোৱাৰ সুবিধাকণ পাইছোঁ সেই সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বছৰটোত খেল বিভাগৰ দায়িত্ব মই কেনেভাবে পালন কৰিলোঁ সেইখিনি ছাত্র-ছাত্রী, বন্ধু-বান্ধৱী সকলৰ বিচাৰ্য।

বর্তমানে কলেজত থকা খেলৰ সা-সজুলিখিনিৰ যদি উপযুক্ত ব্যৱহাৰ কৰি ছাত্র-ছাত্রীসকলে নিয়মিতভাৱে অনুশীলন কৰে তেন্তে কলেজখনৰ খেল-ধেমালিৰ মানদণ্ড বহুখিনি উচ্চ পৰ্য্যায়ৰ হব বুলি আশা কৰিব পাৰি। বর্তমানে কলেজ খেল-পথাৰখনো খেলৰ কাৰণে যথেষ্ট উপযোগী হৈছে। সেয়েহে ছাত্র-ছাত্রীসকলে নিয়মীয়াভাৱে অনুশীলন কৰা দৰ্কাৰ যাতে কলেজ তথা গোটেই অঞ্চলটোৰ খেলা ''লাৰ মানদণ্ড উন্নত হয় আৰু লগতে বাজ্যিক ্যায়ৰ খেলাৰু এই কলেজৰ পৰাই ওলায়।

বছৰেকীয়া কলেজ মহোৎসৱৰ খেল-ধেমালি আদিত সহায় কৰাৰ বাবে মাননীয় অধ্যাপক মজিবুৰ ৰহমান দেৱক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মই সম্পাদক হিচাপে কাৰ্য্যভাৰ

গ্ৰহণ কৰাৰ পৰা সকলো সময়তে মোক দিহা-পৰামৰ্শৰে সহায় কৰা বাবে মই বিভাগীয় অধ্যাপক মাননীয় শ্ৰীমদন চন্দ্ৰ কাকতি দেৱক মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়াইছোঁ। সেইদৰে বছৰটোত বিভিন্ন ক্ষানৰ পৰা মোলৈ সহায়-সহযোগিতা আগবঢ়োৱা বাবে সৰ্বশ্ৰী প্ৰফুল্ল কলিতা, ভবেন্দ্ৰ কলিতা, ফুলেশ্বৰ কলিতা আৰু মমত কলিতাৰ মই শলাগ লৈছোঁ।

সৰ্বশেষত কলেজৰ খেল-ধেমালিৰ উত্তোৰত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

শ্ৰীউত্তম চন্দ্ৰ কলিতা
সম্পাদক,
ক্ৰীড়া বিভাগ।

# তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদকৰ প্ৰতিবেদন—

বিনা প্ৰতিদ্বন্দ্বিতাৰে মহাবিদ্যালয়ৰ তৰ্ক সভা আৰু আলোচনা চক্ৰৰ সম্পাদক নিৰ্বাচিত হৈ বাৰ্ষিক প্ৰতিবেদনৰ দুৱাৰ মুকলি কৰাৰ গৌৰৱ অৰ্জন কৰাৰ মূলতে হ'ল এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ সহায় সহযোগ আৰু সহানুভূতি। ইয়াৰ কাৰণে তেওঁলোকলৈ মই শলাগৰ শৰাই আগবঢ়ালোঁ। এই এধানিমান সুযোগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সমূহ অধ্যাপক বৃন্দলৈও মোৰ আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জনাইছোঁ।

এজন ভাল তাৰ্কিক হিচাপে কীৰ্তি অৰ্জন কৰিবলৈ হলে ছাত্ৰ অৱস্থাৰ পৰা বক্তৃতা দিবলৈ অভ্যাস কৰাটো নিতান্ত প্ৰয়োজন। পৈণত বয়সত ইয়াক আয়ত্ত কৰা দুৰূহ। আনহাতে আমাৰ ৰাষ্ট্ৰ গণতন্ত্ৰৰ ভেটিত প্ৰতিষ্ঠিত। এই গণতন্ত্ৰত নিজৰ মতামত দাঙি ধৰাৰ অধিকাৰ প্ৰত্যেক নাগৰিকৰে আছে। বিপথগামী ৰাষ্ট্ৰ এখনক কল্যাণ কামী ৰাষ্ট্ৰ হিচাপে সু-প্ৰতিষ্ঠিত কৰিবলৈ হ'লে নিজকে সুবক্তা আৰু সৎ সাহসী কৰি গঢ়ি তুলিব লাগিব। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল ভৱিষ্যতে একো একোজন শ্ৰেষ্ঠ তাৰ্কিক হবলৈ অভ্যাস কৰক। এই মানসেৰে মই মোৰ কৰ্তব্যত আগবাঢ়িবলৈ চেষ্টাৰ ত্ৰুটী কৰা নাই। [illegible] মোৰ চেষ্টা বাস্তৱত ৰূপায়িত কৰাত [illegible]মানখিনি কৃতকাৰ্য হব পাৰিছোঁ সেইখিনি তেওঁলোকৰ বিচাৰ্য। আজিৰ বস্তুবাদী সমাজত অকল পুথিগত বিদ্যাই যথেষ্ট নহয়। পাঠ্য পুথিৰ পৰা লাভ কৰা জ্ঞানৰ জৰিয়তে আমি

প্ৰকৃত জ্ঞানী হব নোৱাৰোঁ।

আজিৰ ছাত্ৰ ভবিষ্যত দেশৰ ধ্বৰণী স্বৰূপ। ছাত্ৰ অৱস্থাৰ পৰাই নিজকে প্ৰকৃত শিক্ষিত কৰি গঢ়ি তুলিব নোৱাৰিলে কৃতকাৰ্য্যতাৰ পৰা বিমুখ হব লাগিব। সেয়ে ছাত্ৰ অৱস্থাৰ পৰাই পূৰ্ণাংগ জীৱন বিকাশৰ আহিলা সমূহৰ অভ্যাস কৰাটো একান্ত প্ৰয়োজন।

আন আন বছৰৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত বিভিন্ন কাৰ্য্যসূচীৰে 'কলেজ সপ্তাহ' পালন কৰা হয়। অইন বিভাগীয় কাৰ্য্যসূচীৰ দৰে তৰ্ক সভা, আকস্মিক বক্তৃতা, কুইজ্ আদি প্ৰতিযোগিতা পতা হয়। উচ্চমান বিশিষ্ট এই প্ৰতিযোগিতা সমূহৰ দুৱাৰ মুকলি কৰে কেবা-গৰাকী অধ্যাপকে। তৰ্ক সভা প্ৰতিযোগিতাৰ দুৱাৰ মুকলি কৰে অধ্যাপক শ্ৰীদেবেন্দ্ৰ নাথ শৰ্মা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা উদ্বোধন কৰে অধ্যাপক শ্ৰীদীনেশ চন্দ্ৰ শৰ্মা আৰু কুইজ্ প্ৰতিযোগিতাৰ দ্বাৰ উদ্‌ঘাটন কৰে অধ্যাপক শ্ৰীশৰৎ চন্দ্ৰ তালুকদাৰ দেৱে। তেখেতসকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এইবাৰ প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা অধিক হৈছিল যদিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত অতি তাকৰ। প্ৰতিযোগিতাত লক্ষ্য কৰিবলগীয়া কথা যে প্ৰতিযোগিতাৰ সময়ত প্ৰতিযোগীৰ বাহিৰে মহাবিদ্যালয়ৰ আন ছাত্ৰ-ছাত্ৰীক প্ৰায়ে উপস্থিত থকা দেখিবলৈ পোৱা নাযায়। এইটো তেওঁলোকৰ এটা দোষ বুলিয়েই কব খোজোঁ। ভবিষ্যতলৈ আমাৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলোলৈ মোৰ এটি অনুৰোধ যাতে তেওঁলোকে এনেবোৰ সভা সমিতি বা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে আৰু এনে অনুষ্ঠানৰ মৰ্য্যাদাও অটুট ৰাখে।

সম্পাদকৰ পদত থকা সময়ছোৱাত কৰ্তব্য পালন কৰাত মই কেতিয়াও অৱহেলা কৰা নাই যদিও এই কামত কেতিয়াবা অজানিতে বহুতো ভুল-ভ্ৰান্তি হৈ যাব পাৰে। তাৰবাবে মই ক্ষমা মাগিছোঁ।

বিভাগীয় কাম-কাজৰ বিভিন্ন দিশত সকলো সময়তে দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক মঃ মজিবৰ ৰহমান চাহাবৰ ওচৰত মই চিৰকৃতজ্ঞ।

শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমানৰ প্ৰতিযোগিতামূলক জীৱন ধাৰাৰ প্ৰতিটো দিশত অংশ গ্ৰহণ কৰি নিজ নিজ সাহস, বাক্‌পটুতা, বুদ্ধি-বৃত্তি আদি বিকাশত যত্নৰ ত্ৰুটি নকৰিব বুলি আশা ৰাখিলোঁ। সদৌশেষত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক বৃন্দলৈ আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলোলৈ অভিনন্দন জনাই আৰু মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জৰাহৰ জ্যোতি" !!! জিন্দাবাদ।

ধন্যবাদেৰে—

শ্ৰীমহেন্দ্ৰ কুমাৰ দাস।

সম্পাদক,

তৰ্ক সভা আৰু আলোচনা চক্ৰ।

★★★

# ॥ মহাবিদ্যালয় সপ্তাহ—১৯৭৭-'৭৮॥

## জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।

### —ঃক্ৰীড়া বিভাগঃ—

#### লৰাৰ

চট্ পুট

প্ৰথম ঃ বিষয় ৰাভা,

দ্বিতীয় ঃ ভবেন চন্দ্ৰ ঠাকুৰীয়া

জেভ্লিন থ্ৰো

প্ৰথম ঃ ভবেন চন্দ্ৰ ঠাকুৰীয়া

দ্বিতীয় ঃ বিষয় ৰাভা

লং জাম্প

প্ৰথম ঃ মোহন কলিতা

দ্বিতীয় ঃ উত্তম কলিতা

প'ল ভ'ল্ট্

প্ৰথম ঃ লবন কলিতা

দ্বিতীয় ঃ চামাদ আলী

হপ ষ্টেপ্ এণ্ড জাম্প

প্ৰথম ঃ বিষয় ৰাভা

দ্বিতীয় ঃ মোহন কলিতা

হাই জাম্প

প্ৰথম ঃ উত্তম কলিতা

দ্বিতীয় ঃ বিষয় ৰাভা

ডিচ্কাচ্ থ্ৰো

প্ৰথম ঃ বিষয় ৰাভা

দ্বিতীয় ঃ হবেন বড়ো

১০০ মিটাৰ দৌৰ

প্ৰথম ঃ অনিল ৰাভা

দ্বিতীয় ঃ উত্তম কলিতা

৪০০ মিটাৰ দৌৰ

প্ৰথম ঃ উত্তম কলিতা

দ্বিতীয় ঃ অনিল ৰাভা

মোহন কলিতা

৮০০ মিটাৰ দৌৰ

প্ৰথম ঃ অনিল ৰাভা

দ্বিতীয় ঃ উত্তম কলিতা

তৃতীয় ঃ মোহন কলিতা

বিলেবেচ

প্ৰথম ঃ বিষয় ৰাভা

উত্তম কলিতা

চামাদ আলি

অনিল ৰাভা

দ্বিতীয় : খনিন মহন্ত

ভাৰত চৌধুৰী

নৱন কলিতা

নাগেশ্বৰ ৰাভা

ভলীবল

বিজয়ী দল ২য় বৰ্ষিক, ৰাভক্ষ।

ভবেন চন্দ্ৰ ঠাকুৰীয়া

বিষয় ৰাভা

গনেশ সিং ৰাভা

দুলাল বড়া

হৰেন বড়ো

অনিল ৰাভা

## ঃ বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ

# বিষয় ৰাভা

( ছোৱালীৰ )

চট্‌পুট্‌

প্ৰথম ঃ হিৰণময়ী শৰ্মা

দ্বিতীয় ঃ চেলিমা খাতুন

জেভ্‌লিন থ্ৰো

প্ৰথম ঃ হিৰণময়ী শৰ্মা

দ্বিতীয় ঃ নলিনী চৌধুৰী

লং জাম্প্‌

প্ৰথম ঃ চেলিমা খাতুন

নলিনী চৌধুৰী

দ্বিতীয় ঃ ৰমিলা বড়ো

ডিচ্‌কাচ্‌ থ্ৰো

প্ৰথম ঃ মীনা দুৱৰা

দ্বিতীয় ঃ জাহানাৰা বেগম

হাইষ্টেপ্‌ হিট্‌

চেলিমা খাতুন

নীলিমা গোস্বামী

ৰিলেৰেচ্‌

প্ৰথম ঃ সাবিত্ৰী কলিতা

দ্বিতীয় ঃ নীলিমা গোস্বামী

১০০ মিটাৰ দৌৰ

প্ৰথম ঃ সাবিত্ৰী কলিতা

দ্বিতীয় ঃ ৰঞ্জুবাণী কলিতা

৪০০ মিটাৰ দৌৰ

প্ৰথম ঃ চেলিমা খাতুন

দ্বিতীয় ঃ নলিনী চৌধুৰী

ৰিলেৰেচ্‌

ৰঞ্জুবাণী কলিতা

সাবিত্ৰী কলিতা

ইয়াচিক্ষুন নেচা

চেলিমা খাতুন

## ঃ বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ঃ

# চেলিমা খাতুন

বেড্মিণ্টন্ (ডাবলচ্)

চেম্পিয়ন ঃ ভাৰত চৌধুৰী
ভবেন চন্দ্ৰ ঠাকুৰীয়া

ৰাণাৰ্চ আপ্ ঃ মহেশ চন্দ্ৰ দাস
বনমালী দাস

বেড্মিণ্টন্ (ছিংগলচ্)

চেম্পিয়ন ঃ ভাৰত চৌধুৰী

ৰাণাৰ্চ আপ্ ঃ মহেন্দ্ৰ দাস

কেৰম (ডাবলচ্)

চেম্পিয়ন ঃ ধীৰেন্দ্ৰ কুমাৰ চৌধুৰী
চামাদ আলী

ৰাণাৰ্চ আপ্ ঃ মহেশ চন্দ্ৰ দাস
কণকেশ্বৰ ধৰ

কেৰম (ছিংগলচ্)

চেম্পিয়ন ঃ ভাৰত চৌধুৰী

ৰাণাৰ্চ আপ্ ঃ খগেন মহন্ত

---

## -ঃসাংস্কৃতিক বিভাগঃ-

আধুনিক গীত

প্ৰথম ঃ ভাৰত চৌধুৰী
দ্বিতীয় ঃ ধীৰেণ কলিতা

বনগীত

প্ৰথম ঃ ধীৰেণ কলিতা
দ্বিতীয় ঃ ভাৰত চৌধুৰী

বৰগীত

প্ৰথম ঃ গোবিন্দ বড়ো
দ্বিতীয় ঃ চম্পাৱতী বড়ো

কামৰূপীয়া লোকগীত

প্ৰথম ঃ অশ্বিনী কৈৱৰ্ত
দ্বিতীয় ঃ ধীৰেণ কলিতা

গোৱালপৰীয়া লোকগীত

প্ৰথম ঃ গোবিন্দ বড়ো
দ্বিতীয় ঃ অশ্বিনী কৈৱৰ্ত

বিহুগীত

প্ৰথম ঃ ধীৰেণ কলিতা
দ্বিতীয় ঃ ধ্ৰুৱজ্যোতি চৌধুৰী

বাভাগীত

প্ৰথম ঃ শৰৎ ৰাভা
দ্বিতীয় ঃ হৰেণ বড়ো

ভজন

প্ৰথম ঃ ধীৰেণ কলিতা
দ্বিতীয় ঃ গোবিন্দ বড়ো

হিন্দীগীত

প্ৰথম ঃ হৰেণ বড়ো
দ্বিতীয় ঃ লবন কলিতা

কৌতুক অভিনয়

প্ৰথম ঃ ধ্ৰুৱজ্যোতি চৌধুৰী
দ্বিতীয় ঃ আইনুল হক

আবৃত্তি—

প্ৰথম ঃ ৰঞ্জুবাণী কলিতা
দ্বিতীয় ঃ অনুপম দাস

—ঃ বছৰৰ শ্ৰেষ্ঠ নাট ঃ—

## "বিবী হাটাও"

বছৰৰ শ্ৰেষ্ঠ গায়ক ঃ ধীৰেণ কলিতা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা ঃ— সত্যেন্দ্ৰ বড়া
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী ঃ— ৰঞ্জুবাণী কলিতা

## —ঃতৰ্ক বিভাগঃ—

তৰ্ক

প্ৰথম ঃ বনমালী দাস
দ্বিতীয় ঃ মহেন্দ্ৰ দাস

কুইজ

প্ৰথম ঃ মহেন্দ্ৰ দাস
দুলাল বড়া
প্ৰবীণ বাভা
কৰুণা বড়ো
দ্বিতীয় ঃ লৱণ কলিতা
গিৰীশ কলিতা
নলিনী কলিতা
পবিত্ৰ কলিতা

আকস্মিক বক্তৃতা

প্ৰথম ঃ মহেন্দ্ৰ দাস
দ্বিতীয় ঃ ধ্ৰুৱজ্যোতি চৌধুৰী

## সাহিত্য বিভাগ

কবিতা

প্ৰথম ঃ ✕
দ্বিতীয় ঃ প্ৰবীণ কুমাৰ বাভা
তৃতীয় ঃ মহেন্দ্ৰ কুমাৰ দাস
নিৰুপমা চৌধুৰী

---

## ঃ সমাজ সেৱা বিভাগ ঃ

বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মী—

( ল’ৰাৰ )

প্ৰথম ঃ গনেশ সিং বাভা
ভাৰত চৌধুৰী
সতীশ বাভা
দ্বিতীয় ঃ ভবেন চন্দ্ৰ ঠাকুৰীয়া
নলিনী কলিতা

( ছোৱালীৰ )

প্ৰথম ঃ ... ত্ৰী কলিতা
...ণী কলিতা
দ্বিতীয় ঃ নলিনী চৌধুৰী
ভাৰতী দাস
হীৰা বাভা

## List of The Members on The Teaching Staff:—

1. Sri J. C. Nath, M. A., Principal.

*Department of Assamese*

1. Sri B. K. Dutta, M. A. Head of the Dept.
2. Sri M. C. Kakati, M. A., Lecturer.
3. Sri D. K. Baruah, M. A., do.
4. Sri K. S. Deka, M. A., do.
5. Mrs. L. Baruah, M. A., do.

*Department of English*

1. Sri K. M. Sarma, M. A., Head of the Dept.
2. Sri M. K. Sarma, M. A. Lecturer.
3. Sri D. K. Das, M. A., do.

*Department of Economics*

1. Sri S. C. Talukdar, M. A., Head of the Dept.
2. Sri D. N. Sarma, M. A., Lecturer.
3. Sri A. Patowary, M. A., do.

*Department of History*

1. Sri D. N. Das, M. A., Head of the Dept.
2. Sri L. K. Sarma, M. A. L rer.

*Department of Political ence*

1. Sri D. C. Sarma, M. A., Head of the Dept.
2. Md. M. Rahman M. A., Lecturer.

## Office Staff

1 Sri K. C. Das, O/A.
2 Sri R. C. Medhi, O/A.
3 Sri G. Rabha, B-A, Librarian.
4 Sri Sarbaswar Das, Office Peon.
5 Sri Mahesh Das, do.
6 Sri Hasmat Ali, do.

---

## Graduates of the year 1978.

1 Sri Anil Kumar Rabha.
2 Sri Bishay Rabha.
3 Sri Biren Ch. Biswas.
4 Sri Ganesh Singh Rabha.
5 Md Gulmahammad Ali.
6 Sri Hari Charan Mazumd
7 Sri Haren Boro.
8 Sri Madhab Ch. Rabha.
9 Md Jainal Abden.
10 Md Taibulla Ahmed.
11 Sri Nareswar Rabha.
12 Sri Nagendra Ch. Choudhury.

13 Sri Pabitra Kr. Thakuria.
14 Miss Kanak Lata Patgiri.
15 Miss Hiranmayi Sarma.
16 Miss Kiran Kakati.
17 Sri Ramdhan Boro.
18 Miss Sabitri Devi.
16 Sri Nagen Ch. Kalita.
20 Sri Lankeswar Talukdar.
21 Sri Manu Ram Deka.
22 Sri Niranjan Patowary.
23 Sri Harendra Nath Sarma.
24 Sri Prabin Dutta.
25 Sri Rabindra Boro.
26 Md Sabur Uddin Miah.
27 Md Tajmahal Hussain.

*The End.*